দুলাল

শ্ৰীদীননাথ শৰ্ম্মা



প্ৰথম প্ৰকাশ

১৯৫২

প্ৰকাশক ঃ—
শ্ৰীঅৰুণচন্দ্ৰ শৰ্ম্মা
পদ্মনাথ ৰোড্,
তেজপুৰ, অসম

বিলনীয়া—
'ইষ্ট এণ্ড ৱেষ্ট বুক'
তেজপুৰ, অসম

মূল্য—দুই টকা

ছপা কৰিছে—
শ্ৰীঅতুলচন্দ্ৰ চক্ৰবৰ্ত্তী
ভাৰত মিহিৰ প্ৰেছ
৮৫, অপাৰ চাৰকুলাৰ ৰোড,
কলিকতা

—নিবেদন—

'দুলাল' আঠোটি চুটি গল্পৰ সমষ্টি। ইয়াক প্ৰকাশ ক[illegible] উলিয়াবলৈ যুগুত কৰা হৈছিল ১৯৩৮ চনতে। কিন্তু প্ৰকা[illegible] অভাৱ আৰু নিজৰো আৰ্থিক নাটনিত 'দুলাল'ক ইমানদিনে ড[illegible] সাঁচি ৰাখিব লগা হয়। যি কি নহওক এতিয়া ইয়াক [illegible] আগলৈ উলিয়াব পাৰি আমি সুখী হৈছো।

ইয়াত প্ৰকাশ হোৱা গল্পকেইটিৰ দুই এট[illegible] 'আৱাহণ' আদি মাহিলি কাকতত প্ৰকাশ[illegible] সৰ্ব্বসাধাৰণ ৰাইজ আৰু পাঠক সকলৰ আদৰ [illegible] কৰিয়েই আমি 'দুলাল'ক প্ৰকাশ কৰিলো। যদি [illegible] 'দুলালে' চেনেহ আকৰ্ষণ কৰিব পাৰে তেন্তে আমাৰ অন্যান্য গল্প পুথি কেইখনো সোনকালে প্ৰকাশ কৰি উলিয়া[illegible] ইতিমধ্যে আৰু চাৰিখন গল্প কিতাপ সাজু কৰি ৰখা হৈছে।

—লিখক—

মোৰ চেনেহৰ বাইদেউ

শ্ৰীযুতা ভৱানী দেৱীৰ

হাতত

ইয়াত আছে ঃ—

দুলাল

দুলাল

নিপোটল স্বাস্থ্যৰ অকণিমান ল'ৰা সি! বয়স তিনি বছৰমান হব।

ঠুনুক্ ঠানাক্ তাৰ মাত। কত কথা কয় সি। কিমান প্ৰশ্ন কৰে! সকলো কথা বুজিবও নোৱাৰি। [illegible]পি শুনি ভাল লাগে!

স্বৰ্গৰ শিশুৰ দৰে তাৰ গতি! সৰু পখিল[illegible] সি পিছে সি খেদি যায়; আনন্দত হাঁহিৰ ঢৌ তুলি। [illegible] কুটুলা চুলিবোৰ বতাহত উড়ি যায়! দৌৰোঁতে দৌৰোঁতে ৰঙা গাল দুখন তাৰ আৰু ৰঙা হৈ উঠে! তাতে আ[illegible]হি সন্ধিয়া সূৰুযৰ হেঙুলি কিৰণৰ ৰেখাবোৰ গ[illegible] পাতৰ সৰুভাইদি; তাৰ গালে, মুখে, চুলিয়ে সকলোতে! কি সুন্দৰ দেখি তাক! মাকে বাৰান্দাত বহি তাৰ অপৰূপ মূৰ্ত্তি, চাই চাই ভোল যায়! তেওঁৰ মুখ খন উজ্জ্বল হৈ উঠে স্নেহ আৰু মাতৃত্বৰ গৌৰৱত!

পখিলাটো ক্ৰমে উড়ি যায়—দূৰলৈ—বহুত দূৰলৈ! সি থৰ লাগি চাই থাকে সেইফালে। তাৰ পাচত হঠাৎ হাত চাপৰি বজাই চিঞৰি উঠে,—"গলগৈ, বহুত দূললৈ গলগৈ!"

হাঁহিৰে পূৰ্‌ সৰল ডাঙৰ চকু দুটাৰে মাকৰ ফালে চাই সোধে, "আকৌ আহিবনে মা?"

"আহিব মোৰ বাপ্! তই মাতচোন, আকৌ আহিব!" মাকে কয় চেনেহৰ মৌ-বৰষি।

মাকৰ কথাত সি হাত বাউল দি পখিলাক মাতে। হৃষ্ট পখিলাই তাৰ ফালে ঘূৰিও নাচায়।

হঠাৎ সি নিম গছ জোপাৰ ডাল এটালৈ আঙুলিয়াই মাকক সোধে,—"সৌটো কি মা?"

…াৰ সোণ!"—মাকে গছ জোপালৈ চাই কয়।

…?"

…া চৰাই।"

"…লিকা চলাই" বুলি সি স্তব্ধ হৈ সেই ফালে চাই থাকে। যেন চৰাইটোৰ প্ৰতি অঙ্গ সি অধ্যয়নহে কৰিছে।

মা… াতে "দুল!"

সি নামাতে; চৰাইটোলৈ অবাক হৈ চাই থাকে।

মাকে আকৌ মাতে—"দুল, অ' দুল!"

চৰাইটো হঠাৎ চঞ্চল হৈ উঠে। সি পাখি মেলি উড়ি গুচি যায়। যাওঁতে "…কঁউ" বুলি দুলালক মাত এযাৰ লগাই যায়।

সি মনটো মাৰি মাকৰ ওচৰলৈ আহে। মাকৰ ডিঙিত সাৱটি ধৰি কয়—"মোক ল।"

মাকে আথে বেথে তাৰ মূৰত হাত ফুৰাই আদৰেৰে কয়, "মোৰ কোলাত পোনা আছে নহয় সোণ! তোক কেনেকৈ লম? তই জানো পোনাক লব পাৰিবি?"

সি মাকৰ কোলাত সোমাই পিয়াহ খাই থকা পোনালৈ চায়। তাৰ চকু উজ্জ্বল হৈ উঠে। পোনাৰ গালত আদৰেৰে হাত বুলাই দিয়ে। এটা চুমা খায়। পোনাইও তাৰ ফালে চাই হাঁহি দিয়ে। সি সোধে, "পোনাল দাঁত নাই মা?" তাৰ পাচত ঠোন্ ঠোনাই মাকক আব্দাৰ কৰে, "ময়ো খাম পুপু!"

মাকে তাক বুজাই, ডাঙৰ ল'ৰাই পুপু খাব নে…াই বুলি। কিন্তু সি নেমানে। তাৰ জেউৰ ক্ৰমে বাঢ়ি যায়…

সন্ধিয়া লাগি ভাগি যায়। মাকে চাকি জ্ব… তালৈ খাবলৈ গোটায়। সি কান্দি কান্দি মাকৰ … সি… ল। পিচে পিচে ফুৰে। অসহ্য হৈ মাকে এটা বাঘ চকা দিয়ে, তাৰ পিঠিত। সি আৰু বেচিকৈ চিঞৰি কান্দে। তাৰ জেউৰ আৰু বেচি হয়।

খাবলৈ দিলে সি নাখায়। ঠেহ পাতে। জলপানৰ বাটি উবুৰিয়াই পেলাই দিয়ে। মাকে কোলাত লৈ, চুমা খাই কত কাবৌ-কোকালি কৰি, ফুচুলিয়াই খুৱাই শুৱাবলৈ নিয়ে।

মাক লগতে শোৱে। তাতো তাৰ আমনি। মাকে ডাবি

দি, নাম গাই, পিঠিত হাত ফুৰাই কিমান যত্নৰ ওপৰত তাক শুৱায়। অৱশেহত ক্লান্ত হৈ সি শুই পৰে।.........

পুৱা উঠি আকৌ তাৰ ঠোন্ ঠোননি। আতৌ-পুতৌকৈ তাক মাকে জলপান খাবলৈ দিয়ে। কত ভুলাই-চকাই তাক জলপান খুৱাব লাগে।

তাৰ পাচত তাৰ সৰু বায়েক কিৰণৰ লগত ওমলে। তামোলৰ সৰু ঠোক এটাত কল ঠহুৰা এডাল লগাই সি টানি নিয়ে; 'অঁয়' 'অঁয়' কৰি। কিৰণ পাচে পাচে যায়। তামোলৰ তলত গৈ ম'হক ঘাঁহ খুৱায়। নাখালে দুলালে এচাৰি এডাল লৈ ম'হক মাৰে।

কিৰণে অকণমান তাক টানিবলৈ খোজে সি নিদিয়ে। তাই [illegible] হাতৰ পৰা ৰচি ডাল কাঢ়ি আনে। সি হাতৰ [illegible] তাইক কোব মাৰি দিয়ে। কিৰণে কান্দি কান্দি [illegible] দিয়েহি।

মাকে তাইক মৰম কৰি দুলালৰ লগত উমলিবলৈ হাক দি পতাখনত হালধি বটিবলৈ লগাই দিয়ে। তাই আপোন মনে পতা গুটিটো লৈ পৰাই নোৱৰাই হালধি খুন্দি থাকে। মাকে ভিতৰত ভাত ৰান্ধে।

অকলে ম'হ টানি আমনি লাগি দুলাল আকৌ আহে বায়েকৰ ওচৰলৈ। দুয়োৰো আকৌ বন্ধুত্ব হয়। দুইটাই একমনে হালধি খুন্দি থাকে।

পতাৰ পৰা হালধি আনি দুলালে তাৰ পেট আৰু মুখত সানি লয়। কিৰণেও তাক সহায় কৰে। ভুন্-ভুনাই সিহঁতে কথা পাতে; মাজে মাজে খিল্ খিলাই হাঁহে। মাকে একোবাৰ সিহঁতক আহি চাই যায়হি। গাই মুখে হালধি সনা দেখি মনে মনে হাঁহে; আকৌ ভিতৰলৈ গুচি যায়।

পতাগুটিটোত ধৰি দুলালে কয় "মই খুনো!"

কিৰণে নিদিয়ে। সিহঁতৰ আকৌ কাঁজিয়া লাগে। তাই খণ্ডত দুলালৰ হাততে খুন্দা মাৰি দি লৰ মাৰে। সি চিএঁৰি কান্দি উঠে। মাকে লৰালৰিকৈ আহি তাক কোলাত তুলি লয়হি। পাক ঘৰলৈ নি তাৰ হাতত এটা কল দিয়ে। সি কল পাই মনে মনে থাকে।

স্কুললৈ যাবৰ সময় হয়। গা ধুই আহি ড[illegible] কয়হি, "মা, ভাত দে আমাৰ দেৰি হল।"

বৰ ছোৱালী হিৰণে কয়হি,—"মা মোৰ মূৰ আ[illegible] কা[illegible] সি [illegible]"

কিৰণে কান্দি উঠে—"মোৰ পেন্‌চিল কোনে নিলে" বুলি। এনেতে দুলালে ঠোন্ ঠোনাই কয়হি—"ময়ো যাম ইচ্‌কুললৈ!"

মাকৰ তৎ হেৰাই যায়। পীৰা পাৰি ডাঙৰ দুটা লৰাক ভাত দি মাক হিৰণৰ চুলি আচুৰিবলৈ আহে। কিৰণৰ পেন্‌চিল বিচাৰি দিয়ে। দুলালে নিজেই পীৰা এখন কেকো জেকোকৈ চোচোৰাই নি লুটিয়াই পাৰি ককায়েকহঁতৰ লগত ভাত খাবলৈ বহে। সিহঁতে তাক ভাত নুখুৱায়; সি কান্দি উঠে।

মাকৰ ওচৰলৈ আহিলে মাকে থেকেচা মাৰি থৈ হিৰণ আৰু কিৰণক ভাত দিয়েগৈ। সি তথাপিও মাকৰ পিছে পিছে আচলত ধৰি কান্দি ফুৰে।......

পোনাই সাৰ পাই কান্দে। মাকে পোনাক শুৱাবলৈ যায়।

ল'ৰা ছোৱালী চাৰিউটা ভাত-পানী খাই বৈ স্কুললৈ যায়। পাছে পাছে দুলালেও কান্দি কান্দি পদলিমূৰ পায়গৈ। সিহঁতৰ লগ ধৰিব নোৱাৰি সি চেৰেউ ফেৰেউকৈ চিঞৰি তাতে বাগৰি পৰে। মাকে গৈ কোনোমতে কোলালৈ আনি গা-পা ধুৱাই তাক ভাত খুৱায়।

তাক দেউতাকৰ লগত শুবলৈ থৈ দুপৰীয়া মাকে ভাত খাবলৈ [illegible]ৰত সোমায়।

[illegible]দউতাকৰ লগত—নাম শুনি, সাধু শুনি থাকে। [illegible]ঘৰ কথা, ভালুকৰ কথা, পাওঁকৰাৰ কথা কৈ তাক [illegible]ই টোপনি যাবলৈ কয়। সি ভয় কৰা যেন দেখুৱাই অলপ সময় তলকা মাৰি চকু জিপি থাকে।

দেউতাকৰ টোপনি আহিলেই সি বিচনাৰ পৰা মনে মনে নামি গুচি যায়।......

মাকে খাই-বৈ কাঁহী-বাটি ধুই, চৰু-তৰুসামৰি শোৱা ঘৰত সোমাই চায়হি—দুলাল বিচনাত নাই। দেউতাক ঘোৰ ঘোৰাই শুই আছে, ওচৰতে সৰু বিচনাখনত পোনা আছে। কিন্তু দুলাল কলৈ গ'ল? মাক উদ্‌গ্ৰীৱ হৈ উঠে।

এটাই কেউটা ঘৰ চাই যায়,—ক'তো দুলাল নাই। কোনোবাই হাঁচিৰা যেন শুনি মাকে পাক-ঘৰৰ মুখৰ কল গছ কিজোপাৰ ওচৰলৈ আহি চায়হি—দুলাল কল গছৰ তলত সোমাই আপোন মনে বনপাত চিঙি গুন্ গুনাই কিবা কিবি বলকি আছে। মাকক দেখি সি খিল্‌খিলাই হাঁহি উঠে। তাৰ হাঁহিৰ শব্দত উচাপ খাই এজাক জিয়াঁ তাৰ ওচৰৰ পৰা উড়ি যায়।

মাকৰ খঙ কেনিবা গ'ল। তেওঁ গৈ তাক বুকুত তুলি ললে। সি মাকৰ ডিঙিত সাৱটি ধৰিলে।

তাৰ পাচত সি মাকৰ লগত শোৱে।... আবেলি আকৌ ককায়েক বায়েকহঁত আহিলে সি সিহঁতৰ লগতে ভাত খায়। তাৰ পিচত ওমলে,—পখিলা খেদি, চৰাই মাতি, [illegible]ী ধৰি, দৌৰি, হাঁহি মাটিত বাগৰি!

সন্ধিয়া হলে আকৌ তাৰ ঠেহ লাগে। কা[illegible], সি

এনেকৈয়ে হাঁহি-কান্দি সি দিনবোৰ মুখৰ ক[illegible]লে। সকলোৱে তাক মৰম কৰে, কোলাত লয়, চুমা খায়।—

মাকৰ বুকুত সি ঢালি দিয়ে আনন্দৰ সীমাহীন মৌ-নিজৰা।...

*

* *

আগদিনা সাজ লগা সময়ত কিণ্‌কিনিয়া বৰষুণ আনিছিল। দুলালৰ কি ৰং। সি বৰষুণত তিতি জুৰুলি জুপুৰি হল। মাকে আনিবলৈ গলে পাৰেমানে টেটুফলা চিঞৰ দিয়ে।

পানী পোটাত অলপ পানী ৰৈছিল। পানী ডোঙাত লেপেটা কাঢ়ি বহি সি দুই হাতেৰে বোকা-পানী মূৰে গায়ে লৈ ঢেক্ ঢেকাই কিৰিলি পাৰিছিল।

অৱশেহত মাকে কোনোমতে তাক আনি গৰম পানীৰে হাত ভৰি ধুৱাই খুৱাই-বুৱাই শুৱাই থলেনি। সি পাৰেমানে কান্দিলে! তাৰ কান্দোন দেখি দেউতাকে পানীকে খেচি থাকিবলৈ কৈছিল। কিন্তু মাকে নুশুনিলে। তাক বলেৰে লৈ আহিল। উচুপি উচুপিয়েই সি টোপনি গল।

পিচ দিনা পুৱা মাক উঠি দুলালৰ গাত হাত দি চাই দেখে যে তাৰ ভীষণ জ্বৰ। চেতনেই নাই। মাকৰ বুকুখন ধৰ্ ফৰাই উঠিল! [illegible]ৰ কথা মাকে দেউতাকক কলে। দেউতাকে চাই "ব[illegible]াবে জ্বৰ হৈছে। সোনকালে ভাল হৈ যাব।" [illegible]কন্তু সেই নেৰানেপেৰা জ্বৰেই চাৰি দিন থাকিল। মাকে [illegible] তাক লৈ বহি থাকে। ঈশ্বৰক মিনতি জনায়— দুলালক সোনকালে ভাল কৰি দিবলৈ।

জ্বৰৰ লগে লগে কাহ হল। দেউতাকৰো ভয় লাগিল। ডাক্তৰক মাতি আনি দুলালক দেখুৱালেহি। ডাক্তৰে চাই কলে,—"নিউমনিয়া।" মাকৰ ভয়ত তৎ নাই!

নিয়মিতৰূপে চিকিৎসা আৰু শুশ্ৰূষা চলিছে। মাকৰ চকুত টোপনি,—পেটত ভাত—মনত শান্তি নাই! মাথোন দুলালক বুকুত সুমাই একান্তমনে প্ৰাৰ্থনা কৰিছে—সৰ্ব্বনিয়ন্তা ভগৱন্তক।

কিন্তু নিয়তিক কোনে বাধা দিব নোৱাৰে। ক্ৰমে দুলালৰ জীৱন বন্তি নুমাই আহিল।

মাকৰ নিবিড় চেনেহ—আকুল প্ৰাৰ্থনা সকলো মিছা হল। দুলালৰ অকণিমান প্ৰাণ-পক্ষী কোনোবা নজনা দেশলৈ সেইদিনা সন্ধিয়াৰ লগে লগে উড়া মাৰিলে। তাৰ দেহ পানীৰ দৰে চেঁচা, নিস্পন্দ! চকু স্থিৰ—ভাব শূন্য! মাকে বুকুত হাত দি চিঞৰি সেই পিনে অচেতন হৈ ঢলি পৰিল।

নিম জোপাৰ পৰা নিয়তি জনীয়ে মাতিলে—"নি—উ"—হুতা অমঙ্গলীয়া মাত।.........

ঘৰখনত এটা বিৰাট বিভীষিকা! কেনিউ ক'তো কাৰো সাৰ-সুৰ নাই! মাকৰ হুঁহাঁকাৰৰ এটা করুণ [illegible]ৰক সুৰ থাকি থাকি বতাহত ধ্বনিত হৈ উঠে।

দুলাল আৰু নাহে!—মাকৰ হিয়া ভাঙি চিৰকাল[illegible] সি গুচি গল!

*

* *

পুৱাৰ লগে লগে আকৌ সকলো স্মৃতি নতুন হৈ উঠিল। মাকে চকু মেলি চাই দেখে দুলাল কোলাত নাই! ওচৰতে ছোৱালী দুজনী বহি কান্দি আছে। ডাঙৰ দুটা ল'ৰাও বেজাৰত মন মাৰি বহি আছে। সিহঁতৰ চকুতো চকুলো!

পোনাকণক ওচৰৰ জেঠায়েকে লৈ গৈছে !—আৰু বাপেক ? বাপেক বাৰান্দাৰ খুটা এটাৰ ওচৰত জুপুকা মাৰি বহি আছে। চকু-মুখ সোমোৱা, শুকান ! মূৰৰ চুলিবোৰ বিশৃঙ্খল ! যেন কত দিনৰ বেমাৰী তেওঁ— !···

মাক শিয়ৰি উঠিল ! ই কি সঁপোন !—তেন্তে কি হল তেওঁৰ ?—উস্ ! নিষ্ঠুৰ বিধতা !

দিনটোও তেনেকৈয়ে পাৰ হল। ওচৰ-চুবুৰীয়াই আহি সান্ত্বনা দিলেহি !—কিন্তু মাকৰ পোৰা পেট ! বুকুখন যেন জ্বলি-পুৰি চাই হৈ গল !

কোনো কোনোৱে ক'লে—"আই অ', তইনো কিয় বেজাৰ কৰিছ ! সি গলেও এই পাঁচোটি আছে। ঈশ্বৰে দিয়া বস্তু এয়ে বুহুত !"

মাক চিঞৰি উঠিল—"দুলাল" বুলি ! পাঁচোটা থাওক তথাপি দুলাল নাই ! 'দুলাল' যে তেওঁৰ বৰ আদৰৰ ধন ! মাকৰ প্ৰাণ !

তথাপিও মাক বুকু বান্ধি উঠিল। কাম নকৰিলে যে নহয়। দুলাল নাই বুলিতো সংসাৰ যন্ত্ৰ অচল হব নোৱাৰে। তেওঁ গা-পা ধুই এখন দুখনকৈ কামত লাগিল। নিয়তিৰ কঠোৰ পৰিহাস !·········

মাকৰ অন্তৰখন হু-হুৱাই উঠে,—দুলাল নাই ! সংসাৰখন যেন উদং হৈ গল। আজিৰ পৰা কান্দি, ঠেহপাতি, আমনি কৰিবলৈ কেওঁ নাই ! মাকৰ চকুৰ পানীয়ে গাল তিয়াই নিয়ে।

সন্ধিয়া হল। আগৰ দৰেই আজিও সন্ধিয়া বেলিৰ ৰাঙলি পোহৰ নিম জোপাৰ পাতৰ ফাঁৰেদি আহি চোতালখনত পৰিলহি ! কিন্তু যেন কিমান ম্লান, কিমান সেতা ! মাকে সেইফালে চাই এটা হুমুনিয়াহ পেলালে। তপত—দীঘল হুমুনিয়াহ !

মাক আৰু স্থিৰেৰে ৰব নোৱাৰিলে। সেই পিনেই বহি পৰিল। শূন্য দৃষ্টিৰে চাই ৰল আকাশৰ ফালে !

মনে মনে ভাবিলে—সি চাগৈ এতিয়া ক'ত ?

পশ্চিম আকাশত ক'লা-ৰঙা—বগা বিচিত্ৰ ৰঙৰ ডাৱৰৰ টুকুৰাবোৰ ঘূৰি ফুৰিছে ! মাকৰ দৃষ্টি পৰিল—তাৰ সিফালে ৰহস্য লোকৰ দেখা নেদেখা মায়াপুৰীত !···

"সেই দেশতেই তেনেহলে সি আছে !"—মাকে আৰু ভাৱিব নোৱাৰিলে। সকলো আন্ধাৰ !—তেওঁৰ সম্মুখত অনন্ত আন্ধাৰ ! আদি নাই অন্ত নাই কেৱল আন্ধাৰ !···

ভাগ্য-পৰীক্ষা

"আই, মই আৰু স্কুল নপঢ়ো।"

"কিয় বোপাই ?" মাকে পুতেকৰ শুকান মুখ খনলৈ চাই আশঙ্কাত উদগ্ৰীৱ হৈ সুধিলে। পুতেক পদ্মকান্তই এইবাৰ বাছনী পৰীক্ষা দিছিল। পিচে পাছ হব নোৱাৰিলে। তাৰে খবৰ ওলালত আজি চহৰৰ পৰা ঘৰলৈ আহিছে।

সি তললৈ মুখ কৰিয়েই মাকৰ প্ৰশ্নৰ উত্তৰত ক'লে "মোক মাষ্টৰে হিংসা কৰি এইবাৰো পৰীক্ষা দিবলৈ নিদিয়ে। অঙ্কত মুঠেই তিনি নম্বৰতহে ফেল হৈছোঁ। অথচ ৰমাক দুটা বিষয়ত ফেল হোৱাতো পৰীক্ষা দিবলৈ দিছে।" দুখ আৰু ক্ষোভত পদ্মকান্তৰ মুখে কেইবাটাও বৰণ সলালে। সি যোৱা বছৰো এই বাছনী পৰীক্ষা দিছিল। সেই বাৰো সি অঙ্কতেই ফেল কৰা বুলি কৈছিল। কিন্তু দুই এটা তাৰে লগৰ চকুচৰহা লৰাই কৈছিল যে পদ্মকান্তই কেৱল অঙ্কতেই নহয়, ইংৰাজী আৰু সংস্কৃততো ফেল কৰিছিল। সংস্কৃতৰ বোলে পদ্মকান্তৰ কিতাপেই নাই। সংস্কৃতৰ ঘণ্টাত তাক উপস্থিত থকাও শ্ৰেণীত কোনেও দেখা নাই। যিয়ে যি কওক সি হলে কয় তাৰ অঙ্কতেই হে অলপ বেয়া হয়। আনে তাৰ কথা বিশ্বাস কৰোক বা নকৰোক মাকে

তাৰ কথা শিলৰ ৰেখ বুলি বিশ্বাস কৰে। এই বাৰো আজলী মাকে বুজিলে হয় তেওঁৰ অজলা লৰাটোক মাষ্টৰে হিংসা কৰে। মাকে তাৰ কথাতে পতিয়ন গৈ কলে "এৰা, নেলাগে বোপাই আৰু পঢ়িব। ইমান হিংসা খিয়ালৰ মাজতনো কেনেকৈ পঢ়িবি ? ঘৰতে থাক। যি হল হল। আমাৰ দুখীয়া মানুহৰ ইমান বিদ্যায়েই হব। যি দুই চাৰি দৰা মাটি-বাৰী আছে তাকে চলাই মেলি খালেও তোৰ দিন কেইটা যাব। ময়ো বুঢ়া হলোঁহি। অকলে অকলেও আৰু থাকিব নোৱাৰা হৈছোঁ। তই জিলাত থাকিলে কিমান ভাৱনা-চিন্তা কৰি কটাওঁ।"

মাকৰ কথাত পদ্মই ভাল পালে। তাতকৈ কম বয়সীয়া সৰু সৰু লৰাবোৰৰ লগত আকৌ পঢ়িবলৈ যোৱাতো তাৰ পক্ষে বৰ লাজৰ কথা হৈছিল। যোৱা বছৰেই কোনোমতেহে পঢ়িবলৈ গৈছে। সিবাৰ তেও তাৰ লগৰ দুবছৰীয়া লৰা গোটাচেৰেক আছিল। এইবাৰ সিও নাই। আটাই কেইটা ফে'ল হৈ দিহা-দিহি গুচি গল। এনেস্থলত সি আৰু কোনটো লাজেৰে পঢ়েগৈ ? ইয়াৰ উপৰিও আচল কথাটো হৈছে তাৰ আৰু স্কুলৰ চাৰিবেৰৰ ভিতৰলৈ যাবলৈ সমূলি ইচ্ছা নাই। পঢ়ি পঢ়ি তাৰ আমনি লাগিছে।

মাকৰ মুখৰ পৰা তাৰ ফালেই ৰায় হল। এতিয়া বাপেকৰ পৰা কেনেকৈ সৰা যায় এই চিন্তাত সি অলপ বিচলিত হৈ পৰিল। হাল বাই খেতি কৰি অৰ্জ্জা টকা খৰচ কৰি তাক বাপেকে স্কুলত

পঢ়াইছিল—ভবিষ্যতৰ কিমান আশা কৰি ! কিন্তু আজি যেতিয়া বাপেকে শুনিব যে এইবাৰো তেওঁৰ লৰাই বাছনী পৰীক্ষাৰ দুৱাৰখন পাৰ হব নোৱাৰিলে তেতিয়া বাপেকে কি ভাৱিব ? তাকনো সুদাই এৰিবনে চাগৈ ? এই বিলাককে গুণা-গঠা কৰি ইয়াৰ এটা মীমাংসা কৰিবলৈ অৱশেষত মাকৰ ওপৰতে ভাৰ থৈ পদ্মকান্তই বাপেক আলু তলিৰ পৰা অহাৰ আগতে গাৱঁৰ ফালে খোজ ল'লে।

মাকেও অতি সোনকালে আৰু সহজে বুজিলে যে পুতেকে দিয়া এই ভাৰখন বৰ লঘু নহয় ! টকা ঘটা কিমান দুখ, আৰু কিমান কষ্টত তেওঁলোকে দিন কটাই নিজে নাখায়ো পুতেকৰ পঢ়াৰ খৰচ জোগাইছিল এইটো মাকে নিজ চকুৰেই দেখিছে। এনেস্থলত পুতেকৰ আজি এই অকৃতকাৰ্য্যতাৰ কথা শুনিলে বাপেক মণিৰামৰ যে মুধচফুট নহব তাক কোনে জানে ? গতিকে মাকে সদ্যহতে মণিৰামৰ আগত এই খবৰ নকবলৈকে ঠিক কৰিলে। লাহে লাহে সকলো সম্বাদ দিবলৈ তেওঁ আলচি থলে।

মণিৰামে আলু খান্দি ঘামি জামি সন্ধিয়া আহি ঘৰ পালেহি। আহিয়েই পানী গামোচা খনেৰে গাটো মচি ঘৈণীয়েকক খুজি লোটাটো লৈ ঢক্ ঢক্কৈ এলোটা পানী খাই চ'ৰা ঘৰতে লেপেটা কাঢ়ি বহিল। তাৰ পাচত ঘৈণীয়েকৰ মুখৰ পৰা পুতেক অহাৰ বাতৰি ললে।

পুতেকৰ খবৰ-বাতৰি লৈ তেওঁ হাতভৰি ধুই আহি মাটি তেলৰ চাকিটো লগাই ঢৰা এখন পাৰি বহি কাঠি-কামি কৰিবলৈ

লাগিল। ঘৰ এটা ভাঙি থৈছে, এইবাৰ নাসাজিলেই নহয়। তাৰেই কাঠি কামি দিনত সময় নোপোৱাত ৰাতি কৰিছে। এনেতে দুই চাইটাকৈ গাৱঁৰ মানুহ আহি মণিৰামৰ ওচৰত বহিলহি। সকলোৱে পুতেকৰ খবৰ সুধিলে। জিলাত থাকি পঢ়া ল'ৰা গাওঁখনৰ ভিতৰত সিয়েইহে। গতিকে তাৰ ওপৰত গাৱঁৰ সকলোৰে এটা কৌতুহল আৰু আগ্ৰহ আছিল। মণিৰামেও পুতেকক লৈ অলপ গৰ্ব্ব নকৰাকৈ নোৱাৰিছিল। তেওঁ পুতেকৰ এখন কথাকে দুখনকৈ কবলৈ ধৰিলে। চাওঁতে চাওঁতে চ'ৰা ঘৰত মেল অলপ শকতকৈয়ে বহিল। ধপাতৰ পাচত ভাঙ লগোৱা হল। আজি কালি ভাঙৰ দুই এটা হোঁপা মনিৰামেও মাৰে। মুঠতে অলপ সময়ৰ ভিতৰতে ভাঙৰ ছাত আৰু কথা-বতৰাত সকলো ইমান নিবিষ্ট হৈ পৰিল যে কেতিয়া তেওঁলোকৰ কাষেদিয়েই পদ্মকান্ত গাওঁ ফুৰি আহি ভিতৰ সোমাল, কেতিয়া সি ভাত-পানী খাই-বৈ শুলেগৈ তাৰ গম কোনেও নাপালে। কিছু সময়ৰ পাছত মেল ভাগিল। সকলো দিহাদিহি গ'ল। মণিৰামো ভাত খাবলৈ উঠিল। ৰাতিও ভালেখিনি হৈছিল। ভাতৰ পাতত মণিৰামে পদ্মকান্তৰ খবৰ ললে। ঘৈণীয়েকৰ মুখে সি ভাত খাই শুলেগৈ বুলি জানি তেওঁ আৰু বিশেষ একো নকৈ নীৰৱে ভাত-পানী খাই বিচনাত পৰিলগৈ। ভাঙৰ নিচাইও অলপ ধৰিছিল আৰু ভাগৰো লাগিছিল, কাজেই সহজে ঘোৰ টোপনিত মণিৰামৰ নাকে ঘোৰ-ঘোৰাই উঠিল। পদ্মকান্তৰ মাকে মনে

মনে ভাবিলে যিহওক তেও আজিলৈ ৰক্ষা। তেওঁ এটা স্বস্তিৰ নিশ্বাস ললে।

ইয়াৰ পাচতো এদিন দুদিনকৈ কেইদিনমান গল। তথাপি মণিৰামে পুতেকে পৰীক্ষাত ফে'ল কৰা খবৰ বা ভৱিষ্যত তাৰ স্কুললৈ নোযোৱাৰ সিদ্ধান্তৰ একো গম নাপালে। তেওঁ ভাবিছে স্কুলৰ কিবা বন্ধ আছে চাগৈ, সেই দেখিহে পুতেক ঘৰলৈ আহিছে। পৰীক্ষাৰো খবৰ তেওঁ নাপায়। গাৱঁলীয়া হোজা মানুহ। সেইবোৰৰ খবৰেই বা ৰাখে কেনৈ?

সেইদিনা ৰাতিপুৱা মণিৰাম কলৈকো যোৱা নাই। একাদশীৰ হালো ক্ষতি। গতিকে ঘৰতে বহি কিবা কিবি কাম কৰি আছে। পুতেক পদ্মকান্তও ফুৰিবলৈ যোৱা নাই। বৰষুণ বতৰ; তাতে গাও অলপ অসুখ, পানী লাগিছে। বাহিৰলৈ গলে ঠান্দা লগাৰ ভয়ত ঘৰৰ ভিতৰতে সোমাই গুণ্ গুণাই কিবা কিবি গাই আছে।

ঠিক এনে সময়তে এজন দৈৱজ্ঞ বামুণ আহি ওলালহি। বামুণ সজ্জনত মণিৰামৰ বৰ ভক্তি। দৈৱজ্ঞক দেখি বৰ আগ্ৰহৰে বহিবলৈ দিলে। ধপাত এচিলিম দি কথা-বতৰা পাতিবলৈ লাগিল। দৈবজ্ঞই কথা প্ৰসঙ্গতে ক'লে যে তেওঁ বৰ ভালকৈ হাত চাব জানে। তাকে শুনি ঘৈণীয়েকে ভিতৰৰ পৰা গিৰীয়েকক কলে—"আমাৰ বোপাৰনো হাতটো নোচোৱাই কেলৈ? তাৰ অসুখ বিসুখো হৈ আছে।" কথাটো তেওঁৰ

মনতো ধৰিছিল। জ্যোতিষ গণনাত তেওঁলোক উভয়ৰে আছিল বিশ্বাস। গতিকে হাত চোৱাবলৈ পুতেকক মতাই আনিলে। পদ্মকান্তইও এই বিষয়ে একো আপত্তি নকৰি মুঢ়া এটাত বহি দেউৰ আগলৈ হাতটো মেলি দিলে। দেৱে প্ৰথমতে পদ্মকান্তৰ সকলো খবৰ লৈ ধইন্ ধইন্ কৰিবলৈ ধৰিলে। তাৰ পাচত তেওঁ মনোযোগেৰে পদ্মকান্তৰ হাতৰ ৰেখা লুটিয়াই বগৰাই চাই কলে যে লৰাৰ সকলো ভাল। ৰাজভোগৰ নিদৰ্শন আছে; ভবিষ্যত ডাঙৰ মানুহ হব লাগে। পিচে সদ্যহতে বিদ্যাবাধক আছে। লৰাৰ বিদ্যা ৰেখাত ৰাহু আৰু শনিয়ে বৰ বাধা দিছে। এই বিদ্যাবাধক আৰু কেইবছৰমান চলিব। প্ৰতিকাৰ অৱশ্যে কৰিব পাৰে।

দৈৱজ্ঞৰ মন্তব্যত পদ্মকান্তৰ চকু উজ্জ্বল হৈ উঠিল। তাৰ দৈৱজ্ঞৰ কথাত দৃঢ় বিশ্বাস হৈ পৰিল। মাকে ভিতৰৰ পৰা মাত লগালে, "আপুনি সৰব্‌জান দেউ। বিদ্যাবাধক যে তাৰ আছে এই কথা মই আগতে জানিছিলোঁ। নহলেনো মোৰ বোপায়ে দুবাৰকৈ পৰীক্ষা দি পৰীক্ষাত ভাল নম্বৰ পায়ো উধাব নোৱাৰেনে?" তাৰ পাছত কথাই কথাই মাকে পুতেক যে এইবাৰো পৰীক্ষাত ফেল কৰি আহিছে তাৰ কথা পুতেকৰ গাৰ পৰা সকলো দোষ এৰুৱাই পাৰ্য্যমানে মাষ্টৰৰ গাত দোষ দি কলে। মণিৰামে কথাটো শুনি বৰ দুখ পালে। কিন্তু কি কৰিব? গ্ৰহৰ ফল যেতিয়া তাৰ লগত মানুহৰ যুজ অসম্ভৱ।

যি কি নহওক এই ডাঙৰ কথাটোৰ যে ইমান সহজেই সমাধান হৈ যাব এই কথা পদ্মকান্ত আৰু মাকে ভাবিবই পৰা নাছিল। আজি তেও তাৰ এটা সিদ্ধান্ত হোৱাত মাক-পুতেক দুয়োৰো দুৰ্ভাবনাৰ অন্ত পৰিল। তেওঁলোকৰ ৰক্ষাৰ কাৰণেহে যেন ঈশ্বৰে দৈৱজ্ঞক পঠিয়াই দিছিল।

মণিৰামে পুতেকক কলে—সি আৰু পঢ়িবলৈ যাব নালাগে। তাৰ বিদ্যাবাধকো আছে যেতিয়া আৰু এইবাৰ খেতিৰো অৱস্থা ভাল নহয়, এনেস্থলত সি আৰু পঢ়িবলৈ যোৱা যুগুত নহয়। তাক চহৰত খৰচ যোগোৱা দূৰৰ কথা এই কেইবছৰে কেঞাৰ গোলাত লগোৱা ধাৰৰ সুদকে দিব পাৰেনে নোৱাৰে তাৰে ঠিক নাই। কিয়নো আলুৰো এইবাৰ দৰ নাই, গুৰো বৰকম হল। বান্দৰ আৰু গাহৰিয়ে কুঁহিয়াৰ খেতি আধাখিনি নষ্ট কৰিলে। ইত্যাদি, ইত্যাদি কাৰণত তেওঁ পদ্মকান্তক আৰু নপঢ়াবলৈকে ঠিক কৰিছে। এই বিষয়ে ঘৈণীয়েকৰ তেওঁ মত ল'লে। ঘৈণীয়েক অতি সহজেই মান্তিটো হলেই, তদুপৰি পুতেকৰ স্কুললৈ যোৱাতো যে আৰু উচিত নহয় তাৰ আন কেবাটিও যুক্তিহে উলিয়ালে। পদ্মকান্তই ধৰিবলৈ নিবিচৰাকৈয়ে আকাশৰ চন্দ্ৰ হাতত পালে। অচিন্তনীয়ৰূপে এই সকলো কথাৰ মিট্‌মাট্‌ হৈ যোৱাত পদ্মকান্তৰ আনন্দৰ ঠাই নোহোৱা হ'ল। গতিকে সি উদংমূৰীয়া হৈ পৰিল।

—দুই—

এইবাৰ সঁচাকৈয়ে সেই অঞ্চলৰ মানুহৰ খেতি ভাল নহল। লগে লগে মণিৰামৰ খেতিও বৰ বেয়া হল। কুঁহিয়াৰত গুৰ কম ওলাল। আলুৰ ভাও কমিল। ধানো আগৰ দৰে নহল। তাতে মণিৰামহঁতৰ আশা বাম খেতিতেহে বেচি। কাৰণ শালি খেতি কৰিবলৈ পথাৰ বৰ দূৰৈত। আৰু ৰূপিত মাটিও মানুহৰ বৰ কম। চাপৰিৰ বাম খেতিৰ ওপৰতে সকলোৰে ভাৰসা। এনে অৱস্থাত বাম খেতিয়েই যেতিয়া নহল মণিৰামৰ মুখ শুকাল। এইবাৰ কেইবাটাও কাৰণতো তেওঁৰ মন দমি আহিল। এফালে পৰীক্ষাত পুতেক ফেল হোৱাৰ বাতৰিত তেওঁৰ ভৱিষ্যত আশাৰ মূৰত কুঠাৰাঘাত, আনফালে খেতিৰ অৱস্থা সেই! ইফালে কেঞাৰ ঘৰৰ সুদৰ বাবে ঘন তাগাদা! তাৰ উপৰি মৌজাদাৰৰ খাজানাও দিয়া নাই। কোবোক আহে হে লাগে। এইবোৰকে ভাবি-গুণি মণিৰামে মূৰে-কপালে হাত দি বহিল।

পদ্মকান্তৰ কিন্তু এইবোৰ বিষয় লৈ একো চিন্তা নাছিল। তাৰ বাবে তাৰ সময়ো নাছিল। সি খাইছে-বৈছে দিনে-নিশাই গাঁৱত গৈ আড্ডা দিছে আৰু আছে। মাকে পুতেকৰ মৰমত গাখীৰ কণ, ঘিউকণ যি পাৰে জোগাৰ কৰি আনি তাক ৰান্ধি-বাঢ়ি ভালকৈ খুৱাইছে। সি মাকৰ মৰমৰ চেলু লৈ মাকক নানা আব্দাৰ কৰিছে। মাকেও যি পাৰে তাৰ মনস্কামনা পূৰাবলৈ ত্ৰুটী কৰা নাই।

মাকৰ আছিল পদ্মৰ ওপৰত বিচাৰহীন অগাধ চেনেহ। নহবই বা কিয়? সিয়েই হল একমাত্র সন্তান। কেইবাটাও লৰা ছোৱালী হৈ হৈ মৰি ঢুকুৱাৰ পাচত পদ্মকান্তৰ জন্ম। তাৰ পাচত আৰু কোনো সন্তান হোৱা নাই। এনেস্থলত মাক-বাপেকৰ গোটেইখিনি মৰম পদ্মকান্তই লাভ কৰাতো একো আচৰিত নহয়। তাৰ বয়স আজি কুৰি বছৰ হলেও মাকৰ মনত সি এতিয়াও পানী কেচুৱা। গতিকে নির্ভাবনাত সুখেৰে খাই বৈ পদ্মকান্তৰ দিনবোৰ কাটিবলৈ ধৰিলে।

পিচে কি হব, মানুহে দিলেও ঈশ্বৰে নিদিয়ে। তাৰ সুখ ঈশ্বৰে বেচি দিন নসহিলে। সন্ধিয়া মাকৰ সৈতে বহুতো বাক্-বিতণ্ডা, ঠেহ-পেচ্ কৰি চাহ-জলপান খাই পদ্মকান্তই জোতা-মোজা পিন্ধি ফিট্-ফাট্ হৈ ফুৰিবলৈ বুলি ঘৰৰ বাহিৰ হওঁতেই বাপেকে তাক চৰা ঘৰলৈ মাতি আনিলে। সি বিৰক্তিৰে অগত্যা বাপেকৰ ওচৰলৈ গল। বাপেকে ওচৰতে বহুৱাই তাক ক'লে, "শুনিছ বোপাই, এইবাৰ খেতি-বাতি ভাল নহল। সাঁচতীয়া যি খিনি আছিল সিও তোৰ লগতে ঢুকাল। কেঞাৰ ধাৰৰ খেচ্-খেচনীত উপায় নাপাই ৰোৱাতী মাটি কেডৰাও কালি লিখি দি আহিলোঁ। খাজানাৰ পৰা কি যে কৰো ভাবি উপায়েই পোৱা নাই। পিচে তয়ো ডাঙৰ হৈছ; ময়ো লাহে লাহে বুঢ়া হলোহি। তোৰ অলপ চকুও গজিল। সেই কাৰণে মই থাকোতেই তোৰ কিবা এটা দেখি যাব পাৰিলে ভাল হয়।" এই

বুলি মণিৰাম অলপ ৰ'ল। পদ্মকান্তই একো নকৈ তললৈ চাই ৰহি থাকিল। অলপকৈ গল হেকাঁৰি মাৰি মণিৰামে আকৌ কলে, "মই ক'বৰ হলে তই বাগিচাই-চাগিচাই কিবা এটা কামকে বিচাৰি যা। চেষ্টা কৰিলে নিশ্চয় কিবা এটা পাবি। তোতকৈ কম পঢ়া লৰায়েই কাম পাব লাগিছে। এনেকৈতো ধিতিঙালি কৰি আৰু সদায় নচলিব। এতিয়া মই আছো তোৰ একো ভাৱনা নাই। কিন্তু তাৰ পাচত তই দুখ পাবি।" পদ্মকান্তই বাপেকৰ কথা শুনি মনে মনে প্রমাদ গণিবলৈ ধৰিলে। তাৰ মূৰত ধৰিবা আকাশী-চৰগ হে ভাগি পৰিল। হায়, হায় তাৰ এতিয়া সুখৰ দিনবোৰ মাটি হয়। তথাপিও সি বাপেকৰ কথাত একো নামাতিলে। আগৰ দৰেই মনে মনে বহি থাকিল।

তাকে দেখি বাপেকে তাক আৰু অনেক কথা কৈ বুজালে। অৱশেহত তেওঁ তাক কালিলৈকে চাকৰি বিচাৰি যাবলৈ ক'লে। তাৰ পাচত পদ্মকান্তই গম্ভীৰ, অন্ধকাৰ মুখ লৈ বাপেকৰ গুৰিৰ পৰা উঠি গুচি গল। বাপেকে তাৰ মনৰ ভাৱ বুজিব পাৰি এটা হুমুনিয়াহ কাঢ়িলে। তেওঁ জানো তাক পাৰোতে কাম বিচাৰি যাবলৈ কৈছে।

এইকথা যথা সময়ত মাকেও শুনিলে। মাকে শুনি প্রথমতে পুতেকক পঠিয়াবলৈ অসন্মতি জনালে। কিন্তু গিৰীয়েকে যেতিয়া বুজালে যে যদি পদ্মকান্তই এতিয়াই কিবা এটাত মূৰ সুমাই নলয় তেনেহলে আগলৈ তাৰ বৰ দুখ হব। বাপেকে তাৰ

মঙ্গল চিন্তিয়েহে চাকৰি বিচাৰি পঠিয়াইছে। তেতিয়া ঘৈণীয়েক অগত্যা মান্তি হ'ল।

আপত্তি কৰিবৰ ইচ্ছা থাকিলেও পদ্মকান্তই আপত্তি কৰিব নোৱাৰিলে। তাৰ বাপেকলৈ যথেষ্ট ভয় আছিল। বাপেকৰ কথা পেলাবলৈ সি সাহ কৰিব নোৱাৰিলে। বাপেকে তাক মৰম কৰিলেও আসৈ নিদিছিল। গতিকে পিচ দিনা অনিচ্ছা-স্বত্বেও সি টোপোলা এটা লৈ কাম বিচাৰি ঘৰৰ পৰা যাত্ৰা কৰিলে। মাকে যাবৰ বেলিকা তাৰ মূৰটো বুকুত সুমুৱাই লৈ অনেক উপদেশ দিলে। তেওঁৰ চকুয়েদি চকুলো বৈ তাৰ মূৰৰ ওপৰত পৰিল। পদ্মকান্তইও চকুলো থুটুকি নোৱাৰিলে। বাপেকেও বাহিৰতে বহি চকুলো মচিলে। কিন্তু তেওঁ কৰিবই বা কি? কৰিবলৈ যে একো উপায় নাই। তেওঁহে বুজিছে কিমান বিপদত পৰি, কিমান ভাবি-চিন্তি পুতেকক কাম বিচাৰি পঠিয়াইছে।

মাকে ভাবিলে কিজানি পুতেকৰ ভাগ্যই ভাললৈ আহিছে। দৈৱজ্ঞৰ ভবিষ্যদ্বাণীলৈ তেওঁৰ মনত পৰিল। মনে মনে তেওঁ ঈশ্বৰক একান্তমনে প্ৰাৰ্থনা কৰিলে যেন পুতেকৰ কোনো অপায় অমঙ্গল নহয়; সোণকালে যেন এটা চাকৰি পায়। দৈৱজ্ঞৰ ৰাজ-সুখ হব বুলি কোৱা কথাষাৰ জানো অথলে যাব? মাকে এইবোৰকে ভাৱি মনে মনে অলপ স্বস্তি অনুভৱ কৰিলে।

—তিনি—

সংসাৰখন যিমান সুখৰ আৰু সহজ বুলি পদ্মকান্তই কল্পনা কৰিছিল, এতিয়া বাস্তৱত সি দেখিলে যে ই আচলতে তেনে নহয়। আজি কেইদিন সি বাগিচাই বাগিচাই ঘুৰিলে; কেইজন বৰ কেৰেণীক কাম শিকিবলৈ অলপ সুবিধা দিবলৈ মিনতি জনালে; কিন্তু একোতে একো নহল। দুই এজন চাহাবক দেখা কৰাত সি ধম্‌কিহে খালে। কেৰেণী-জামাদাৰ একোজনৰ ভেম দেখি তাৰ মন তিতা লাগি যাবলৈ ধৰিলে।

খোজকাঢ়ি খোজকাঢ়ি বাগিচাই বাগিচাই ফুৰোঁতে তাৰ ভৰিৰ এচাল গল। সি খীণাই শুকাই যাবলৈ ধৰিলে। এনে পৰিশ্ৰমৰ অভ্যাস তাৰ মুঠেই নাছিল। আদৰত উঠিছিল সি। কোনো টান কামকে কেতিয়াও সি কৰি পোৱা নাই। ক্ৰমে খোজ কঢ়াৰ শক্তি তাৰ নোহোৱা হৈ আহিল। খোৱা-শোৱাতো তাৰ অনেক ব্যতিক্ৰম হৈছে। কাৰবাৰ ঘৰত কেতিয়াবা এমুঠি খাবলৈ পাইছে, কেতিয়াবা বা পোৱাই নাই। সুদা পেটৰেই দিন কাটি গৈছে। শোৱাতো সেইদৰে মাটিয়ে বালিয়ে পৰি থাকিব লগা হোৱাত তাৰ টোপনিয়েই নাহে। এনে কষ্ট জীৱনত সি প্ৰথম এইবাৰহে অনুভৱ কৰিব পাৰিলে।

ক'তো একো সুবিধা কৰিব নোৱাৰি সি ঘৰলৈ উভতিল। মাক-বাপেকে তাৰ অৱস্থা দেখি শিহৰি উঠিল। সোণাহেন সিহঁতৰ সোণকণৰ কি অৱস্থা হৈ আহিছে! শুকাই মুখ

টোটোৰা পৰিছে, চকু সোমাই গাঁত হৈছে। দেখিলে চিনিবই নোৱাৰি। মাকে তাক বুকুত সাবটি ধৰি হুক্ হুক্ কৈ কান্দিবলৈ ধৰিলে।

ঘৰত কেইদিনমান মাকৰ যত্ন আদৰত থাকি পদ্মকান্তৰ আগৰ চেহেৰা লাহে লাহে ফিৰি আহিল। তাৰ মুখত আকৌ তেজ আৰু মঙহ ধৰিলে। কেইদিনমান এইদৰে গল। তাৰ চাকৰি বিচৰাৰ সকলো কাহিনী বাপেকক জনালে। বাপেকে তাক আকৌ চাকৰি বিচাৰি যাবলৈ কবলৈ সাহ নকৰিলে।

পদ্মকান্তই এইবাৰ নিজে উপযাচিয়েই যাবলৈ ওলাল। সি অৱশ্যে বাগিচালৈ পুনৰ চাকৰি বিচাৰি নাযাবলৈ মনে মনে প্ৰতিজ্ঞা কৰিলে। সেইকাৰণে এইবাৰ সি অন্য উপায় পাঙিলে। বাপেকক খুজি টকা কেইটামান লৈ সি চহৰলৈ বুলি ওলাল। চহৰতে এইবাৰ সি ভাগ্য-পৰীক্ষা কৰি চাবলৈ ঠিক কৰিলে। বাপেক-মাকেও তাক কোনো বাধা নিদিলে। মাথোন সাৱধানে ফুৰিবলৈ ক'লে।

পদ্মকান্তই চাকৰি বিচৰা অভিজ্ঞতাৰ পৰা বুজিব পাৰিছিল—সংসাৰখন কিমান গধুৰ! তাৰ এই অভিজ্ঞতাত মনৰো যথেষ্ট পৰিবৰ্ত্তন হৈছিল। অৰ্থ উপাৰ্জ্জনৰ আকাঙ্ক্ষা তাৰ অলপ সজাগ হৈ উঠিছিল। সেই কাৰণেহে সি বাপেক-মাকে কোনো উপদেশ নিদিয়াকৈয়ে চাকৰি বিচাৰিবৰ কাৰণে চহৰ পালেগৈ। সি ভাবিছিল চাহ-বাগিচাবোৰ কোম্পানীৰ দেখিহে সি ইমান

লাঞ্ছনা সহিও কোনো সুবিধা কৰিব নোৱাৰিলে। চহৰৰ চাকৰিত নিশ্চয় তাৰ তেনে অৱস্থা নহয়। তাৰ তেতিয়াও সংসাৰৰ বহুত কথা শিকিবলৈ বাকী আছিল। ...

চহৰত গৈ দেখে যে ইয়াত বাগিচাতকৈও একাটি চৰা। বাগিচাত তেও কোনোবা 'বাবুৰ' ঘৰত বহিবলৈকে সি ঠাই এডোখৰ পাইছিল; ইয়াত তাৰো অভাৱ। কৰ্ম্মব্যস্ত চহৰবাসী কাৰো এনে এতিল সময় নাই যি তালৈ এবাৰ কেৰাহিকৈ চাব পাৰে। স্কুলত পঢ়োতে সি আছিল বৰ্ডিঙত। তাৰ তেতিয়া চহৰৰ আন ঠাইৰ খবৰ লবৰ একো প্ৰয়োজন নাছিল। এতিয়া সি কাৰ ঘৰলৈ যাব, ক'ত বা থাকিব ভাবি চিন্তি বিমোৰ হ'ল। গাঁৱৰ হালোৱাৰ লৰা সি। তাক চিনেইবা কোনে? স্কুলৰ বন্ধু সকলেও তাক দেখি চিনিব নোৱাৰিলে। কি কৰিব? নিশাও হৈ আহিল। একো উপায় নাপাই কিছু সময় সি বজাৰতে ইফালে সিফালে ঘুৰি-ফুৰি সেই নিশাৰ কাৰণে থিয়েটাৰ ঘৰৰ বাৰন্দাতে পৰি কটাবলৈ স্থিৰ কৰিলে।

পিচ দিনা পুৱা উঠি বজাৰত চাহ এটোপা খাই সি কামৰ উমেদাৰী কৰিবলৈ বাহিৰ হল। প্ৰথমতে সি গল ৰেলৰে অফিচলৈ। তাৰ বৰ চাহাবক দেখা কৰাত চাহাবে এতিয়া মানুহৰ দৰকাৰ নাই বুলি ক'লে। ইয়াৰ পাচত সি এটা এটাকৈ চহৰৰ নাম জনা সকলো অফিচলৈ গল। কিন্তু ক'তো সি কাম পাবৰ আশা নেদেখিলে। লোকেল বোৰ্ড, মিউনিচিপেলিটি,

পি. ডব্লিউ. দি., কাছাৰী, জাহাজ ঘাট, পেট্ৰোল গুদাম, ইলেক্ট্ৰিক চাপ্লাই, প্ৰিণ্টিং ওৰ্কচ্ আদি চৰকাৰী-বেচৰকাৰী কোনো ঠাইতে সি এষাৰি সহানুভূতিৰ কথা নাপালে। সৰহ ঠাইতে সি ওপৰৱালা চাহাবক দেখাকে নাপালে। কোনোৱে বা তাৰ শিক্ষা কিমান বুলি সুধি উত্তৰ পাই টেক্-টেক্কৈ হাঁহি দিলে। অবুজ অনভিজ্ঞ পদ্মকান্তই জনা নাছিল যে তাৰ দৰে নিঃসহায় নিঃসম্বল গাঁৱলীয়া ল'ৰা এটাই, যাৰ আকৌ শিক্ষা প্ৰবেশিকা পৰীক্ষাটোও পাচ্ নহয়, সি অফিচত কাম পোৱাটো বাওনাৰ চন্দ্ৰ ধৰিবলৈ যোৱাৰ নিচিনা কথা। কত আই, এ, বি, এ, পাচ ল'ৰা চহৰত বহি আছে তেনে কামকে বিচাৰি! কোনে চাই তাৰ নিচিনা এটাৰ মুখলৈ?

গোটেই দিনটো সি অফিচে অফিচেই ঘুৰি কটালে। মাজতে এবাৰ মাথোন গৈ হোটেলত এমুঠি ভাত খাই আহিল। সন্ধিয়া হতাশ হৈ সি এটা পাৰ্কৰ শিল এচটাৰ ওপৰত বহি কি কৰিব ভাবিছে। তাৰ চকুত চহৰৰ নিৰ্ম্মমতা বাগিচাতকৈও ভীষণ হৈ পৰিল। বহি বহি এইবোৰ কথাকে ভাবি থাকোঁতে হঠাৎ তাৰ এটা কথা মনত পৰিল। প্ৰাইমাৰী স্কুলৰ পণ্ডিত কাম এটাটো সি পাব পাৰে! পিচদিনা পুৱাই ডেপুটি ইন্স্পেক্টৰক দেখা কৰিবলৈ মনতে আলচি সি বজাৰৰ ফালে খোজ ললে। সেইদিনা নিশাও সি আৰু নাখালে। বজাৰতে চাহ এটোপা খাই থিয়েটাৰ হলৰ বাৰান্দাতে পৰি থাকিলগৈ।

হোটেলত থাকি খৰচ কৰিবলৈ তাৰ পইচাৰ থলিটো আছিল নিচেই কম।

পুৱাই সি ডেপুটীৰ ঘৰ পালেগৈ। ডেপুটী তেতিয়াও শুয়েই উঠা নাই। চাকৰ এটাই তাক পিচত আহিবলৈ কলে। কিছু সময়ৰ পাচত অ'ত ত'ত ঘুৰি সি আকৌ আহিল। এইবাৰ ডেপুটীয়ে কৈ পঠালে যে কিবা যদি কাম আছে সি যেন এঘাৰ বজাত অফিচলৈ যায়। অগত্যা এইবাৰো সি উভটিল। দহ বজালৈকে বাটে বাটে ঘুৰি ফুৰি সি হোটেললৈ গৈ ভাত কেইটামান খাই ডেপুটীৰ অফিচলৈ গ'ল। ডেপুটীক নমস্কাৰ এটা জনাই সি অতি বিনয়ভাৱে তাৰ অহাৰ উদ্দেশ্যৰ কথা ক'লে। ডেপুটীৰ বয়স অলপ আদহীয়া। তেওঁৰ পদ্মকান্তলৈ বোধকৰোঁ অলপ দয়া উপজিল। তাৰ শুকান মুখ খনলৈ চাই মন দি সকলো কথা শুনিলে। তাৰ কথা শেষ হোৱাত তেওঁ ক'লে, "এতিয়া কোনো কাম খালি নাই। দৰ্খাস্ত এখন থৈ যোৱা বাৰু। ওলালে মই তোমাৰ খবৰ কৰিম।"

পদ্মৰ মনত অলপ আশাৰ সঞ্চাৰ হল। সি তাতে তেতিয়াই এখন দৰ্খাস্ত লিখি ডেপুটীৰ হাতত দি আনন্দ মনেৰে সেইদিনাই ঘৰলৈ উভটিল। সি আৰু চহৰত থকাৰ কোনো প্ৰয়োজন নেদেখিলে।

ঘৰত আহি মাক-বাপেকক চহৰৰ অভিজ্ঞতাৰ সকলো

কথা বাদ দি মাথোন কলে যে সি অতি সোনকালেই এটা কাম পাব। এই কথা জানিব পাৰি মাক-বাপেকে বৰ আনন্দ পালে।

—চাৰি—

কথাটো গাওঁতো অতি অলপ দিনৰ ভিতৰতে ৰাষ্ট্ৰ হৈ পৰিল যে মণিৰামৰ পুতেক পদ্মকান্তই অলপতে এটা ডাঙৰ কাম পাব। ইকাণ সিকাণকৈ কথা অৱশ্যে বিকৃত হৈ পৰিল। লগে লগে ঘৰে-পৰে পদ্মকান্তৰ সন্মান আৰু আদৰ বাঢ়ি গল। পদ্মকান্ত লাট চাহাব নহ'ক অন্ততঃ যে হাকিম মুন্সিফ্ বা এনেকুৱাই কিবা এটা হ'ব এই কথা গাওঁৰ বহুতে ভাবি লৈছিল।

বাপেক মণিৰামে ভাবিলে পুতেকে তেও কাম এটা পালে তেওঁৰ অলপ চিন্তাৰ লাঘৱ হয়। পাৰিলে তাৰ দৰমহাটো জমাই কেঞাৰ দোকানৰ পৰা মাটি কেইডৰা খালাচ কৰিব পাৰিব। মাকে ভাবিলে বহুত। পুতেকৰ ৰাজসুখৰ অৱশ্যম্ভাবী সম্ভাৱনাত তেওঁৰ অন্তৰত অনেক কল্পনা খেলিবলৈ ধৰিলে। তেওঁ পুতেকৰ ভৱিষ্যত অতুল সুখৰ সঁপোন দেখি আত্মহাৰা হল। নানা সুখ কল্পনাৰ লগে লগে মাকৰ মনৰ কোণত পুতেকৰ কাষত এজনী সুন্দৰী বোৱাৰীৰো সঁপোন দেখিবলৈ নাপাহৰিলে।

তেওঁ এইকথা নিজৰ মনতে গোপনে নাৰাখি গিৰীয়েককো কলে। মণিৰামেও যে এই কথা ভবা নাছিল এনে নহয়। তেওঁ

বহুত দিনৰ পৰাই এই কথালৈ লক্ষ্য কৰি আছে। ঘৰুৱা এই বিপদ-আপদবোৰৰ মাজত কেনেকৈনো পুতেকৰ বিয়া খন পাতে! টকা-কড়িও হাতত এটিও নাই। এইবাৰ কিন্তু তেওঁ ঘৈণীয়েকৰ কথা পেলাই থব নোৱাৰিলে। পুতেকে যেতিয়া কাম পাবই এনেস্থলত থাকিলেই বা কেঞাৰ গোলাত ধাৰ! পুতেকৰ বিয়া খন নাপাতি কেনেকৈ? পিতৃ কৰ্ত্তব্যওতো এটা আছে। গতিকে তেওঁ ছোৱালী চাবলৈ লাগিল। গাওঁৰো মুখিয়াল বহুতে উপযুক্ত পুতেকৰ বিয়াখন পাতিবলৈ মণিৰামক পৰামৰ্শ দিলে।

ছোৱালী পালে। ওচৰৰে আন এখন গাওঁৰ ভদ্ৰাম মণ্ডলৰ ৰূপহী জীয়েক গোলাপীৰ লগত অতি ধুম-ধামেৰে পদ্মকান্তৰ বিয়া হৈ গল। মণিৰামে একমাত্ৰ বংশধৰৰ বিয়াত হাত নধৰাকৈ খৰচ-পত্ৰ কৰিছিল। যোগাৰ পাতিত অকণো খুঁত নাছিল। সকলোৰে মুখত তেওঁৰ প্ৰশংসা বৈ বৈ গ'ল। কিন্তু কোনেও নাজানিলে যে এই বিয়াৰ কাৰণে কেঞাৰ গোলাত মণিৰামৰ ধাৰ আৰু চাৰিকুৰি ৰূপ বেচি হল।

বিয়াৰ পাচত বোৱাৰী ঘৰলৈ আনিলে। বোৱাৰী দেখি আটাইতকৈ বেচি আনন্দ হল পদ্মকান্তৰ মাকৰ। তেওঁৰ বহুত দিনৰ সাঁচি থোৱা আশা আজি সফল হোৱা দেখি ভৰি তেওঁ মাটিতেই থবনে আকাশতেই দিব ৰঙত কবই নোৱাৰা হ'ল।

ইফালে শুৱনী গাভৰু ঘৈণীয়েকৰ প্ৰীতি পৰশত নতুন যুৱক পদ্মকান্তৰ মন-প্ৰাণো আনন্দ আৰু পুলকত ভৰি উঠিল।...

বিয়া হৈ যোৱা কেইদিনমানৰ পাচতে স্কুলৰ ডেপুটী ইন্সপেক্টৰ সেইফালে স্কুল পৰিদৰ্শন কৰিবলৈ আহি তাক এদিন বঙলালৈ মাতি নিলে। আৰু সিহঁতৰ ঘৰৰ ওচৰৰ স্কুলতে সহকাৰী শিক্ষক এজনৰ আৱশ্যক হোৱাত তাকে সেই কামত বাৰ টকা দৰমহাত মকৰল কৰিলে।

এই খবৰত তাঁহাতৰ ঘৰৰ সকলোৰে মনত আনন্দৰ ঢৌ খেলি গল। লক্ষোণীয়া বোৱাৰী বুলি গোলাপীৰ আদৰো আৰু অলপ বেচি হল। চাকৰী পোৱা খবৰ শুনি সিহঁত সকলোৱে ইমান আনন্দিত হৈ পৰিছিল যে কোনেও দৰমহাৰ পৰিমাণলৈ লক্ষ্য কৰিবলৈ অৱসৰ নাপালে, তাৰ প্ৰয়োজনো কোনেও অনুভব নকৰিলে। তেওঁলোকৰ কাৰণে চাকৰীটোৱেই যথেষ্ট, দৰমহাৰ খবৰ কেলৈ?

পিচ দিনাই পদ্মকান্তই স্কুলৰ কাম চমজি ললেগৈ।

—পাচঁ—

মানুহৰ বিপদ কেতিয়া কোন সময়ত আহে কোনেও কব নোৱাৰে। পদ্মকান্তৰ এই সুখৰ দিনৰ নৌ এবছৰ হওঁতেই হঠাৎ এদিনৰ ভিতৰতে অগা-পিচাকৈ হাইজা হৈ তাৰ মাক-বাপেক দুয়ো মৰি থাকিল। সি সংসাৰত নিচেই অকলশৰীয়া আৰু নিঃসহায় হৈ পৰিল। যি কি নহওক শোকে বেজাৰে ম্রিয়মান হৈ

গাৱঁৰ মানুহৰে বুদ্ধি পৰামৰ্শমতে সি যথা নিয়মে বাপেক-মাকৰ মুখৰ চুৱা গুচালে।

গোলাপী ছোৱালী মানুহ হলেও সংসাৰৰ আও ভাও কিছু বুজিছিল। গতিকে সিহঁতৰ সৰু সংসাৰখন টুক্ টুক্ টাক্ টাক্ কৈ চলিবলৈ ধৰিলে। সি মাহৰ শেহত টকা বাৰটা পায়। বাপেকে আৰ্জ্জি থৈ যোৱা ধান মুঠিও ভৰালত আছিল। সেই কাৰণে সদ্যহতে সি কাৰো হাতলৈ মুখলৈ নোচোৱাকৈ সিহঁতৰ দিন যাবলৈ ধৰিলে।

পদ্মকান্তই দেখিলে যে তাৰ দৰমহা এই চিকা স্বৰূপ বাৰ টকাৰে তাৰ ভবিষ্যতে সংসাৰ নিৰ্ব্বাহ কৰা টান হৈ পৰিব। এতিয়াৰে পৰা সি যদি ঘৰৰো কাম-বন কৰিবলৈ নিশিকে আৰু পথাৰ-সমাৰ চাই নলয়, তেন্তে তাৰ আগলৈ বিপদ অনিবাৰ্য্য, ইয়াকে ভাবি-মেলি সেইদিনা দেওবাৰ থকাত সি চাপৰিলৈ বুলি খোজ ল'লে। চাপৰি পাই সি দেখিলে যে সিহঁতৰ মাটিত বাপেকে সজা বহা-ঘৰটো নাই। আৰু মাটিৰ বেৰা-কোৰাৰো চিন্ চাব নাই। তাৰ পৰিবৰ্ত্তে পদ্মকান্তহঁতৰ মাটিৰ দুফালে যাৰ যাৰ মাটি আছিল সিহঁতৰ নিজৰ নিজৰ মাটিৰ বেৰাৰ ভিতৰত তাহাতঁৰ মাটিৰ সমানে দুভাগ সোমাই আছে। সি আগেয়ে বাপেকৰ লগত কেইবা বাৰো চাপৰিলৈ আহিছিল আৰু সি সিহঁতৰ মাটিখিনি ভালকৈ চিনি পায়। এনে অৱস্থাত এই কাণ্ড দেখি সি একো বুজিব নোৱাৰি ওচৰৰ মাটিৰ গৰাকী-

হতঁক ইয়াৰ অৰ্থ কি সুধিলে। সিহঁতে পদ্মকান্তক দেখি আলহ উদহকৈ বহুৱাই, লাহে লাহে বুজাই দিলে যে পদ্মকান্তৰ বাপেক মৰাৰ পাচত মাটিখিনি চন্-পৰি থকাতকৈ সিহঁতেই দুভাগকৈ ভগাই খেতি কৰিবলৈ লৈছে। পদ্মকান্তটো খেতি কৰিবলৈ চাপৰিলৈ নাহেই। যদি খেতি হয় তেনেহলে সিহঁতেই তাৰ একোভাগ পদ্মকান্তকো দিব। সিহঁতৰ সাদৰী কথাত পদ্মকান্ত ভোল গল। আৰু সি তাহাতৰ কথাত সহজে মান্তি হল। সি একৰকম নিজৰ লেঠাটো যোৱাত ভালেই পালে। বহি বহি যদি সি খেতিৰ ভাগ একোটা পায় থাকে, সিহঁতে তাৰ মাটি খিনি সিহঁতৰ মাটিৰ লগ লগাই লোৱাতনো তাৰ আপত্তি কি? সি চাপৰিৰ পৰা সেইদিনা একেবাৰে নিশ্চিন্ত হৈ গুচি আহিল।

গোলাপীয়ে সকলো কথা শুনি মনে মনে বৰ ভাল নেপালে। পদ্মকান্ততকৈ সংসাৰখনক চিনি পাইছিল গোলাপীয়ে অলপ বেচিকৈ। কিন্তু তিৰুতা মানুহৰ কথা পদ্মকান্তই শুনিবলৈ যাব কিয়?

চাওঁতে চাওঁতে ধান কাটিবৰো সময় হল। ঘৈণীয়েকে পদ্মকান্তক পথাৰলৈ যাবলৈ ক'লে। খেতি শেহ কৰাৰ পাচতহে মণিৰাম চুকাইছিল।

ঘৈণীয়েকৰ কথামতে এদিন মানুহ এটা লৈ পদ্মকান্ত পথাৰলৈ গল। সি পথাৰলৈ গৈ যি দেখিলে, দেখি বিস্ময় মানিলে। তাহাতৰ মাটিৰ ধান দাই প্ৰায় আদায় হবলগীয়া

হ'ল। আৰু কেইডৰা মানহে বাকী আছে। কেঞাৰ গোলাৰ মানুহে ধুম্ ধাম্ ধান কাটিব লাগিছে। ইফালে ওচৰত মটৰ লৰীত ধান বজাই দিব লাগিছে। সি বৈ অলপ সময় এই দৃশ্য চাই থাকি, দূৰত হুকুম দি থকা কেঞা মহাজনৰ ওচৰলৈ গ'ল। মহাজনক কি কথা, কি বতৰা এইবোৰ সুধিলে। কেঞা মহাজনে এটা হাঁহি মাৰি কলে, "বুজিছে ডাঙ্গৰীয়া, আপোনাৰ পিতাকে আমাক আগৰ ধাৰত মাৰি এই মাটি দি গৈছে। এতিয়া আমি তাৰ দখল লৈছোঁ। মাটি পালোঁ যদিও আমাৰ বৰ লোকচান হ'ল। যিহক আৰু আপোনাৰ পিতাকে পাচত অনা চাৰিকুৰি টকাৰ বাহিৰে বাকী ধাৰটো আমি ইয়াতে মাৰিলোঁ।"

মহাজনৰ কথাত পদ্মকান্তই সংসাৰ আন্ধাৰ দেখিলে। তাৰ পৈতৃক মাটি কিডৰাটো গলেই, বোধকৰো ভেটিটোও যাব। নহলেনো সি ক'ৰ টকাৰে কেঞাৰ বাকী ধাৰ মাৰিব। তাৰ যে এইবাৰ ভৰালত ধান মুঠিও চুকাল। সিহঁতে কি খায়েই বা জীব? টকা বাৰটাৰে ধান-চাউলৰ পৰা নিমখ-তেললৈকে কিনি সি জানো চলিব পাৰিব?

সি চিন্তাৰ বোজা মূৰত লৈ বিৰস বদনেৰে ঘৰ পালেহি। গোলাপীয়েও সকলো কথা শুনি দুৰ্ভাবনাত চকুলো টুকিবলৈ ধৰিলে। কি বিপদেই সিহঁতলৈ আহিব লাগিছে! সিহঁতৰ এতিয়া সংসাৰো বাঢ়িছে। অকণমান কেচুৱা কণলৈ চাই সিহঁতৰ দুশ্চিন্তা আৰু বেচি হল।

ঘৰো ভাগি গৈছে। এই বছৰ যি কি নহওক যেনে তেনে চলিলেও অহা বছৰলৈ বাৰিষাৰ আগতে গোটেই নতুনকৈ সাজিব নোৱাৰিলেও তেও ওপৰটোকে চোৱাব লাগিব। তাৰ উপৰি সিটো একো কামকে কৰিব নোৱাৰে। আনকি খৰি কেইডাল ফলাই ল'বলৈকো এদিনৰ হাজিৰা দি মানুহ ধৰিব লাগে। আজি হঠাৎ তাৰ এই অকৰ্ম্মণ্যতাৰ কাৰণে অনুশোচনা হ'ল। এই বিপদৰ সময়ত তাক বুদ্ধি-ভাৰসা দিওতা বা সহানুভূতি দেখুৱাওঁতা গাঁৱৰ কোনো নোলাল। গাঁৱৰ মানুহ মণিৰাম মৰাৰ পাচৰে পৰা আঁতৰ হৈ গৈছিল। যেতিয়া সিহঁতে বুজিলে যে পদ্মকান্তৰ বাহিৰৰ ৰঙচঙীয়া ৰূপটোৰ বাহিৰে ভিতৰি ফোপোলা, তেতিয়াৰে পৰা সিহঁত আৰু তাৰ ওচৰ নচপা হল। পদ্মকান্তৰ অৱস্থাৰ পৰিবৰ্ত্তনৰ লগে লগে বন্ধু-বান্ধৱো নোহোৱা হৈ পৰিল। মুঠতে এই বিৰাট বিশ্বত সিহঁত আজি সহায়হীন, নিঃসম্বল।

বাৰটা টকাৰে টুকুটাকুকৈ দুবেলা দুমুঠি কোনোমতে খায়। কেতিয়াবা দোকানত বাকী পৰে। অতি কষ্ট আৰু অশান্তিৰ মাজত সিহঁতৰ দিন যাবলৈ ধৰিলে। বিলাস আৰু আদৰৰ মাজত উঠা পদ্মকান্ত অভাব অনাটনত পৰি দিনে দিনে শুকাই যাবলৈ ধৰিলে। তথাপিও অপৰিবৰ্ত্তনীয়ৰূপে সংসাৰ চকৰি গৈয়ে থাকিল; সিহঁতৰ কাৰণে কেঁৰে ঘূৰি চাবৰ প্ৰয়োজন বোধ নকৰিলে।

—ছয়—

সেইদিনা স্কুললৈ গৈ পদ্মকান্তই শুনিবলৈ পালে যে স্কুলত চিঠি দিবলৈ অহা পিয়নটোৱে চিঠি খেলত বহুতো টকা পাইছে। তাৰ মনত এই কথা শুনি এক অপূৰ্ব্ব ভাৱ খেলালে। সিও যদি কৰবাত এনেকৈ টকা পোৱা হলে? এবাৰ চোন সি চেষ্টাকে কৰি চাব পাৰে। যেতিয়া সি স্কুলত পঢ়ি আছিল তেতিয়া তাৰ লটাৰীত টিকট লোৱা চখ্ বৰ আছিল। সি টিকট লৈ বহুত পইচা নষ্টও কৰিছিল! আজি আকৌ তাৰ সেই পুৰণি চখ্‌টো বেলেগ আকাৰে মনলৈ আহিল। তেতিয়া সি টিকট লৈছিল কৌতূহল আৰু আমোদৰ কাৰণে। আৰু আজি সি টিকট লবলৈ ওলাল লাভতে টকা ঘটাৰ আকাঙ্ক্ষাত। সি তাৰ অৱস্থা পৰিবৰ্ত্তনৰ বহুতো উপায়ৰ কল্পনা কৰিছিল। কিন্তু আজি হঠাৎ এইটো উপায়কে আটাইতকৈ বেচি ভাল আৰু সহজ বুলি তাৰ ধাৰণা হল। সেই কাৰণে সি মনে মনে এই উপায়কে লবলৈ স্থিৰ কৰিলে।

যেনে ইচ্ছা তেনে কাম। কোনো কাম কৰোতে দ-কৈ ভাবিচোৱা অভ্যাস বা প্ৰবৃত্তি তাৰ কেতিয়াও নাছিল, আৰু আজিও নহল। সি 'ত্ৰিপুৰা লটাৰীলৈ' বুলি দুটা টকা সেই মাহৰ দৰমহা পায়েই মনিঅৰ্ডাৰ কৰি পঠাই দিলে। ত্ৰিপুৰা লটাৰীৰ সকলো খবৰ তাৰ আগৰে পৰা জনা আছিল।

সেইবাৰ দোকানত বাকী তাৰ আৰু অলপ বাঢ়িল। কিন্তু সি তালৈ বৰকৈ নাভাবিলে। কিয়নো যদি ত্ৰিপুৰা লটাৰীৰ টকা পায় তেনেহলে সি সকলো ধাৰ একেবাৰেই মাৰি দিব।

কল্পনাৰ মোহিনী আশাত সি বিভোৰ হৈ পৰিল। যথা সময়ত ত্ৰিপুৰা লটাৰীৰ টিকট আহি তাৰ হাত পালেহি। আশা নিৰাশাৰ মাজত সি দিন নিয়াবলৈ ধৰিলে।

···খেলা হৈ গ'ল। কিন্তু দুৰ্ভাগ্য বশতঃ তাৰ নামে টকা নুঠিল। সি প্ৰথমতে হতাশ হলেও একেবাৰে 'হাল' এৰি নিদিলে। ইয়াৰ পাচত সি প্ৰতি মাহে বহুতো লটাৰীৰ টিকট লবলৈ ধৰিলে। ক্ৰমে ই এটা তাৰ ৰোগ হৈ পৰিল। এই আলমতে বহুতে তাক ঠগিলেও। মিছাকৈয়ে টিকট কিছুমান লৈ তাৰ ওচৰলৈ আহি লটাৰীৰ টিকট বুলি বিক্ৰী কৰি তাৰ পৰা ধন নিবলৈ ধৰিলে।···সেইবোৰ কাৰণতে তাৰ অৱস্থা দিনে দিনে আৰু বেয়া হৈ যাবলৈ ধৰিলে।

সি কিন্তু এই মৰীচিকা খেদিবলৈ নেৰিলে। এটা বলীয়া আশাত মুগ্ধ হৈ সি তাৰ হাতৰ ধন কেইটাও খৰচ কৰিবলৈ অলপো ইতস্ততঃ নকৰিলে। তাক দুৰ্দ্দিনে বেৰি ধৰিলে।

ৰবিবাৰৰ দিনা হাটলৈ গৈ মৌজাদাৰৰ পৰা বাতৰি কাগজ খন খুজি লৈ পদ্মকান্তই দোকান এখনত বহি পঢ়িবলৈ লাগিল। দুই পৃষ্ঠামান লুটিয়াই তাৰ চকু উজ্জ্বল হৈ উঠিল। সি খুব আগ্ৰহৰে সেই পৃষ্ঠাত থকা খবৰ এটা পঢ়িবলৈ ধৰিলে। পঢ়াৰ

পাচত জানিলে যে অলপতে ডাৰ্বিৰ ঘোঁৰা দৌৰ হ'ব। দৌৰত মাননীয় আগা খাঁৰ ছটা ঘোঁৰাই যোগ দিব। খবৰটো আনৰ কাৰণে লেখত লব লগীয়া বিশেষ একো নহয়। কিন্তু পদ্মকান্তৰ মনলৈ সেই খবৰটোৱে বহুত ভাব আনি দিলে। বহুতো ৰঙীন ছবি তাৰ অন্তৰত খেলি যাবলৈ ধৰিলে।

সি ডাৰ্বিৰ কথা বহুত বাৰ শুনিছে। তাত যদি কেনেবাকৈ নাম উঠে তেন্তে একেবাৰেই যে ছয় সাত লাখ টকা পোৱা যায় এই কথাও সি জানে। কিন্তু আজিলৈকে দুৰ্ভাগ্য বশতঃ সি তাৰ টিকটহে লৈ পোৱা নাই। তাৰ কাৰণ অৱশ্যে আছিল কেইবাটাও। প্ৰথমটো কাৰণ হৈছে টিকটৰ হাৰ বৰ বেচি। একোখনৰ দাম দহ টকা। দ্বিতীয়তো কাৰণ হৈছে টিকট ক'ত কিনিবলৈ পোৱা যায় সেই কথা সি নাজানে। এইবাৰ কিন্তু তাৰ ইচ্ছা প্ৰবল হৈ উঠিল ডাৰ্বিৰ এটা টিকট লৈ ভাগ্য পৰীক্ষা কৰি চাবলৈ। সেই কাৰণে সি অনুসন্ধান ললে ক'ত টিকট কিনিবলৈ পোৱা যায়।

তাৰ সৌভাগ্যই নে দুৰ্ভাগ্যই কব নোৱাৰি সি খবৰ পালে যে মাইনৰ স্কুলৰ হেড্‌মাষ্টৰ বেণীমাধব বৰুৱা বি, এ এজন ডাৰ্বি টিকট বেচা এজেণ্ট। সি হেড্‌মাষ্টৰৰ ওচৰলৈ গল।

হেড্‌মাষ্টৰে তাক আগৰে পৰা চিনি পায়। পদ্মকান্ত স্কুলত থাকোঁতে বৰ ভাল খেলাৰু আছিল। সেই আলমতে হেড্‌মাষ্টৰৰ লগত তাৰ সৌহাৰ্দ্যও জন্মিছিল। হেড্‌মাষ্টৰ বৰুৱা

আছিল মানুহজন ডেকা, ৰসিক আৰু খেলাপ্ৰিয়। পদ্মকান্তই যে খেলিব পাৰে এইকথা হেড্‌মাষ্টৰে কেনেবাকৈ জানিব পাৰি তেওঁ তাক মাজে মাজে খেলিবলৈ মাতে, আৰু এনেকৈয়ে সিহঁতৰ মাজত চিনা-জনা হয়।

পদ্মকান্ত হেড্‌মাষ্টৰৰ তালৈ গৈ ইটো সিটো কথা পাতি কথা প্ৰসঙ্গতে ডাৰ্বিৰ খেলৰ কথা উলিয়ালে। হেড্‌মাষ্টৰৰ পৰা ক্ৰমে সি জানিব লগা সকলো খিনি খবৰ ললে। সি এইটোও জানিব পাৰিলে যে টিকট বিক্ৰীৰ সময় আৰু এমাহ হে আছে। এই মাহৰ ভিতৰতে টকা আৰু বিক্ৰী কৰিবলৈ দিয়া টিকট বহী গৈ হেড্‌ অফিচ পাবগৈ লাগিব। গতিকে সি মহা সমস্যাত পৰিল।

আৰু ছুদিনৰ পাচতে তাৰ দৰমহা পোৱাৰ দিন। সি যদি দৰমহাৰ দহোটা টকাৰে টিকটকে লয় তেনেহলে এই মাহ খাব কি? এইবাৰ যে লৰাকণলৈ চোলা এটাও কিনাৰ কথা আছিল। এই জাৰৰ দিনত তাৰ আৰু গোলাপীৰতো কথাই নাই—লৰাকণৰ গাটো চোলা এটা নাই। সি ভাবিলে, থাওক এইবাৰ টিকট লবলৈ। অহা বছৰলৈ লব। কিন্তু পিচ মুহূৰ্ত্ততে তাক আশাৰ কুহেলিকাই উন্মাদ কৰি পেলালে। সি যদি একেবাৰে ছয় লাখ টকা পায়? আঃ কি সুন্দৰ কল্পনা! এনে এটা সোণালী সুযোগ এৰি দিয়া জানো উচিত! এটা বছৰ—আকৌ এটা সুদীৰ্ঘ বছৰলৈ অপেক্ষা কৰাতো অসম্ভৱ।

সি বজাৰ কৰি ভাবি-চিন্তি ঘৰ পালেগৈ। তেতিয়াও একো স্থিৰ কৰিব নোৱাৰিলে।........

ছুদিনৰ পাচত সি দৰমহা পালে। সেইদিনা সি কোনো কথা নভবা-নিচিন্তাকৈ বাহিৰে বাহিৰে গৈ হেড্‌মাষ্টৰৰ পৰা দহটকা দি এখন টিকট কিনিলেগৈ। হেড্‌পণ্ডিতৰ পৰা তিনিটা টকা ধাৰ কৰি লৈ তাৰ নিজৰ বাকী থকা ছুটকাৰে পাঁচ টকা কৰি দোকানৰ আগৰ মাহৰ ধাৰ মাৰিলেগৈ। ঘৰত ঘৈণীয়েকক কলেহি যে সিহঁতৰ দৰমহা পোৱা এইবাৰ দেৰি হব। গতিকে পোনাকণলৈ চোলা কিনা সদ্যহতে নহৈছে। আজলী ঘৈণীয়েকে তাৰ সেই কথাকে বিশ্বাস কৰিলে।

ইয়াৰ পাচত সি অধীৰ আগ্ৰহ আৰু উৎকণ্ঠা লৈ বাট চাবলৈ ধৰিলে ডাৰ্বি খেলালৈ।

—সাত—

আশাই মানুহক জীয়াই ৰাখে। আশাৰ মোহ-পাশত পৰি পদ্মকান্তই দিনে নিশাই কিমান মধুৰ সঁপোন দেখিবলৈ ধৰিলে! সি এই কেইদিন ঘৰৰ হেজাৰ অভাৱ-অনাটন, অসুখ-অশান্তি একোলৈকে লক্ষ্য কৰা নাই। সি মাথোন দেখিছে ডাৰ্বি খেলাৰ সমাজিক।

সি দেখিছে যেন ডাৰ্বি খেলত তাৰ টিকটৰ নম্বৰেই প্ৰথম হৈ উঠিছে। তালৈ যেন টেলিগ্ৰাম আহিছে ছয় লাখ টকা পোৱা বুলি।

টকা পাই তাৰ কি আনন্দ! সি সেই খবৰ পোৱা-মাত্ৰকে বাৰ টকীয়া পণ্ডিতৰ কামত ইস্তফা দিছে। ঘৈণীয়েক গোলাপীক সি কিমান সুন্দৰ সুন্দৰ গঢ়না আৰু কাপোৰ-কানি দিছে। আৰু পুতেকলৈ আনিছে কিমান দামী, চখিন গৰম গৰম চুট্। এখন সৰু খেলা-গাৰী। সি জানো তেতিয়া এই ঘৰত এনেকৈ থাকিব? গাৱঁৰ পচা হাৱা-পানীৰ তিক্ততাৰ মাজত সি আৰু একমুহূর্ত্তও নাথাকি উঠি যাব চহৰলৈ। ঘৰ ভাৰা কৰি থাকিব। তাৰ পিচত মাটি-বাৰী লৈ চহৰতে ডাঙ্গৰ বঙলা ঘৰ সাজি গোলাপী আৰু লৰাকণৰে সৈতে কি সুখত দিন নিয়াব!

কেৱল জানো এই লৈয়ে সি সন্তুষ্ট হব! চহৰত সি এখন প্ৰকাণ্ড দোকান খুলিব। দুখন মটৰ 'কাৰ' লব এখন, তাৰ আৰু আনখন গোলাপীৰ কাৰণে! তাৰ কল্পনা ক্ৰমে চুটি হৈ যায়। সি আৰু ভাবিব নোৱাৰে। ইমানবোৰ টকাৰে সি কি কৰিব?···

দিনৰ পাচত দিন তাৰ এই চিন্তাতে যাবলৈ ধৰিলে। কেএগ্গাৰ গোলাৰ পৰা নোটীছ আহিছে তাৰ ওপৰত সুদে মূলে দুশ টকাৰ মোকৰ্দ্দমা কৰা বুলি। সি নোটীছ পাই মনে মনে ভাবিলে···ৰ, সি ছয় লাখ টকা পাওক। তেতিয়া কেএগ্গাৰ ফুটনি দেখা যাব।

নোটীছলৈ সি কোনো মন কাণ নকৰিলে। ······সেই দিনা আবেলি স্কুল ছুটীৰ পাচত ঘৰলৈ আহোতে বাটতে সি লগ পালে গেৰুৱা কাপোৰ পিন্ধা এজন পশ্চিমীয়া বাবাজীক। ডাঢ়িয়ে,

চুলিয়ে ভোবোকাৰ থুলন্তৰ পুৰুষ। হাতত পুথি-পাঁজিৰ এটি বাণ্ডিল। মুখত প্ৰাণ খোলা প্ৰশান্ত হাঁহি। তাক দেখি বাবাজীয়ে "ৰাম ৰাম" জনাই নিজৰ পৰিচয় দি কলে যে তেওঁ এজন প্ৰসিদ্ধ জ্যোতিষী আৰু তীৰ্থভ্ৰমণকাৰী। লক্ষ্ণৌৰ পৰা পৰশুকুণ্ডলৈ যাবলৈ আহিছে। সেই কথাৰ সত্যতা প্ৰমাণৰ কাৰণে পদ্মকান্তক কেইবা খনো ছাৰ্টিফিকেট বাবাজীয়ে দেখুৱালে। পদ্মকান্তই ছাৰ্টিফিকেটবোৰৰ ওপৰে ওপৰে চাই ইয়াকে বুজিলে যে বাবাজীৰ নাম স্বামী ৰাম মিশ্ৰ ভাৰ্গব। অতি ধাৰ্ম্মিক, ব্ৰহ্মচাৰী আৰু জ্যোতিষ বিদ্যাত পাৰদৰ্শী পুৰুষ। কেইবাজনো অসমীয়া উকীল হাকিমে ছাৰ্টিফিকেট দিছে।

পদ্মকান্তৰ ইচ্ছা হল এবাৰ বাবাজীৰ হতুৱাই তাৰ ভাগ্য পৰীক্ষা কৰি চায়, ভাবিত এইবাৰ সি টকা পাবনে নেপায়। শিয়ান বাবাজীয়ে পদ্মকান্তৰ মুখ দেখিয়েই তাৰ অন্তৰৰ ভাব ঢুকি পালে। সেই কাৰণে তেওঁ তাক হাত দেখুৱাবলৈ অনুৰোধ কৰিলে। তাৰ বাবে তেওঁক কোনো পইচা দিব নালাগে। ইচ্ছা হলে দুই চাৰি পইচা দক্ষিণা দিব পাৰে। এনে উদাৰ কথাত বাবাজীৰ প্ৰতি তাৰ বিশ্বাস অটল হ'ল। সি আদৰ সাদৰকৈ বাবাজীক ঘৰলৈ মাতি নিলে; বাবাজীয়ে মনোযোগেৰে কিছু সময় তাৰ হাত চাই কলে যে তাৰ হাত চমৎকাৰ। এনে হাত তেওঁ খুব কমেইহে দেখিছে। গ্ৰহ দোষতহে তাৰ এতিয়া অলপ অৱস্থা বেয়া হৈছে। কিন্তু এই মাহৰ লগে লগে তাৰ দিন

ভাললৈ আহিছে; ৰাজ-সুখৰ যোগ আছে, তাৰ স্বৰ্গ সুখ হব লাগে। সি অকস্মাতে ধন লাভ কৰিব লাগে। তাৰ ভাগ্য সুপ্ৰসন্ন!……বাবাজীৰ কথাত তাৰ গেটেই গাটো শিৰ-শিৰাই গল, এক অজান পুলকত। সি নিশ্চয় ডাৰ্বিৰ টকা পাব! তেতিয়া আৰু তাক কোনে পায়?…এই আনন্দতে বিভোৰ হৈ সি বাকচ মেলি সাঁচতীয়া আঁঠ আনি এটা চুকত পাই বাবাজীক দক্ষিণা স্বৰূপে দি নমস্কাৰ জনালে। বাবাজীয়ে তাক অশেষ আশীৰ্ব্বাদ আৰু প্ৰশংসা কৰি তাৰ পৰা বিদায় ললে!

…পদ্মকান্তই প্ৰায়ে মাইনৰ স্কুলৰ হেড্‌মাষ্টৰৰ ওচৰলৈ গৈ ডাৰ্বি খেলৰ খবৰ লয়গৈ। হেড্‌মাষ্টৰে তাৰ ভাব-ভঙ্গী আৰু আগ্ৰহ দেখি মনে মনে হাঁহে। মুখৰে অৱশ্যে একো নকয়।… হাত চোৱাৰ পিচদিনা সি হেড্‌মাষ্টৰৰ ওচৰলৈ গ'ল। হেড্‌মাষ্টৰে তাক জনালে যে অহা সপ্তাহতে ডাৰ্বিৰ খেল আৰম্ভ হ'ব। সি আনন্দ মনৰে ঘৰলৈ উভটিল।

—আঁঠ—

ন দিন মানৰ পাচৰ কথা। দেওবাৰ। পুৱাৰে পৰা বৰ ৰ'দ দিছে। পদ্মকান্তই খুব পুৱাতে উঠি চাহ জলপান একো নোখোৱাকৈয়ে হাটলৈ গ'ল। সেইদিনাৰ কাকতত ডাৰ্বি খেলৰ বাতৰি অহাৰ কথা। সি গৈ দেখেগৈ যে হাটলৈ মানুহ কেওঁ অহা নাই। সি বাটতে ইফাল সিফাল কৰি সময় কটাবলৈ ধৰিলে।

ক্ৰমে হাট বহিবলৈ ধৰিলে। সি হাটৰ ভিতৰলৈ সোমাৱা বাটৰ মুখতে মৌজাদাৰক লগ পালে। মৌজাদাৰৰ লগত কথা পাতি সি ঘূৰি ফুৰিবলৈ ধৰিলে। মৌজাদাৰে তাক বৰ ভাল পায়। কাৰণ সময়ে সময়ে সি মৌজাদাৰৰ কিবা কিবি লিখা কাম কৰি দিয়ে। তাৰ বাবে তেওঁ তাক একো দিব নালাগে। ধানৰ বজাৰৰ ওচৰতে মৌজাদাৰক পিয়নে আনি কাগজখন দিলেহি। মৌজাদাৰে খাজানাৰ বিষয়ে মানুহ এটাৰ লগত কথা পাতি ব্যস্ত থকাৰ কাৰণে পদ্মকান্তয়ে কাগজখন হাত পাতি ললে।

সি বাট চাই আছিল কাগজখনলৈকে। কঁপা হাতেৰে কাগজখন লৈ অতি সাৱধানেৰে সি তাৰ ভাঁজ মেলিবলৈ ধৰিলে। তেতিয়া তাৰ বুকুখন ধিপ্‌-ধিপাই উঠিছিল। ডিঙি-মুখ শুকাই গৈছিল—অধীৰ আগ্ৰহত।

সি এপাত এপাতকৈ কাগজখন খুলি চাই শেহৰ পৃষ্ঠাত দেখিলে তাৰ ইপ্সিত বাতৰিটো। ভয়-উৎসুকেৰে সি বাতৰিটো পঢ়িবলৈ ধৰিলে। নিচেই চমুকৈ লিখা বাতৰি। সেয়ে তাৰ কাৰণে যথেষ্ট। তাত মাথোন এই কেইটা কথা আছিল— "ডাৰ্বি খেলত প্ৰথম পুৰস্কাৰ পাইছে পেৰিচৰ এগৰাকী বিখ্যাত অভিনেত্ৰীয়ে, দ্বিতীয় পুৰস্কাৰ পাইছে দিল্লীৰ এজন লক্ষপতিৰ পুতেকে আৰু তৃতীয় পুৰস্কাৰ পাইছে লণ্ডনৰ এজন লৰ্ডে।" সি আৰু পঢ়িব নোৱাৰিলে। তাৰ চকুৰ আগত পৃথিবীখন ঘূৰিবলৈ

ধৰিলে। সি কঁপি কঁপি পৰি যাব খুজিছিল। কোনোমতে সি নিজক চম্ভালি কাগজখন মৌজাদাৰৰ হাতত দি বজাৰৰ বাহিৰ ওলাল। ভাগ্যক্ৰমে তাৰ এই ভাবান্তৰ কোনেও লক্ষ্য নকৰিলে। মৌজাদাৰেও সিফালে মুখ কৰি থকাত তাৰ মুখ দেখা নেপালে।

পদ্মকান্তই তাৰ অন্তৰখন শূন্য হৈ যোৱা যেন পালে। তাৰ ইচ্ছা গল এবাৰ টেটুফালি চিঞৰিবলৈ। কিন্তু নোৱাৰিলে। তাৰ বুকুখন যেন কিহবাই হেচি ধৰিছে।......সি বাটত কেনি আহিল কব নোৱাৰে। তাৰ চকুৰ আগেদি জিয়াঙনি উৰিবলৈ ধৰিলে। বাটত বহুতে তাক মাতিলে। কিন্তু তাৰ কলৈকো লক্ষ্য নাই। সি ভোঁ ভোঁকৈ ঘৰলৈ খোজ ললে।

ঘৰ সোমাও সোমাও হওঁতেই এটা চৰকাৰী টেকেলাই তাৰ হাতত এখন কাগজ দিলে। সি কোনো মাত-বোল নোহোৱাকৈ চহী কৰি কাগজখন জেপত সুমুৱাই ঘৰৰ ভিতৰ সোমাল।

কাগজখন তাৰ ওপৰত দুশটকাৰ ডিক্ৰীজাৰীৰ আদেশ পত্ৰ।

সি কাকো একো নামাতি পোনেই গৈ পাটীত দীঘল দি পৰিলগৈ। চাওঁতে চাওঁতে তাৰ চকু জিপ্‌খাই গল। সি একো কব নোৱাৰা হল।......

গিৰীয়েক অসময়ত অহা দেখি গোলাপী ভিতৰলৈ সোমাই চায় দেখে যে গিৰীয়েক পাটীত দীঘল দি পৰি আছে। তাই লৰা-

লৰিকৈ গিৰীয়েকৰ মূৰত হাত দি দেখিলে যে মূৰটো জুই যেন গৰম, ভৰি হালো চেঁচা পৰি গৈছে। তাই তৎক্ষণাৎ পানী আনি মূৰত ঢালিবলৈ ধৰিলে। ভৰিহাল গৰম পানীৰে ধুৱাই দিলে।

এই ৰকমে কিছু সময় শুশ্ৰূষা কৰাৰ পিচত পদ্মকান্তই চকুমেলি ওচৰত ঘৈণীয়েকক দেখি এটা বুকুভঙা হুমুনিয়াহ কাঢ়িলে। তাৰ চকুৰেদি দুধাৰ চকুলো বৈ গল। গোলাপীয়ে তাৰ মুখৰ ওচৰলৈ মুখ নি তাৰ কি হৈছে সুধিলে। কিন্তু সি একো নামাতিলে। বোধকৰো মাতিব নোৱাৰিলে।

তাৰ অলপ পাচৰ পৰা তাৰ ভীষণ জ্বৰ উঠিল। গোলাপীয়ে ভয় খাই গাঁৱৰ ল'ৰা এটা পঠিয়াই বাপেকলৈ খবৰ দিলে। সেই-দিনা আৰু সিহঁতৰ কাৰো খোৱা নহল। গোটেই দিনটো পদ্মকান্তৰ একেটা জ্বৰেই থাকিল।

সন্ধিয়া গোলাপীৰ বাপেক মণ্ডল আহি পালেহি। মণ্ডলে জোঁৱাঁয়েকৰ অৱস্থা দেখি ডাক্তৰলৈ খবৰ দিলে। ডাক্তৰ আহি চাই ঔষধ-পত্ৰ দি সাৱধানে থাকিবলৈ কৈ গুচি গল। গোলাপীয়ে আশঙ্কা আৰু ভীষণ উৎকণ্ঠাত সময় কটাবলৈ ধৰিলে।

শেহ নিশালৈ পদ্মকান্তৰ জ্বৰ অলপ কমিল। সি তেতিয়া প্ৰলাপ বকিবলৈ ধৰিলে। প্ৰলাপত সেই ডাৰ্বি খেলৰ কথা। সি এবাৰ কলে "গোলাপী, তোমাক কি কি গহনা লাগিব? এধাৰ হীৰাৰ হাৰ...আৰু......সোণকণলৈ এইটো চোলা ভাল হবনে?"......

প্ৰলাপৰ একো একোটা কথাত গোলাপীৰ অন্তৰ ভাঙি যাবলৈ ধৰিলে। কিমান কল্পনা আছিল পদ্মকান্তৰ। কিমান দিন গোলাপীৰ আগত সি তাৰ ভবিষ্যত সোণালী সপোনৰ কথা কৈছিল। আজি সেইবোৰ কথা তাইৰ মনত পৰিল।

কিছু সময় নিমাতে থকাৰ পাচত আকৌ সি চিঞৰি উঠে— "ৰাজ সুখনে স্বৰ্গসুখ বাবাজী?" আনে একো নুবুজিলেও গোলাপীয়ে বুজে তাৰ অৰ্থ। তাইৰ চকুৰেদি চকুলো বৈ যায়—আঘাতত।......

পুৱা অৰুণৰ প্ৰথম কিৰণ নৌ উজ্জ্বল হৈ উঠোতেই গোলাপীৰ অন্তৰ চিৰকাললৈ ভাঙি লৰাকণক অনাথ কৰি পদ্মকান্তই বোধকৰো মাকৰ লগ বিচাৰি কোনোবা নজনা নুশুনা সুখৰ পুৰীলৈ গুচি গল। যাবৰ আগমুহূৰ্ত্তত শেহ বাৰৰ কাৰণে বিষাদ কাতৰ দৃষ্টিৰে গোলাপী আৰু তাইৰ কোলাত থকা সোণকণৰ মুখলৈ এবাৰ চাই ললে। সোণকণ তেতিয়া নিশ্চিন্ত মনে শুই আছিল মাকৰ বুকুত।

এটা কৰুণ আৰ্ত্তনাদ কৰি গোলাপী আচাৰ খাই পদ্মকান্তৰ প্ৰাণহীন দেহৰ ওপৰত পৰিল।



পুতৌনে প্ৰেম

মনটো বৰ ভাল নহয়। সদায় এনেকুৱাই লাগে। অশান্তিৰ মাজেদি দিনবোৰ পাৰ হৈ যায়। উৎসাহহীন উদাস জীৱন।

ফাগুন মাহ। পুৱাৰে পৰা বতাহ। মনটোত অলপ চঞ্চলতা অনুভব কৰোঁ। বুকুখন ধিপ্-ধিপাই উঠে। কি যেন নাই! কিবা এটা যেন লাগে! মাজে মাজে উচপ্ খাই উঠো। তাৰ পিচত বলীয়া ভাববোৰ। ফাগুণৰ বতাহৰ দৰে চঞ্চল—আমনি লগা।

ৰাতিপুৱা পাঁচ মান বজাতে উঠি ফুৰিবলৈ যাওঁ। সৰু চহৰ-খনে তেতিয়াও সাৰ পোৱা নাই। বজাৰৰ মাজৰ ৰাস্তাটো। দুই কাষে দোকানৰ ডাঙৰ ডাঙৰ ঘৰবোৰ। তেতিয়াও তাৰ দুৱাৰবোৰ জাপ খোৱা। ঘৰৰ মূধত থকা পাৰবোৰে মাথোন কুৰুলিয়াই প্ৰভাতী বন্দনা গাইছে। মই ইফালে সিফালে চাই গৈ থাকোঁ। গৈ গৈ নদীৰ কাষ পাওঁ। পাৰত থকা এখন বেঞ্চত বহি পৰোঁ। নদীৰ বুকুত পুৱা-সূৰুযৰ হেঙ্গুলী ৰেখাবোৰ জিল্ মিলাই উঠে। মই সেইফালে তবধ মানি চাই থাকোঁ।

মই বহাৰ সোঁহাতে এটা সৰু পাহাৰ; নদীৰ নিচেই পাৰতে। তাৰ ওপৰত এটা ধুনীয়া সৰু বঙলা। সমুখত এখন সৰু ফুলনি। বসন্তৰ পৰশত ফুলবোৰ ফুলি উঠিছে।

কি সুন্দৰ! এবাৰ সেইফালে চাই পঠিয়াও। মনটো ভাল লাগে। এৰা, মনটোত যেন ফুলবোৰৰ হাঁহিৰ এটা প্ৰতিধ্বনি উঠে। ফুলনিখনৰ নিচেই কাষতে থকা কোঁঠালিটোৰ দুৱাৰ এখন মেল খায়। লাহে লাহে এজনী গাভৰু ছোৱালী ওলাই আহে। লগত অকণিমান এটা ল'ৰা। দেখিবলৈ ধুনীয়া, স্বাস্থ্যৱান। গাভৰুৰ মুখত আনন্দৰ স্নিগ্ধ ৰেখা। ল'ৰাটিৰ লগত তাই কিবা কথা পাতে। সিহঁতে ফুল গছবোৰৰ গুৰিয়ে গুৰিয়ে জুমি জুমি চাই ফুৰে। মাজে মাজে দুয়ো হাঁহে। বিমল স্পষ্ট হাঁহি। বতাহৰ বোকোচাত হাঁহিৰ ঢৌ ভাহি আহে। মই ৰ লাগি সেইপিনে চাই থাকোঁ। ভাৱ হয় সেই সৰু ল'ৰাটি যদি মই হলোহেতেন!···মনটো আকৌ বেয়া লাগে।—অলপ উদাস হৈ পৰে। তাৰ পৰা আন ফালে মুখ ঘূৰাওঁ।

হঠাৎ উচাপ্ খাই উঠো। পাচ ফাললৈ ঘূৰি চাই দেখো ওচৰতে খগেন—মোৰ বন্ধু। স্বাস্থ্যৱান পূৰঠ মুখত তাৰ ঠাট্টাৰ হাঁহি। ময়ো অলপ হাঁহো। সি কয়—"কি অ' কবিতা চাইছনে, গাইছ? বোলো এই সাত বজালৈকে নদীৰ পাৰত বহি কি কৰিছ?"

"ইঃ, বৰ বেলি হ'ল হয়। সময় কিমান হ'ল মোৰ খবৰেই নাই। বাৰু ব'ল দে এতিয়া যাৱেই।" বুলি মই যাবলৈ উঠো।

"সময় কিমান হ'ল কব নোৱাৰিবিতো! পিচে পুৱা জা-জলপান কিবা খালিনে নাই? নে কবিতাৰ ধ্যানত খাবলৈকো পাহৰিলি?" আকৌ তাৰ বিদ্ৰূপৰ হাঁহি। মই অলপ চক্ খোৱাৰ দৰে ফুলনিখনলৈ চাওঁ। গাভৰু গৰাকীয়েও চক্‌খাই আমাৰ ফাললৈ চায়। দুয়োৰো চকুৱে চকুৱে পৰে। চকিতা হৰিণীৰ দৰে তাই ল'ৰাটিৰ হাতত ধৰি ভিতৰলৈ গুচি যায়। মোৰ বুকুত এটা স্পন্দন অনুভৱ কৰোঁ। কিহৰ যেন চমক্! হয়, এটা চমক্।

বন্ধুৱে মোৰ হাতখনত ধৰি বল দি নিয়ে। বাটে বাটে সি বিদ্ৰূপৰ হাঁহি আৰু কথাৰে মোক অস্থিৰ কৰি তোলে। কিছু সময় মোৰ মুখত একো কথা নাই। তালৈ চাই মাথোন অলপ অলপ হাঁহো। মনে মনে কিবা কিবি ভাবি যাওঁ।

সি হঠাৎ সোধে "বাৰু, বকুল, তোৰ 'জ্যোৎস্না স্বপ্নৰ' খবৰ কি?"

মই তাৰ প্ৰশ্নত সাৰ পাই উঠো। "জ্যোৎস্না স্বপ্ন" মোৰ কাব্য। মই কওঁ " 'জ্যোৎস্না স্বপ্ন' লিখা হল। কিন্তু হলে কি হব? প্ৰকাশ কৰিবলৈতো ধন নাই। সি সেইদৰেই ভেকুৰি থাকিব।"

মোক বাধা দি সি কয় "ভেকুৰিয়েই যদি থাকে লিখিছিলি কিয়? নিলিখা হলেওতো একো ক্ষতি নাছিল।"

মই এটা হুমুনিয়াহ কাঢ়ো। উদাসভাৱে কওঁ, "কি বুজিবি

খগেন, মোৰ এয়ে শান্তি। লিখি মই ভাল পাওঁ, কল্পনাক মোৰ বাস্তৱত দেখি মই আনন্দত আত্মহাৰা হৈ উঠোঁ। সাঁচ-শালত সি পৰিল বা নপৰিল! লিখি মই ভাল পাওঁ—লিখাত মোৰ আনন্দ! ইয়াতকৈ আৰু মোক কি—।"

অধৈৰ্য্যভাৱে খগেনে কৈ উঠে "সি কেৱল তোৰ বলিয়ালি। বাৰু সেইবোৰ যাওক, এতিয়া বল আমাৰ তালৈ যাওঁ। তাতে কিবা এটা খাই লৈ খেলা চাবলৈ যাম। আজি টাউন ক্লাব আৰু পুলিচৰ খেলা। বৰ ভাল খেলা হব।"

খেলা বুলিলে সি পাগল। তেতিয়া তাক বাধা দিয়ে কোনে! অগত্যা তাৰ কথাতে মই মান্তি হওঁ। যি কি নহওক সময় খেদোৱা হব তেও।

খগেনৰ ঘৰ সোমাওঁ। সিহঁতৰ ঘৰলৈ প্ৰায়ে মই যাওঁ। সিহঁতৰ ঘৰখন মোৰ নিচেই আপোন লাগে। কেতিয়াবা কেতিয়াবা তাতে খাওঁ।

খগেনৰ কোঠাত গৈ বহোঁ। বিশৃঙ্খল তাৰ কোঠাটো। একাষে এখন বিচনা, কাপোৰেৰে দ'ম হৈ আছে। তাৰ ওপৰতে দুটামান ফুটবলৰ ব্লাদাৰ। ওচৰতে এখন মেজ। মেজৰ ওপৰত এটা হাত-লেম, কিছুমান ফটা চিটা কাগজ, দুখনমান কিতাপ আৰু ঠান বান হৈ থকা এটা পুৰণি তাচ। দুখন বেতৰ মাচিয়া। মই তাৰে এখনত বহি তাৰ কোঠাটো চাওঁ। এই বিশৃঙ্খলাৰ মাজতো খগেনৰ মনত আনন্দ, সি সুখী।

তাকে ভাবি মই স্তব্ধ হৈ যাওঁ।

সি না-না কথা পাতে। খেলাৰ কথা, গানৰ কথা, দুঃসাহসৰ কথা আৰু কত কি! মোৰ কাণত সকলো কথা নপৰে। মাথোন 'ওঁ' 'আঁ' কৰি শলাগি যাওঁ। এবাৰ সি প্ৰশ্ন কৰে "সিদিনা তই "বাসন্তী সন্মিলনীলৈ" গৈছিলিনে বকুল ?"

বাসন্তী-সন্মিলনীৰ কথাটো মোৰ মনত পৰে। মই তাত আছিলো। কওঁ—"ওঁ আছিলো।"

সি আকৌ সোধে "তাত যে গান গাইছিল সেই ছোৱালী-জনীক, আশাক চিনি পাৱনে ?"

"ওহোঁ, কোন আশা ?"—মই সোধো।

"কিয় 'চেতাৰ' বাই যে দুবাৰ গান গাইছিল—সেই ছোৱালী-জনীক। কেকোৰা কেকোৰি চুলিৰে মুখত 'পাউডাৰ' সনা ছোৱালীজনীক আৰু মনত নাইনে ? বাওঁ হাতত যে এটা ঘড়ি আছিল।"

মোৰ ছোৱালীজনীলৈ মনত পৰে। ৰায়চাহাব কমল ভূঞাৰ জীয়েক আশা। তাই যেতিয়া গান গাবলৈ আহিছিল মানুহৰ মাজত এটা বিৰক্তিৰ গুঞ্জন উঠিছিল। বিশেষকৈ ডেকা দলৰ মাজত। গাইছিল তাই ভালেই। কিন্তু কোনেও তাইৰ গান নুশুনিছিল। "বৰ গান পাত গাইছে" বুলি মাথোন সকলোৱে ভোৰ-ভোৰাই উঠিছিল।

খগেনক মই কওঁ—“অ’ বুজিছোঁ! আশা—ৰায়চাহাব ভূঞাঁৰ জীয়েকৰ কথা কৈছ? চিনি পাওঁ! পিচে তাইৰ কি হ’ল?”

“তাই হেনো আজি সন্ধিয়া থিয়েটাৰ হোৱাৰ আগতে “অৰিয়েণ্টেল ডেন্স” দেখুৱাব! সেই ভুতটোৱে বাৰু কি ডেন্স দেখুৱাব বুজা গৈছে। মাথোন ফুটনি আৰু সাজৰ বাহাৰ দেখুৱাব আৰু কি? তাইৰ লাজো নালাগেনে? সেইবোৰ কৰিলেও সেই ফেঁচাটোলৈ চকুৱেই বা দিয়ে কোনে?”

খগেনৰ কথাত মোৰ মনত অলপ আঘাত লাগে। তাইৰ প্ৰতি সহানুভূতিত মোৰ মনটো কোমল হৈ উঠে। সি দিয়া বিশেষণবোৰ বহুতেই তাইক দিয়ে। কিয় দিয়ে মই বুজি নাপাওঁ। নহব পাৰে আশা ৰূপৱতী, কিন্তু কুৎচো নহয়। যৌৱনত হিল্লোলিত হৈ উঠা তাইৰ আতিল শৰীৰ, পূৰ তেজেৰে ৰঙা দুখন গাল। চঞ্চল হাঁহো হাঁহো কৰা দুটা চকু। ক’লা দীঘল কেকোৰা একোচা চুলি পৰিপাটিকৈ আচোৰা। তথাপি তাইক কোনেও ভাল নাপায়। তাই গান গাই, নাচে, কিন্তু কোনেও প্ৰশংসা নকৰে। মোৰ মনটো কেনেবা লাগে! তাই অলপ বিলাসী, অলপ গৰ্ব্বিণী—এয়ে তাইৰ দোষ। সেই কাৰণেই তাই কাৰো মনত ভাল লগাব নোৱাৰে।

মই বিৰক্তিৰে তাক কওঁ—“যেয়ে যি কৰোক, সেইবোৰৰ আলোচনা আমাক কেলেই? কিন্তু শুনিছো আশাইতো বেয়া নানাচে। তইঁতে দেখোন কৱ আশাই গান গাব নাজানে, মাথোন লোকক দেখুৱাই বৰাই কৰে! ক’তা সিদিনাখন দেখোন তাই সভাত ভাল গানকে গাইছিল। বেচ, সুন্দৰ চেতাৰ বজাইছিল। মিছাকৈয়ে দুষ্ট ল’ৰাবোৰে হুলস্থূল লগাই দিছিল মাথোন।” কোৱাৰ পাচত মই অলপ লাজ পাওঁ। জানোচা খগেনে কিবাই ভাৱে। আশানো মোৰ কি হয় যে তাইৰ হৈ মই ওকালতি কৰোঁ! খগেনে হো হোৱাই হাঁহি উঠে। মই অবাক হৈ তাৰ ফালে চাই থাকো। সি কয়—“তই দেখিছোঁ এইবাৰ আশাৰ প্ৰেমত পৰিছ। তইঁত কবি মানুহ, বিশ্বাসেই বা কি? কিন্তু কবিয়েই হৱ বা যিয়েই হৱ সেই ভুতটোৰ প্ৰেমত পৰাত তোক মই হলে অলপো ভাল বুলিব নোৱাৰিলোঁ। কেৱল ময়েই নহয় আনেও তোক—”

মোৰ বৰ খং উঠে। তাৰ পিঠিত এটা বাঘ ঢকা মাৰি কওঁ—“চুপ্ থাক ‘ইডিয়ট্’। কাৰাবাৰ কথা কলেই যদি প্ৰেমত পৰা হয় তেন্তে সেই কথা মোৰ জনা নাছিল। বাৰু ব’ল এতিয়া খেলা চাবলৈ যাওঁ।”

তাৰ মাকে দুটুকুৰা ৰুটি আৰু গিলাচত অলপ গৰম গাখীৰ আনি দিয়ে। মই খাই খগেনৰ লগত খেলা চাবলৈ যাওঁ।

খেলা পথাৰত অনেক মানুহ। ল’ৰা ছোৱালী, ডেকা-গাভৰু, চাহাব-মেম সকলো ধৰণৰ দৰ্শকৰে পথাৰ ভৰি পৰিছে। খেলা আৰম্ভ হৈছে। আমি গৈ একাষে থিয় হওঁ। আমাৰ অলপ কাষতে কিছুমান মেজ-চকী। তাত নিমন্ত্ৰিত ভদ্ৰলোক-

ভদ্রমহিলা সকল বহিছে। সেইফালে এবাৰ চাই খগেনে মোৰ গাত চিকুত মাৰি ফুচ্ ফুচাই কয়, “তোৰ আশা !”

মই সেইফালে চাওঁ। হয়, কোলাত এটা সৰু চামৰাৰ বেগ লৈ এখন মাচিয়াত আশা বহি আছে। ওচৰতে আন দুজনীমান ছোৱালী। সিহঁতে কথা পাতে আৰু মাজে মাজে হাঁহে। আশাই আকাশী ৰঙৰ জাপানী ৰেচমৰ সাৰী কাটি কৰা ৰিহা-চাদৰ এজোৰ পিন্ধিছে। চকুত এজোৰ শক্তিহীন দিব্ চকু। হাতত এটা হাত-ঘড়ি। ভৰিত এজোৰ গুণাৰ কামকৰা লেডি ‘শ্বু’। বুকুত এথোপা ৰঙা-নীলা বিলাতী ফুল। সাধাৰণতে বিলাসী গাভৰুবোৰৰ ওপৰত মোৰ বিশেষ আস্থা নাই। কিন্তু আশাৰ কথা স্বকীয়া। তাইক মোৰ ভাল লাগে। কোনেও ভাল নাপায় তাইক। কিমান অকলশৰীয়া, কিমান নিঃসহায় তাই ! কিন্তু তাইৰ তালৈ ভ্ৰূক্ষেপ নাই। মোৰ কোনোবা এডাল তাঁৰ তাইৰ কাৰণে বেথাত, সহানুভূতিত কঁপি উঠে। মই তাইৰ ফালে চাই ৰওঁ। একোবাৰ তায়ো মোলৈ চায়। কি সুন্দৰ ভঙ্গী তাইৰ কথা কোৱাৰ ! কি মনোৰম তাইৰ চকুৰ চাৱনি ! মই তাইৰ পৰা চকু আঁতৰাই আনো। মনে মনে তাইৰ কথাকে ভাৱো—। এৰা, তাইৰ সুন্দৰ আকাশী ৰঙৰ সাজটো মোৰ মানস চকুৰ আগত স্পষ্ট হৈ উঠে।

খেল ভাগে। খগেনৰ পৰা বিদায় লৈ মই ঘৰলৈ যাওঁ। বাটে বাটে অনেক কথা ভাৱো।—ৰাতিপুৱাৰ ফুলনিখন, নোদোকা

ল’ৰাটি, গাভৰুজনী আৰু আশাৰ কথা ! অন্তৰখন শূন্য হৈ পৰে। কঁপি কঁপি কিহৰ যেন ৰু-ৰুৱনি উঠে।

অস্থিৰ—উদাস দিনবোৰ—।.........

* * * *

সন্ধিয়া। ময়দানখনত বহো। এটা কুলিয়ে মাতে। কোমল লেহেতিয়া তাৰ মাত। শুনি ভাল লাগে।

সৰু সৰু ল’ৰা-ছোৱালী এজাক তাতে খেলি থাকে। মাজে মাজে সিহঁতে কোলাহল কৰি উঠে। আনন্দৰ কোলাহল। সিহঁতৰ ওচৰতে দুজনীমান গাভৰু। সিহঁতৰ খোপাত একো থোপা ডাঙৰ ৰঙা ফুল। ক’লা চুলিত ৰঙা ফুলৰ থোপা। বেচ ধুনীয়া দেখি। সিহঁতৰ ওচৰেদি কেইটামান ডেকা ঘূৰি ফুৰে। সিহঁতৰ চকুত লুব্ধ দৃষ্টি ! কেনে আপচু সিহঁতৰ ভাৱবোৰ !

মোৰ কানত কোনোবাই হাত থয়। মই উচপ্ খাই উঠো। চাই দেখো খগেন। তাৰ লগত আৰু দুজন কোনোবা। সিহঁতে গল্প উলিয়াই। বিশৃঙ্খল ৰুচি নোহোৱা সিহঁতৰ গল্প। শুনি শুনি মোৰ আমনি লাগে। খগেনে কয়, “শুনিছ বকুল, আজি আশাই নচাৰ কথা আছিল নহয়—”

বিৰক্তিৰে বাধা দি তাক কওঁ—“কোনে নাচে কোনে নানাচে এইবোৰ কথা মোক কেলেই ?”

“নহয় শুনচোন, খঙনো কৰ কিয় ? এটা ডাঙৰ কথা হৈছে। সেইহে তোক কওঁ বুলিছো। তই শুনিলে নিশ্চয় দুখ

পাবি।” তাৰ মাতত বিনয় অনুৰোধ। মোৰো মনটোত অলপ বেয়া লাগে। যি কি নহওঁক সি মোৰ বন্ধু। মই সোধো—“কি দুখ পোৱা কথা অ’! মই আক’ দুখ পাম কিয় ?” অলপ কৌতুক অনুভৱ কৰোঁ।

“আচলতে দুখ পোৱা কথা একো নহয়। কিন্তু তই আকৌ যিহে কবি মানুহ পালেও পাব পাৰ। ৰাতিপুৱা আশাৰ নচাৰ কথা কওঁতেই তই—”

মই অসহ্যভাৱে ভেকাহি মাৰি কওঁ—“থ থ তোৰ পাতনি খন। আচল কথাটো কি তাকে কৱ যদি ক—নহলে মনে মনে বহি থাক।”

তাৰ লগত অহা দুজনৰ ৰহস্যপ্ৰিয় এজনে কয়—“এৰা বৰুৱা, আপোনাৰ কথা আৰম্ভতে ইমান লেহেম যেতিয়া আচল কথা কবলৈ হলে আজি আৰু শেহেই নহব। ইফালে হাজৰিকাই আকৌ আপোনাৰ কথা শুনিবলৈ ৰলেহে হৈছে।” তেওঁ হাঁহি মাৰি মোৰ ফালে চায়। ময়ো হাহোঁ।

খগেনেও হাঁহি হাঁহি কয়, “বাৰু আচল কথা কওঁ শুন। আজি আশাক চাবলৈ উজনীৰ পৰা এজোৰ মানুহ আহিছিল। বুজিছই নহয় বিয়াৰ ছোৱালী চাবলৈ। পিচে কি হল জান? সেই বাহিৰে ৰংচং ভিতৰে কোৱা ভাতুৰী সাজৰ বাহাৰময় আশাক তেওঁলোকে পছন্দ নকৰিলে। কৰিবনো কিয় বাৰু? জাপানী চিল্কৰ ৰংচঙীয়া কাপোৰ পিন্ধি এচেন্স আলটাৰে ঘৰময় ভো-ভোৱাই গলেইনো বাৰু কোনে সেই জীয়াভুতটোক পছন্দ কৰিব!

এনেকুৱা আগেয়েও কতবাৰ হৈছে। কমল ভূঞাঁৰ জীয়েকক লৈ শান্তি নোহোৱা হৈছে। ইফালে আইদেউৰ সেই কাৰণেই নচাও বন্ধ। দৰ্শকসকলে তেও অলপ সকাহ পাব।”

তাৰ কথাত মোৰ মনটো মমতাত কেনেবা লাগি উঠে। আশাক পছন্দ কৰিবলৈ আহি পছন্দ নকৰিলে। নাৰী-জীৱনত ইয়াতকৈ জানো দুখৰ, লাজৰ কথা কিবা হব পাৰে! কতবাৰ চাগৈ তাই এই অপমান পাব লগা হৈছে। হয়তো এই তাচ্ছিল্যতা তাই সহিব নোৱাৰি আজি এতিয়াও বেদনাৰ অশ্ৰু টুকিব লাগিছে। মোৰ চকুৰ আগত তাইৰ অপমান আৰু লাজত মৰহি যোৱা মূৰ্ত্তিটো উজ্জ্বল হৈ উঠে। মই আৰু সিহঁতৰ কথা নুশুনা হওঁ। মোক আনমনা হোৱা দেখি সিহঁতে অইন কথা পাতে। কিন্তু মোৰ ধ্যান ভগ্ন নহয়। মনটোত বৰ অশান্তি অনুভৱ কৰো।

আঠমান বজাত যাবলৈ উঠো। খগেনহঁত এটা বাটে যায় —মই কাম আছে বুলি আন এটা বাটে যাওঁ। মোৰ সন্মুখত বিৰাট শূন্যতা। নিশা শুই শুইও মই আশাৰ কথা ভাবো।

কি হল? গোটেই অন্তৰখন যেন আশাৰ দুখতে চট্‌ফটাই উঠে! আশা মোৰ কোন? কিন্তু তথাপি বেচেৰী আশা—তাই কেনে দুৰ্ভগীয়া! আজি হয়তো তাইৰ কুৰি বছৰো ওপৰ হৈছে। কত বলীয়া ফাগুনী তাই অনুভৱ কৰিছে। যৌৱনৰ ঘোড়শোপচাৰেৰে হয়তো তাই কাৰাবালৈ বাট চাই আছে।—

কিন্তু ব্যৰ্থ তাইৰ আশা। যৌৱনৰ কি শোচনীয় লাঞ্ছনা! মোৰ হিয়াখন তাইৰ কাৰণে হাঁহাকাৰ কৰি উঠে।

লাহে লাহে মোৰ চকু জিপ্ খাই যায়।

*　　*　　*

মাহৰ পাছত মাহ পাৰ হৈ যায়। মোৰ জীৱনত কোনো পৰিবৰ্ত্তনৰ লক্ষণ নাই। সেই একে আমনি লগা আহুকলীয়া জীৱন। কোনো উত্তেজনা নাই নীৰৱ নিৰল।

এতিয়াও পুৱাই উঠি যাওঁ নৈখনৰ পাৰলৈ, এৱেকখন বেঞ্চতে সদায় বহো। ৰ লাগি ফুলনিখনলৈ চাওঁ। একেদৰেই আছে ফুলনিখন। দিন যোৱাৰ লগে লগে মাথোন অলপ নিষ্প্ৰভ হৈ পৰিছে। গাভৰু গৰাকী কেতিয়াবা ফুলনিলৈ আহে, কেতিয়াবা নাহে। কেতিয়াবা লৰাটি লগত আনে, কেতিয়াবা অকলে আহে। মোৰ ফালে সদায় একোবাৰ চাই। সেই মুহূৰ্ত্তটোৱে মোক আনি দিয়ে এক অপূৰ্ব্ব বিমল আনন্দ। আঃ! কি সুন্দৰ! পুলকত মোৰ অন্তৰখন কঁপি উঠে।

তাৰ পিছত!—তাৰ পিছত আকৌ অন্ধকাৰ! নিৰাশাত মই কোঁচ খাই যাওঁ। মাজে মাজে মনত পৰে আশালৈ। বেচেৰী এতিয়াও তাই ৰূপৰে পূজা কৰি আহিছে বহু ৰকমে। কিন্তু ব্যৰ্থ হৈ যায় তাইৰ আহুতি। হাত পাতি লবলৈ কেওঁ নাই, যৌৱনৰ কি অভাৱনীয় পৰাজয়! মনে মনেই মই এইবোৰ কথা ভাবো। ক'মেই বা কাক? সঙ্গীহীন জীৱন। খগেন

কেতিয়াবা কেতিয়াবা আহে। কিন্তু তাক মই এইবোৰ কথা নকওঁ। ক'লেও হয়তো সি মোক পাগল বুলি উৰাই দিব। মনৰ বেদনা মনতে থাকে।

আশাক কেতিয়াবা কেতিয়াবা দেখো। বাহিৰৰ পৰা তাইক বুজা অসম্ভৱ। মুখে চকুৱে তাইৰ আনন্দ। আনৰ দৰে তায়ো হাঁহে। কোনে জানে হয়তো এই হাঁহিৰ অন্তৰালত কিমানখিনি তাইৰ অসাৰতা আছে! তাইৰ বুকুখন হয়তো বেদনাত তন্‌তনাই উঠে। কোনেও নেদেখাকৈ হয়তো ৰাতি বিচনাত শুই শুই চকুলো টুকি যৌৱনৰ ব্যৰ্থতাৰ কাৰণে ভগৱানক অভিশাপ দিয়ে। হয়তো বা তাই এইবোৰ একো কবই নোৱাৰে। জীৱনত হয়তো তাই একো বুজাই নাই। ব্যৰ্থতা, অসাৰতা এইবোৰ হয়তো মোৰেহে অযথা কল্পনা! মনে হলে মোৰ নেমানে। তাইক দেখিলে মই তাইলৈ একেৰাহে চাই থাকো।—ক'ৰবাত তাইৰ বেদনাৰ আভাস আছেনে নাই! তাইৰ হাঁহি থকা চকু দুটাৰ কাষত যেন মই দেখা পাওঁ বিষাদৰ দুটা অস্পষ্ট ক'লা দাগ। তাইৰ কথাৰ অস্ফুট গুঞ্জৰণত যেন কিবা এটা উদাস মলিন ভাৱ।

কেতিয়াবা ইচ্ছা হয় আশাৰ লগত কথা হওঁ। তাইৰ জীৱনৰ ব্যৰ্থতাটো মোৰ সহানুভূতিৰে, চেনেহৰে অলপ ৰসাল কৰি দিওঁ। কিন্তু মোৰ তাইক মাতিবলৈ সাহ নহয়!......

সন্ধিয়া পৰত বাটে বাটে ফুৰি ফুৰো। উদ্দেশ্য একো নাই

এনেয়ে। মনৰ ভাৱবোৰ খেলি মেলি—অস্পষ্ট। মাজে মাজে ওপৰলৈ চাওঁ। সুন্দৰ জোনাক। আকাশত অসংখ্য তৰা টিমিক্ টামাক্কৈ জ্বলে। মাজত জোনাবায়ে হাঁহিৰ ঢৌ সিচি দিছে। মনটোত অলপ আনন্দ লাগে। এবাৰ কেউপিনে ঘূৰি চাওঁ ওচৰত কেওঁ নাই। অলপ অকলশৰীয়া যেন অনুভৱ কৰো। হঠাতে লগ এটাৰ কাৰণে অন্তৰখন ব্যস্ত হৈ পৰে। মনত পৰে খগেনলৈ। সি মোক ভাল পায়। হয়তো তাক ময়ো ভাল পাওঁ। সি এজাক আনন্দৰ বতাহ। বতাহৰ দৰেই সি মোৰ ওচৰলৈ আনে হাঁহি, ৰং তামাচা। ক্ষন্তেকলৈ তাৰ ওচৰত মই সংসাৰৰ সকলোবোৰ পাহৰি যাওঁ।

তাৰ তালৈকে বুলি খোজ লওঁ। অলপ গৈয়ে তাক লগ পাওঁ। সি ফুৰিবলৈ বুলিয়েই ওলাই আহে। মই আগ্ৰহেৰে তাৰ হাতখনত ধৰি কওঁ—"মই তোৰ তালৈকে আহিছিলো। পিছে তোক পালোৱেই।" সি অলপ ঠাট্টাৰ সুৰত কয়—"ইঃ বৰ মোক বিচাৰি আহিছ! ফাঁকিনো দিয় কিয়? তাতকৈ স্পষ্ট কৰি কলেই হয় দেখোন যে আশাৰ বিয়াৰ খবৰ কৰিবলৈ আহিছোঁ।" মই উচপ্ খাই উঠো। কওঁ—"কোন আশাৰ বিয়া অ'?"

"আঃ! ভাওনো ধৰ কিয়? কিয় তোৰ আশা অ' তোৰ আশাৰ বিয়া।"

"মানে?" অবাক হৈ তাক প্ৰশ্ন কৰো—মই যেন একো

কবই নোৱাৰো। মোৰ মূৰটো যেন ঘূৰিবলৈ ধৰিছে। আশাৰ বিয়া! কোন আশা—খগেনে কয়—"ৰায় চাহাব কমল ভূঞাঁৰ জীয়েক আশা। তোৰ প্ৰিয়পাত্ৰী। এতিয়া বুজিছ?"

মই একো নেমাতো। আশাৰ বিয়া? ই যেন অসম্ভৱ কথা। খগেনে হয়তো মোক মিছা কৈছে—ধেমালি কৰিছে। ধেমালিয়েইবা কৰিব কিয় সি! হয়তো হবও পাৰে আশাৰ বিয়া। তাইতো একো আপচু অলায়ক ছোৱালী নহয়। আনন্দত মোৰ বুকুখন অলপ নাচি উঠে। হয়তো আজি আশাৰ জীৱনে সাৰ্থকতা লাভ কৰিব। আকৌ হতাশ হৈ পৰো। যদি আশাৰ বিয়াৰ কথা মিছা!—

মোৰ পিঠিত এটা থাপৰ মাৰি খগেনে কৈ উঠে—"কি অ' মনে মনে থাকিলি দেখোন? আশাৰ বিয়া হব বুলি শুনি দুখ পালিনেকি? দুখ পালেও আৰু ইয়াৰ প্ৰতিকাৰ নাই। সোৱা, চা ৰায় চাহাবৰ ঘৰত বিয়াৰ উৰুলি-মঙুলি লাগিলেই—।"

মূৰ দাঙি চাই দেখো যে হয় ৰায় চাহাবৰ ঘৰত মানুহেৰে ভৰপূৰ। বিজুলী বাতিৰে গোটেইখন ৰমক্-জমক্। চেতাৰ, অৰগেন, হাৰমনিয়ামৰ নানা ৰকমৰ সুৰ বতাহত উটি আহিছে। আমি ৰায় চাহাবৰ ঘৰৰ ঠিক সন্মুখতে থিয় হওঁ। এবাৰ সেই ফালে চাওঁ। তৃপ্তিত—আনন্দত মোৰ হিয়াখন শাঁত লাগি পৰে। মই হাঁহি মাৰি খগেনক সোধো, "বিয়া কেতিয়ালৈ অ'? দৰা কোন?"

সি মোৰ মুখলৈ ভালকৈ চাই। তোৰণত দিয়া বিজুলী চাকিৰ পোহৰ আহি মোৰ মুখত পৰে। তাৰ চকুত ৰহস্যৰ হাঁহি। হয়তো মোৰ চকুতো আনন্দৰ হাঁহি বিৰিঙি উঠে। সি কয়—"দৰা ভালেই। বি. এ. পাছ কৰি চব্‌ডেপুটী কলেক্টৰ কামত সোমাইছে। চেহেৰা পাতিও ভাল। মোৰ লগত আজি ৰাতিপুৱা চিনাকি হৈছে। বিয়া কালিলৈ। কিয় তোক মতা নাইনে?"

মই মাথোন মূৰ জোকাৰি কওঁ "নাই।" হওক তেও আশাৰ বিয়া হব সেয়ে মোৰ মনত আনন্দ দিয়ে। তাইৰ যৌৱনৰ ফুলপাতেৰে সজোৱা আসনত এজন উপযুক্ত লোককে বহুৱাব পাৰিব। বহুদিনৰ বুভুক্ষাৰ কালিলৈ তাই সামৰণি মাৰিব পাৰিব। তাইৰ গৰ্ব্বৰ, তাইৰ বিলাসৰ হয়তো কালিলৈ সাৰ্থকতা হব। মোৰ মনটো নিচেই পাতল লাগে। এটা যেন ডাঙৰ বোজা মোৰ মূৰৰ পৰা কোনোবাই খহাই নিয়ে—।···

এবাৰ ৰায়চাহাবৰ ঘৰৰ বাৰান্দালৈ চাই দেখো আশা। চকুৱে মুখে গোটেই শৰীৰতে তাইৰ তৃপ্তিৰ এটা উজ্জ্বল দীপ্তি খেলি যায়। কি সুন্দৰ দেখাইছে তাইক! গোলাপী ৰঙৰ জিলমিলাই থকা এজোৰ সাজ তাইৰ গাত। তাৰ মাজেদি তাইৰ সুপ্ত যৌৱনৰ তৰঙ্গ ফুটি উঠে—আনন্দত—আবেগত। মই চাই আপোন পাহৰা হওঁ। আশাৰ এই মূৰ্ত্তিটোকে যেন মই বহুদিন

কল্পনা কৰি আহিছো। আৰু সি আজি বাস্তৱত। তাই আজি সুখী। মোৰ অন্তৰত আনন্দৰ তৰঙ্গ উঠে।······

খগেনৰ সৈতে তাৰপৰা আঁতৰ হওঁ।

* * *

আশাৰ বিয়া হৈ যায়। গিৰীয়েকে তাইক লগতে লৈ যায়। আচৰিত ৰকমে মোৰ বুকুখন উৰুঙা উৰুঙা লাগে।—কিয়? আশাক আৰু দেখিবলৈ নেপাওঁ। অলপ বেয়া লাগে। অলপ আনন্দ লগাবৰ ইচ্ছা হয়!—তাই এজন সঙ্গী পাইছে—দুখ-সুখৰ লগৰী। অকণিমান মৰম—এধানিমান সহানুভূতি তাই পাব। চেনেহৰ ভিক্ষাৰী তাই! আজি হয়তো তাইৰ লাঞ্ছিত যৌৱন সাৰ্থকতাত—পূৰ্ণতাত ভৰি উঠিছে। তাইৰ চকুৰ দাঁতিৰ বিষাদৰ ক'লা ৰেখা দুটা বোধ হয় আৰু নাই। তাই হয়তো আৰু অলপ গৰ্ব্বিনী, আৰু অলপ বেছি বিলাসিনী হৈছে! মোৰ কল্পনাৰ আগত তাইৰ আনন্দত উজ্জ্বল চিত্ৰটো জ্বলি উঠে। মই আনন্দত আত্মহাৰা হৈ উঠে।···অলপ পাচত কিবা এটা স্তব্ধতা অনুভৱ কৰো। কিহৰ স্তব্ধতা—কোনে ক'ব? আনন্দৰ নে বিষাদৰ! মোৰ মনত হৈছে মাথোন আশা নাই—আশাৰ বিয়া হৈ গৈছে।···



গৰম দিন। এপ্ৰিল কি মে' মাহ। তিনি বাজি গৈছেহে। তেতিয়াও ৰ'দ পৰা নাই। ৰমা চলিহাৰ পৰ্টিক'ত বহি আমি দুয়ো আনাৰস খাব খুজিছো।

টেবুলৰ ওপৰত ৰসাল আনাৰসৰ টুকুৰাৰে সজোৱা দুখন পাথৰৰ থাল আগত লৈ অভ্যাস অনুসাৰে আমাৰ তৰ্ক চলিছে। কাম নোহোৱা দিনবোৰত প্ৰায়ে মই এই সময়ত চলিহাৰ তাতে থাকোগৈ। গল্প কৰি—কেৰম খেলি বা কিতাপ পঢ়ি—আমাৰ সময়বোৰ পাৰ হৈ যায়,—ঘণ্টা—দুঘণ্টা—কেইবা ঘণ্টাও কৈ। লগে লগে চাহ মিঠাই বা চলিহাই বাৰীত কৰা আনাৰস, লেচু, আম আদি সুস্বাদু ফলাহাৰো হয়। খোৱাৰ জুতি বিচৰাত চলিহা নিজে যেনেকৈ অতি সাৱধান আনৰ কাৰণেও সেইদৰে তেওঁ সুখাদ্য যোগোৱাত যত্নশীল।

মই ক'লো—"বাৰু, চলিহা, বিয়া কৰাব খুজিছা কৰাবা, তাত আমাৰ আগ্ৰহ সদায় যেনেকৈ আছিল এতিয়াও থাকিব। কিন্তু মিচ্ মমতাৰ ওপৰত অনুগ্ৰহৰ কাৰণটোতো একো বুজিব নোৱাৰিলো। মমতা—সুন্দৰী আৰু বিদুষী—সেইটো মানো। পিছে বয়সৰ ফালৰ পৰা চোৱাঁ প্ৰায় একুৰি পাঁচৰ অধিক, আৰু—আৰু—"

মোৰ কথা শেষ হোৱাৰ আগতে চলিহাই এটা খোলা হাঁহি মাৰি কলে, "বাৰু হব হব—ইমানেই যথেষ্ট! তুমি মমতাৰ বিষয়ে 'আৰু' কি ক'বা বুজিছোঁ—আৰু বুজিছোঁ বুলিয়েই মমতাক বিয়া কৰাব খুজিছোঁ। বহুতে ইয়াতে ছল পাই কব খুজিছে, খুজিছে কি কৈছেই মই হেনো মমতাক বিয়া কৰাব ধৰিছোঁ তেওঁ শিক্ষয়িত্ৰী বুলিহে। কিন্তু এনে ভুল অনুমান সুস্থিৰ মস্তিষ্কৰ কোনেও নকৰিব বুলিহে মোৰ বিশ্বাস। সামান্য ত্ৰিশটা টকাৰ কাৰণে ৰমা চলিহা কেতিয়াও লালায়িত নহয়। ত্ৰিশটা কিয় তাৰ দুগুণ বা চাৰিগুণ টকাৰে দুই চাইটা মানুহ মই নিজে পুহিবলৈ সক্ষম বুলি ক'লে বোধকৰো বৰাই কৰা বুলি অন্ততঃ তুমি নকবা।"

এইটো কথা ঠিক যে চলিহাৰ আৰ্থিক অৱস্থা যথেষ্ট ভাল। বাপেকৰ দিনৰ বিষয় সম্পত্তি আৰু নগদ টকা-কড়িৰ উপৰিও নিজৰো কেইবাটাও কাৰবাৰ আছে। যিবোৰৰ পৰা উপাৰ্জ্জন অতি কম নহয়।

"সেই বাবে যে তুমি মমতাক বিয়া কৰাব খোজা নাই সেইটো মই জানো। কিন্তু কাৰণ নিশ্চয় কিবা এটা আছে। নহলে—"

"মমতাক বিয়া কৰাব খোজা এটা 'খেয়াল', জানাই যে মই প্ৰায় সকলো কাম হঁঠাতে কৰো। ইও এটা তেনেকুৱা ধৰণৰে মোৰ খেয়াল।"

"মোৰ বিশ্বাস ইয়াৰ উপৰিও আৰু কিবা কাৰণ আছে। খেয়াল পূৰাবলৈ বিয়াৰ বজাৰত বহুতো অসমীয়া ছোৱালী আছিল। সেইবিলাকত যে তোমাৰ চকু নপৰি অৰ্দ্ধ অসমীয়া অৰ্দ্ধ বঙালী মিচ্ মমতাত পৰিল কিয় ?"

ৰমা চলিহা সৰুৰে পৰা আছিল বৰ গোৱাঁৰ। খুচিমতে সকলো কাম কৰে। যেতিয়া যিটো কাম কৰো বুলি ধৰে তাৰপৰা কোনেও তেওঁক বিৰত কৰিব নোৱাৰে। তাক মই জানো।

তেওঁ কলেজত বি. এ. পঢ়ি থাকোতে জুবিলি পাৰ্কত এখন ৰাজহুৱা সভা হৈছিল। তাত এজন কংগ্ৰেছ নেতাই বক্তৃতা দিছিল। প্ৰিন্সিপালে কলেজৰ লৰাবোৰক সেই সভালৈ যাবলৈ মানা কৰি নটিছ দিছিল। কাৰণ সেই সময়ত আইন অমান্য আন্দোলন বৰ জোৰেৰে চলিছিল। কোনো লৰা সভালৈ নগল। চলিহাই কিন্তু এই আদেশ নেমানি কেইজনমান লৰা লগত লৈ সভালৈ গল আৰু আদিৰে পৰা অন্তলৈকে সভাত বহি থাকিল। পিছ দিনা তেওঁৰ আৰু তেওঁৰ লগত যোৱা লৰা কেইজনৰ কৈফিয়ৎ লোৱা হল। বাকী কেইটা লৰাই গৈ প্ৰিন্সিপালক ক্ষমা প্ৰাৰ্থনা খুজি নিষ্কৃতি পালে। চলিহা কিন্তু প্ৰিন্সিপালৰ ওচৰলৈকে নগল। প্ৰিন্সিপালে তেওঁৰ দহটকা ফাইন কৰিলে।

চলিহাই ফাইনো নিদিলে, কলেজতো আৰু নপঢ়িলে। পিছদিনাই মূৰত গান্ধী কেপ পিন্ধি কলেজৰ বাহিৰ হৈ গৈ

আন্দোলনত যোগ দিলে। আৰু লগে লগেই তেওঁ গ্ৰেপ্তাৰ হৈ ছমাহ ফাটেকত পৰিল। ৰায়চাহাব নৰেন চলিহাৰ পুতেক ৰমা চলিহাৰ ফাটেক হোৱাৰ বাতৰিয়ে সেই সময়ত ৰজাঘৰ প্ৰজাঘৰ সকলোতে চমক্ লগাইছিল।

তাৰ পাছত জেলৰ পৰা ওলাই মাক-বাপেকৰ বুজনিত— বিশেষকৈ মাকৰ চকুলো দেখি কলিকতালৈ গল—মেডিকেল কলেজত পঢ়িবলৈ। মেডিকেল কলেজত দুবছৰ পঢ়াৰ পাছতে মাক মৰাৰ বাতৰি পাই কলেজ এৰি ঘৰলৈ গুচি আহিল। পাছত বাপেকে কোৱাতো তেওঁ আৰু পঢ়িবলৈ নগল।

চলিহাৰ এনে খেয়ালী মেজাজৰ পৰিচয় মোৰ বহুত দিনৰে পৰা জনা আছিল। কিন্তু মমতাক বিয়া কৰাবলৈ ইচ্ছুক হোৱা বুলি শুনি ময়ো অলপ আচৰিত নহৈ নোৱাৰিছিলো।

চলিহাই অলপ ৰৈ লাহে লাহে ক'লে, "বৰুৱা, তোমাক আজি মোৰ জীৱনৰ এটা অতি গোপন সম্বাদ দিম। যিটো সম্বাদ পালে তুমি আৰু মোক মমতাক মই কিয় বিয়া কৰাব খুজিছো সেই সম্পৰ্কে প্ৰশ্ন নকৰা।"

* * *

আজি ডুকুৰি বছৰৰ ওচৰা ওচৰি হলহি মই বিয়া কৰোৱা নাই। এই সম্পৰ্কে তোমালোকে প্ৰায়েই প্ৰশ্ন কৰি আহিছা আৰু মইও কৈ আহিছো—যে মোৰ বিয়া কৰাবৰ ইচ্ছা নাই। কিন্তু আজি হঠাৎ প্ৰায় এই আদহীয়া বয়সত বিয়া কৰাব খোজা

দেখি তোমালোক নিশ্চয় আচৰিত হবা। আৰু হবৰ কথাও। তাতোকৈ আচৰিত কথা মিচ্ মমতাক কন্যা বচাত। কিন্তু তোমালোকৰ কাৰণে ই যিমানেই আচৰিত বা অদ্ভুত নালাগক কিয় মোৰ কাৰণে হলে অলপো বিস্ময়ৰ বিষয় নহয়।

তোমালোকে নেজানিলেও মোৰ বিয়া কৰাবৰ ইচ্ছা সদায়েই আছিল। এখন শান্তিৰ ঘৰ—এগৰাকী অতি আপোন সঙ্গী—দুটিমান সৰু সৰু লৰা-ছোৱালী—এয়েই আছিল মোৰ সকুৰে পৰা ভৱিষ্যৎ সুখৰ সঁপোন। মই কেতিয়াও বিশেষ কিবা এটা হৈ দেশৰ সেৱা বা তেনে কোনো এটা ডাঙৰ আদৰ্শ লৈ কাম কৰিম বুলি ভবা নাছিলো। মোৰ আশা আছিল অতি সামান্য আৰু স্বাভাৱিক। কিন্তু ভবিতব্যই ঠেলি দিলে মোক অইন বাটলৈ। কি কৰিম—সংসাৰক ফাকি দি মই খোজ ললো অচিন পথেদি।

কলেজৰ পৰা ওলাবৰ মোৰ উদ্দেশ্য নাছিল কিন্তু ওলাব লগা হল। জেললৈ যাবলৈ মোৰ কেতিয়াও মন নাছিল, কিন্তু তথাপি মই গলো জেললৈ। তাৰ পাছত যিবা অনেক আশা-আকাঙ্ক্ষা লৈ গলো কলিকতাৰ মেডিকেল কলেজলৈ তাতো এনে এটা ঘটনা হল—যিটোৰ কাৰণে মোৰ ভৱিষ্যত আদৰ্শ কল্পনা সকলোবোৰ চিৰকালৰ কাৰণে মাটি হল।

সেই কথাটোকে তোমাক আজি কম।...... কলেজ হস্পিটেলত এটা ৰোগীৰ শ আমি কেইজনমানে ব্যৱচ্ছেদ

কৰি চাইছিলো। কটা-কুটা কামবোৰ সকলো ময়ে কৰিছিলো। শটোৰ কলিজা—হাওঁফাও আদি শৰীৰৰ ভিতৰত থকা সকলো অৱস্থা তন্ন তন্নকৈ মূৰ জুপি চাই থাকোঁতে—হঠাৎ আহি সোমালহি এজন আমাৰ প্ৰফেচৰ। তেওঁ আহিয়েই লৰা-লৰিকৈ আমাক আতৰ হৈ যাবলৈ ক'লে। আমি একো বুজিব নোৱাৰি আতৰ হৈ গলো।

কিছুদিনৰ পিছত জানিলো যে সেই দিনাৰ শটো হেনো আছিল যক্ষ্মা ৰোগীৰ। ভুল কৰিহে শটো আমাক কাটিবলৈ দিয়া হৈছিল। পিছত কথাটো জানিব পাৰি প্ৰফেচৰজনে আহি আমাক আতৰি যাবলৈ কয়হি।

......দিন যাবলৈ ধৰিলে। সেই কথা আমাৰ মনৰ পৰাও নোহোৱা হল। কিন্তু দ্বিতীয় বছৰ সেই ঘটনাৰ প্ৰায় আঠ ন মাহ মানৰ পাছত হঠাৎ এদিন মোৰ জ্বৰ আৰু কাহ হল। লগে লগে অলপ অলপ তেজ কফৰ লগত যাবলৈ ধৰিলে।

কলেজত অতি সোনকালে কথা ৰাষ্ট্ৰ হৈ পৰিল। বিশেষজ্ঞ ডাক্তৰ সকলে মোক পৰীক্ষা কৰি হাৰ্টত যক্ষ্মা জীবাণু পালে। মই ভয়ত বিতত হৈ পৰিলো। প্ৰফেচৰ সকলক মই অতি কাকুতি-মিনতি কৰি এই খবৰ ঘৰলৈ নজনাবলৈ আৰু বেছিকৈ প্ৰকাশ নকৰিবলৈ খাটিলো। তেওঁলোকেও বদনামৰ ভয়তেই হওঁক বা যিকোনো কাৰণতে হওক মোৰ চিকিৎসা তেওঁলোকৰ ব্যয়তে অতি সাৱধানে কৰাবলৈ ধৰিলে।

যক্ষ্মাৰ বিশিষ্ট-চিকিৎসক ডাক্তৰ উকীলৰ চিকিৎসাত আৰু কলেজৰ প্ৰফেচৰ সকলৰ যত্নত মই ভাল হৈ উঠিলো। ইমান দিন মই ঘৰলৈ চিঠি-পত্ৰ কলেজত পঢ়ি থকা বুলিয়েই দিছিলো। দেউতাই টকা-কড়ি নিয়ম মতে পঠাইছিল কলেজৰ খৰচ বুলিয়েই। মোৰ যে কিবা হৈছিল তাৰ একো গমকে নাপাইছিল।

যেতিয়া মই ভাল হৈ উঠিলো তেতিয়া ডাক্তৰ সকলে কলে যে মোৰ আৰু পঢ়া উচিত নহয়। হাৰ্ট দুৰ্ব্বল হৈ গৈছে। হঠাৎ আকৌ বেমাৰ হব পাৰে। কি কৰিম? ঘৰলৈকে বা কি বুলি যাওঁ? কিন্তু সৌভাগ্যৰ কাৰণেই নেকি হঠাৎ এখন টেলিগ্ৰাম পালো যে আই ঢুকাল। এই অজুহাততে মই টালি-টোপোলা বান্ধি ঘৰ পালোহি আকৌ কলেজলৈ নাযাওঁ বুলি। দেউতাই আইৰ শ্ৰাদ্ধাদিৰ পাছত কলেজলৈ আকৌ যাবলৈ কৈছিল। মই নানা ফাকি-ফুকা আৰু ছল দেখুৱাই নগলো। সেইবোৰ সকলো কথা তুমি জানাই।

কিন্তু তেতিয়া মই মনে মনে কিমান দুখ পাইছিলো সেইটো মাত্ৰ ময়েইহে জানিছিলো।……

তাৰ পিছত আহিল বিয়াৰ কথা। আহা, সি এটা অতি দুখজনক কথা। মনে মনে মোৰ বিয়া কৰাবৰ সম্পূৰ্ণ ইচ্ছা আছিল। কিন্তু এটা ভীষণ ৰোগে খাই থকা বুলি মই জানি-শুনি কেনেকৈ ফাকি দি অন্য এটি নিৰ্দ্দোষ নিষ্পাপ লোকক

তাৰ ভাগী কৰাওঁ? তেনে সাহস মোৰ নাই।—অৱশ্যে বেমাৰ মোৰ সম্প্ৰতি নাই ঠিক। কিন্তু এইটোওতো সঁচা যে যি কোনো মুহূৰ্ত্ততে মোৰ বেমাৰ হব পাৰে! তেনেস্থলত—? ইমানখিনি বৰ্ব্বৰতাৰ কাৰণে মোৰ শক্তি নহল। মই খোৱা-বোৱা সকলোতে সাৱধানে থাকোঁ। তুমি যদি লক্ষ্য কৰিছা—দেখিছা যে মই খোৱা গিলাছ বা বাটিতেহে মই সদায় খাওঁ। এইবোৰৰ কাৰণেই মই মানুহৰ ঘৰলৈ নাযাওঁৱেই। বহুতে তাৰ বাবে বেয়াও পাই। বেয়া পালে কি হব? নিয়তিৰ শাসন অনিবাৰ্য্য।

বিয়াৰ কাৰণে দেউতাৰ সেই কাতৰ অনুৰোধ! সময়ে সময়ে ইচ্ছা হৈছিল দেউতাক সকলো কথা কৈ দিওঁ। কিন্তু কবলৈ মোৰ সাহ নহল। দেউতাৰ যে মই একমাত্ৰ সন্তান! মোৰ তেনে এটা ৰোগ হোৱা বুলি শুনিলে দেউতাই যি আঘাত পাব সি মোৰ কাৰণে অসহ্য। সেইবাবে মই দেউতাক নানা ৰকমে ফাকি দিছিলো। সি যদিও মোৰ কাৰণে বৰ কষ্টদায়ক আছিল……। এই দুখ লৈয়ে দেউতাও মৰিল। মৰণ শয্যাতো দেউতাই মোক দুই হাতে সাৱটি ধৰি বিয়া কৰাবলৈ কৈছিল। মই চকুলো টুকি টুকি দেউতাৰ সেই মৰণ চাইছিলো! কি নিষ্ফল আশা লৈ দেউতা সিপুৰীলৈ গল! ভাবিলে এতিয়াও মোৰ চকুলো ওলায়।

…তাৰ পাছত কেনেকৈ মোৰ দিনবোৰ কাটি গৈছে তাকতো তুমি দেখিছাই। বাহিৰত মই বেচ শান্তিত আছোঁ।

—খাইছোঁ, বৈছো, ফুৰ্টি কৰিছোঁ, দহৰ কাৰণে দুটকা দান কৰিছো—অনুষ্ঠান চলাইছো—সুখেৰে আছোঁ। সমাজত মোৰ নাম আছে, বহুতে সন্মান কৰে। মানুহৰ কাৰণে ইয়াতকৈ কি লাগিছে ? কিন্তু এইবিলাকত মই সুখী নাছিলো। কিবা এটাৰ অভাৱ, কিবা এটাৰ আৱশ্যক সদায় মই গভীৰভাৱে অনুভৱ কৰিছিলো। তোমালোকৰ লগত যেতিয়া হাঁহি ধেমালি কৰি কটাও তেতিয়া অলপ ভাল লাগে। বিশেষ অভাৱ অনুভৱ নকৰো, কিন্তু নিশা যেতিয়া অকলশৰে বিচনাত পৰি চিন্তা কৰো তেতিয়া মোৰ অন্তৰখন হাহাকাৰ কৰি উঠে—বিৰাট শূন্যতাত, এটা বেদনাৰ, ব্যৰ্থতাৰ—অনুভূতিত।—দুপৰ নিশা হঠাৎ কেতিয়াবা সাৰ পাই মোৰ মনত হয় যেন মই কিমান নিঃসঙ্গ—কিমান অকলশৰীয়া ! অকণিমান চেনেহ—এধানিমান ভালপোৱাৰ কাৰণে মই বলীয়া হৈ উঠো—……এখন নিপুণ হাতৰ নিখুঁত পৰিচৰ্য্যাৰ কথা মোৰ মনত পৰে—যেতিয়া চাকৰ-বাকৰৰ বিশৃঙ্খল কামবোৰ মোৰ চকুত পৰে। মোৰ অভাৱ নাই একোৰেই ! ৰান্ধনিয়ে ৰান্ধি দিয়ে, চাকৰে বিচনা পাৰি দিয়ে, গা ধুবলৈ দিয়ে—সকলো কৰে ! কিন্তু তথাপি মই কিবা এটাৰ অভাৱ অনুভৱ কৰোঁ। কামবোৰ হয় সঁচা, কিন্তু তাত যেন প্ৰাণ নাই, দৰদ নাই—।…মোৰ এই ভাৱবোৰ সময়ে সময়ে মই নিজেই বুজিব নোৱাৰো।

বন্ধু-বান্ধৱ সকলৰ ঘৰত যেতিয়া তেওঁলোকৰ তিৰোতা আৰু

লৰা-ছোৱালীৰ হাঁহি মুখ দেখো তেতিয়া মোৰ বুকুখন অতিপাত ৰিক্ত হৈ পৰে। বন্ধুৰ প্ৰতি তেওঁৰ তিৰোতাৰ চেনেহ প্ৰীতিৰ কল্পনা কৰি মই মোৰ নিঃসঙ্গ জীৱনৰ কথা ভাবি ব্যথিত হৈ পৰো। এখন হাঁহি মুখৰ দু-আষাৰ কথাৰ কাৰণে মোৰ অন্তৰ উন্মুখ হৈ পৰে। এই দুখ মোৰ কাৰণে কম গভীৰ নহয়, কি দীনতাৰে মোৰ জীৱনৰ ভৱিষ্যত গঢ়া ; কিমান বিফলতা জীৱনত ! ভাৱি ভাৱি মই অস্থিৰ হৈ পৰো।

এদিন এইভাৱ মোৰ কাৰণে আৰু অসহ্য হৈ উঠিল। দিনটো আছিল লেল-পেল নিছিগা বৰষুণ। জাৰত ক'লৈকো ওলাবৰ মন নগল। তোমালোকৰো কেওঁ নাহিলা। মই খাই-বৈ আৰামী চকীখনতে বহি বহি দিনটো কটালো। গাটো যেন কিবা বেয়া বেয়া লাগিছিল, সন্ধিয়া লাগি ভাগি গল। ওচৰৰ সৰু মেজখনতে ৰান্ধনি লৰাটোৱে চাহ দি গলহি। মোৰ হাতেৰেও চুবৰ মন নগল, চাহ তাতে পৰি থাকিল। লেম চাকি জ্বলিল। মোৰ কিন্তু একোলৈকে খবৰ নাই। নিশা কিমান হল তাকো কব নোৱাৰো। চাকৰটোৱে ভাত খাবলৈ মাতিলে। মই কিয় কব নোৱাৰো—"মোৰ গা বেয়া ভাত নেখাওঁ, তহঁতে খাই শুই থাকগৈ—" বুলি কলো। সিহঁতেও তাকে কৰি দিহাদিহি শুই থাকিলগৈ। মোক আৰু কেওঁ একো নুসুধিলে। সিহঁতৰে বা দোষ কি ? মই উঠি বিচনাত পৰিলোগৈ। কেতিয়া টোপনি গলো তাকো কব নোৱাৰো।…হঠাৎ এবাৰ গভীৰ ৰাতি সাৰ

পাই মই অনুভৱ কৰিলো যে মোৰ পেটটো পুৰিছে আৰু পিয়াহ লাগিছে। কিন্তু মাতিম কাক ? মাতিবলৈ যে ওচৰত কেওঁ নাই। নিজে উঠিব খুজিও উঠিব নোৱাৰিলো। মোৰ গোটেই শৰীৰ যেন অসাৰ হৈ গৈছে।

মই নিশ্চল ভাৱেই পৰি থাকিলো—অসহায় ভাৱে। কিছু সময় এনেভাৱে থকাৰ পাছত মোৰ যেন অনুমান হল কোঠালীটোৰ পশ্চিম ফালৰ চুকৰ পৰা কিবা এটা অস্পষ্ট ছায়া মূৰ্ত্তি মোৰ ফালে আগবাঢ়ি আহিছে। মোৰ ভয় আৰু আতঙ্কত বুকুৰ ঢপ-ঢপনি বন্ধ হল। ছায়ামূৰ্ত্তি যেন ক্ৰমে আগবাঢ়ি আহি মোৰ ফালে দুটা শুকান হাত মেলি দিলে। মই আতঙ্কত বিহ্বল হৈ চিঞঁৰ মাৰি দিলো। তাৰ পাছত কি হল আৰু কব নোৱাৰো।

...যেতিয়া মই সাৰ পালো তেতিয়া দেখিলো ৰাতি পুৱাইছে। কিন্তু মোৰ দুৱাৰ-খিৰিকী বন্ধ। লাহে লাহে যোৱা ৰাতিৰ সকলো কথা মোৰ মনত পৰিল। মোৰ গা জিকাৰ খাই উঠিল। পশ্চিম চুকলৈ চাই দেখিলো একো নাই।......কিন্তু মোৰ ভয় নাভাগিল। মই মৰ্ম্মে মৰ্ম্মে বুজিব পাৰিলো যে মই কিমান অকলশৰীয়া! মোৰ মনটো এটা আপোনাৰ, অতি মৰমৰ সঙ্গীৰ কাৰণে ব্যাকুল হৈ উঠিল। মোৰ দুখ-সুখৰ কথা, মোৰ প্ৰাণৰ বেদনাৰ কথা বুজোতা এজনক পাবলৈ মই অধীৰতা অনুভৱ কৰিলো।

সেইদিনাৰ পৰা মই এজন সঙ্গী—সঙ্গী নহয় সঙ্গিনী—বিচাৰিবলৈ ধৰিলো। এইটো ভালকৈ বুজিছিলো যে বিয়া নকৰালে এই অভাৱ মোৰ দূৰ নহয়। বাহিৰৰ বন্ধু-বান্ধৱৰ দ্বাৰা ইয়াৰ সম্পূৰ্ণতা নহয়। কিন্তু তাৰ কাৰণে যে মোৰ এই কৃতান্তৰূপী বেমাৰ পৰ্ব্বত-প্ৰমাণ বাধা। তথাপি মই হতাশ নহলো।—হয়তো মোৰ ভাগ্যসূত্ৰত জোটখোৱা কোনো ছোৱালী পাবও পাৰো। এই আশাতে অনুসন্ধান আৰম্ভ কৰিলো নীৰৱে,—গোপনে।

ভাগ্য মোৰ ভাল। বোধকৰো ঈশ্বৰেও অলপ চকু মেলি চালে। তাৰ ফলতেই লগ পালো হঠাৎ এই মমতাক। ইও এটা আচৰিত যোগাযোগ।

মমতাৰ দেউতাক থাকোঁতে আমাৰ ঘৰৰ লগত বেচ চিনা পৰিচয় আছিল। তাৰ পাছত বহুত দিন তেওঁলোকৰ লগত আমাৰ কোনো ঘনিষ্ঠতা নোহোৱা হৈছিল।

"জয়মতী বালিকা মজলীয়া স্কুলত" যে মমতাই প্ৰধান শিক্ষয়িত্ৰীৰ কাম কৰে আৰু যে তেওঁৰ এতিয়া কেওঁ নাই এই-কথাহে মাত্ৰ মই জানিছিলো। তাৰ বেছি তেওঁৰ সম্পৰ্কে বিশেষ খবৰ একো নাজানিছিলো আৰু জনাৰ দৰকাৰো নাছিল।

এদিন মোৰ পেহীদেউৰ জীয়েক অনুৱে এখন চিঠি আনি মোক দিলেহি। অনুয়ে 'জয়মতী স্কুলতে' পঢ়ে। চিঠিখন চাই দেখিলো যে সিহঁতৰ স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী মমতাই দিছে। অলপ আচৰিত হৈ চিঠিখন আগ্ৰহেৰে পঢ়ি চালো।

তুমিতো জানাই সঙ্গীতত মোৰ ৰাপ অসীম, গান গোৱা আৰু শিকোৱা দুয়োতে মোৰ সমান উৎসাহ। মমতাই মোক জয়মতী তিথি উপলক্ষে তেওঁলোকৰ স্কুলৰ ছোৱালী কেইজনীমানক কেইটামান গান শিকাই দিবলৈ অনুৰোধ কৰিছে। ভদ্ৰমহিলাৰ অনুৰোধ—তাতে ৰাপ থকা বিষয় গতিকে পিছদিনা আবেলি মিচ্ মমতাৰ ঘৰলৈ গলো। মমতাই বেচ আলহ-উদহ কৰি বহিবলৈ দিলে। নানা কথা বতৰা সুধিলে। মুঠতে এদিনৰ ভিতৰতে আমি বহুতদিনীয়া পৰিচিতৰ দৰে হৈ পৰিলো।···সেই এদিনৰ ভিতৰতে মমতাই তেওঁৰ বিষয়ে বহুত কথাও কৈ পেলালে। মই এইটোও জানিব পাৰিলো যে তেওঁৰ সিমান দিন বিয়া নোহোৱাৰ কাৰণ বোলে তেওঁৰ বাপেক যক্ষ্মা ৰোগত মৰাত সেই বেমাৰ তেওঁৰো হব বুলি মানুহে ভয় কৰে। গতিকে তুমি বুজিব পাৰিছা যে একেদিনাই আমি দুয়ো দুয়োৰে কিমান ওচৰলৈ যাব পাৰিছিলো।

মমতাৰ বাপেক যে যক্ষ্মাৰোগত ঢুকাইছিল এই কথা মই আগেয়ে নাজানিছিলো। মমতাৰ মুখে এই খবৰ শুনি মোৰ প্ৰাণত হঠাৎ এটা আশাৰ ঢৌ খেলি গল। মই যেন যি বিচাৰিছিলো তাকে আজি পালো এইভাৱ হবলৈ ধৰিলে।···যি কি নহওক এই দৰেই আমাৰ সৌহাৰ্দ্দ্য ক্ৰমে বাঢ়ি যাবলৈ ধৰিলে।

জয়মতী উৎসৱ হৈ গল। কিন্তু তাৰ পাছতো মই সন্ধিয়া সন্ধিয়া মমতাৰ তালৈ যাবলৈ ধৰিলো। মমতায়ো মোক সদায়

নিমন্ত্ৰণ কৰা হল। লাহে লাহে আমাৰ দুয়োৰো আন্তৰিক ভাৱ দুয়োৰো আগত ক্ৰমে আকাৰে ইঙ্গিতে প্ৰকাশ হৈ পৰিবলৈ ধৰিলে।

এদিন মই আৰু ধৈৰ্য্য ধৰি থাকিব নোৱাৰি মমতাক বিয়াৰ কথা কলো। মমতাই সহজেই সন্মতি জনালে। সেইদিনা মোৰ কি আনন্দ! ব্যৰ্থ জীৱনৰ সাৰ্থকতাত মোৰ প্ৰাণ ভৰি উঠিল। মই ভাবাবেগত গদ্ গদ্ হৈ মমতাৰ দুই হাত মোৰ হাতৰ মাজত সুমুৱাই কৈ উঠিলো, "মমতা, আমাৰ দুয়োৰো ভাগ্য একে সূতাতে গঁথা। আজি তোমাক পাই সঁচাকৈ মোৰ জীৱন ধন্য মানিছোঁ। নহলে হয়তো মোৰ জীৱনেই চিৰকাললৈ ব্যৰ্থ হৈ গলহেতেন।"

মমতাইও বোধকৰো তেনে কিবা এটাকে কব খুজিছিল। কিন্তু তেওঁ কব নোৱাৰিলে। আনন্দৰ চকুলোৰে তেওঁৰ সুন্দৰ চকু দুটা ঢুল-ঢুলীয়া হৈ উঠিল। তেওঁৰ মূৰটো মোৰ বুকুত থৈ এবাৰ প্ৰেম-প্ৰীতিপূৰ্ণ দৃষ্টিৰে মোৰ মুখলৈ চালে। মই আত্মহাৰা হৈ তেওঁৰ মুখত এটা চুমা খালো।···

আমাৰ বিয়াৰ এতিয়া সকলো ঠিক, মমতা মোৰ কোনো ৰকমেই অনুপযুক্ত নহয় বুলি মই ভাবো। বৰং অনুপযুক্ততা—যদি আছে মোৰেহে। সময়ত ভয় হয় কিজানি মমতাক বিয়া কৰাই মই অন্যায় কৰিব খুজিছোঁ এই বুলি। কিন্তু সেইভাৱ বেচি সময় নাথাকে। মই নিজৰ অন্যায় জোৰ কৰি আঁতৰাই

থৈছোঁ। মই ভালপোৱাৰ কঙাল। এবাৰ যদি মমতাৰ ভাল-পোৱা পাইছোঁ তাক আকৌ হেৰুৱাতো—মোৰ দ্বাৰা অসম্ভৱ। বোধকৰো মমতাক হেৰুৱালে মই আৰু জীয়াইও নাথাকিম।

মমতাৰ বয়স লৈ যি কথা কৈছা—সি একো বেচি নহয়। এনে বয়সত পশ্চিমৰ ফালে অনেক ছোৱালীয়ে ধেমালী কৰিয়েই কাল কটাই। বৰং বয়স হিচাবে মোৰহে বেচি।—ই তোমালোকৰ সংস্কাৰগত দোষ।...মমতাৰ চৰিত্ৰ সম্পৰ্কে বহুতে কিবা কিবি কোৱা শুনো। বিয়া নকৰাকৈ থকা গাভৰুৰ সম্পৰ্কে এনে মন্তব্য মানুহৰ মুখত স্বাভাৱিক। কিন্তু মই নিজে মমতাৰ লগত ঘনিষ্ঠতা কৰি বুজিব পাৰিছোঁ যে মমতাৰ চৰিত্ৰ সুন্দৰ পৱিত্ৰ। মুঠতে মই আজি ইমান দিনে যি অভাৱ অনুভৱ কৰি আছিলো সি মমতাৰ দ্বাৰা সম্পূৰ্ণ দূৰ নহব বুলি মোৰ অকণো সন্দেহ নাই।...মমতাইও মোক ভাল পাইছে আৰু ময়ো মমতাক ভাল পাইছোঁ। এয়েই মোৰো কাম্য। মোক লাগে ভালপোৱা—অকণি বুকুৰ উমনি। আৰু মমতাকো লাগে এখন সহানুভূতিৰে পূৰ কোমল হিয়া—অকণমান আদৰ চেনেহৰ পৰশ। ইয়েই আমাৰ কাৰণে যথেষ্ট।...

চলিহা মনে মনে থাকিল। মইও আৰু একো নকৈ অলপ সময় বহি থাকি গুচি আহিলোঁ।

* * *

মমতাৰ লগত চলিহাৰ বিয়া হৈ গল। বিয়াত মমতা আৰু চলিহাৰ সকলো বন্ধু-বান্ধৱেই যোগ দিছিল। আড়ম্বৰহীন অথচ বেচ সুন্দৰ পৰিপাটিকৈয়ে বিয়াৰ উৎসৱ সমাধা হল।...

মই দেখিলো মমতা আৰু চলিহাৰ উভয়ৰে মনলৈ এটা বেচ পৰিবৰ্ত্তন আহিছে। চলিহাৰ ঘৰখন যেন আগতকৈও প্ৰাণমন্ত, জীৱন্ত হৈ উঠিছে। বন্ধুৰ আনন্দ দেখিলে কোন আনন্দিত নহয়? ময়ো চলিহাৰ সুখ দেখি মনে মনে সুখী নহৈ থাকিব নোৱাৰিলো। আগৰ দৰে আজিকালিও চলিহাৰ তালৈ মই যাওঁ,—তেওঁ আৰু মমতাই উভয়ে আদৰ যত্ন কৰে। মমতাৰ ব্যৱহাৰো বেচ মুগ্ধকৰ।

...কিন্তু চলিহাৰ কপাল সদায় বেয়া। ডেড় বছৰ মানৰ পাছত হঠাৎ এদিন খবৰ পালো মমতাৰ অসুখ বুলি। চলিহাৰ ভয়ত তৎ নাই। তেওঁ ডাক্তৰ মাতি মমতাক দেখুৱালে। ঔষধ-পত্ৰৰ ব্যৱস্থা হল। কিন্তু ক্ৰমে মমতাৰ অসুখ বেচি হৈ যাবলৈ ধৰিলে। চলিহাই চিভিল চাৰ্জ্জনক মাতি দেখুৱালে। চিভিল চাৰ্জ্জনে ভালকৈ পৰীক্ষা কৰি চাই কলে যে মমতাৰ যক্ষ্মা হৈছে। যক্ষ্মা বীজাণু বহুত দিনৰে পৰা তেওঁৰ আছিল। এতিয়াহে ৰোগ আকাৰে প্ৰকাশ হৈছে।

চলিহাৰ অন্তৰ ভাগি পৰিল। তেওঁ মমতাক লৈ কলিকতালৈ গল। তাৰপৰা যাদৱপুৰ চেনিটেৰিয়ামতে মমতাক থৈ চিকিৎসা কৰাবলৈ লাগিল।

চলিহাৰ কাৰণে মনটো বৰ বেয়া লাগিবলৈ ধৰিলে। কিন্তু বিধতাৰ লিখনিক বাধা দিবলৈ সাধ্য কাৰ ?

* * *

প্ৰায় ছমাহ মান চলিহাৰ কোনো খবৰ পোৱা নাই। সেই-দিনা আবেলি এখন চিঠি পালো—যাদৱপুৰৰ পৰা। চিঠি পঢ়ি মোৰ চকুলো ওলাল দুই চকুয়েদি। কি দুৰ্ভাগ্য চলিহাৰ !—চলিহাই লিখিছে—

"প্ৰিয় বন্ধু,

মানুহে আকাঙ্ক্ষা কৰে বহুত। কিন্তু তাৰ সফলতাতকৈ নিষ্ফলতাই দেখা যায় বেচিকৈ। তাৰ বাবে দায়ী কোন? বোধ কৰো কোনো নহয়। তেন্তে ?—সেই প্ৰশ্নৰ সমাধান মই মৃত্যুশয্যাত শুই শুই বিচাৰিব লাগিছো। ভগৱানৰ অভিশাপ বুলি ভাবিবৰ মন যায়। কিন্তু ভগৱানৰ তেওঁৰ সৃজিত এটি অতি ক্ষুদ্ৰ প্ৰাণীৰ ওপৰত অভিশাপ দিবৰ আৱশ্যক কি ?—মোৰ জীৱনৰ অতীতলৈ চাই মই এইবোৰকে ভাৱি আছোঁ।···বৰ আশা কৰি মমতাক মোৰ ওচৰলৈ চপাই আনিছিলো, এখনি চেনেহী বুকুৰ অকণি প্ৰীতিৰ পৰশ !—ইয়েই জানো মোৰ কাৰণে বৰ বেচি আকাঙ্ক্ষা ? তেন্তে মমতাক ভগৱানে লৈ গল কিয় ? সম্ভৱতঃ এই আশা কৰাই মোৰ কাৰণে অনুচিত আছিল। অবুজ কেচুৱাই চাকিটো চুবলৈ হেঁপাহ কৰে জানো—চাকি চুবৰ যে তাৰ অধিকাৰ নাই—এই কথা জানি শুনি ? ময়েই

বা জানিম কেনেকৈ—মমতাক পাবৰ—মমতাৰ চেনেহ লাভৰ অধিকাৰ মোৰ নাই বুলি ?—আজি মমতা নাই সঁচা, কিন্তু তেওঁৰ জীৱনৰ স্মৃতিয়ে—তেওঁৰ চেনেহৰ পৰশে মোক এতিয়াও আবৰি আছে। মই তেওঁৰ কথা ভাবি ভাবিয়েই মৰণলৈ অপেক্ষা কৰিছোঁ।···বন্ধু ! মোক নিবলৈ মমতাই অপেক্ষা কৰিব লাগিছে। মোৰ জীৱন-বন্তি নুমাই আহিছে।

মোৰ অনুৰোধ—তুমি যেন মোৰ সম্পত্তি আৰু অনুষ্ঠানাদিৰ সকলো ভাৰ লোৱা। সেইবোৰে মোক একো দিব নোৱাৰিলে। কিন্তু দহৰ যদি কিবা উপকাৰত আহে মই সুখী হম।

মোৰ সকলো কথা হয়তো তোমালোকে নুবুজিবা। নুবুজা-টোৱেই স্বাভাৱিক। আজি আৰু সেইবোৰ কথা বুজাবলৈ তোমাক যত্ন নকৰো। কেৱল মাথো এইটো কথা জানি থোৱা যে মমতাই মোক দিছিল অতুল ঐশ্চৰ্য্য ! মোৰ মৰু-হৃদয়ত মমতাই যোগাইছিল নিৰ্ম্মল পানী। মমতাৰ ভালপোৱাৰ সোঁতত মই উটি গৈছিলো—জীৱনৰ বাস্তৱতাক পাহৰি।···সেই মমতাক এৰি থকা মোৰ পক্ষে অসম্ভৱ। ময়ো যাব লাগিছো তেওঁৰ লগলৈ।

চিৰ বিদায় বন্ধু !

তোমাৰ

—ৰমা—"

মই থৰ হৈ চিঠিখন লৈ চাই থাকিলো—চলিহাৰ কথা ভাবি। আহা, বেচেৰা চলিহা! মোৰ এটা হুমুনিয়াহ ওলাল। কোনে জানে ইমান পৰে কেনে আছে? মই তেতিয়াই যাদৱপুৰ ঠিকনাত এখন টেলিগ্ৰাম কৰিলো—তেওঁৰ সম্পত্তি সম্পৰ্কে চিন্তা নকৰিবলৈ বুলি আৰু তেওঁৰ খবৰ সুধি।

পিছদিনা টেলিগ্ৰামৰ উত্তৰ পালো—"চলিহা যোৱা কালি সন্ধিয়া ঢুকাল।"

* .... ।

অভিশাপ নে প্ৰতিশোধ

······তীব্ৰ বেদনাত জীৱনটো জ্বলা-কলা হৈ পৰিছে! অনুতাপৰ হোমানলে প্ৰাণ অস্থিৰ কৰি তুলিছে! উস্ কি অসহ্য স্মৃতিৰ দাহন! তেতিয়াতো মই ভৱা নাছিলো, যে এনেকুৱা দিন এটাও আহিব পাৰে যিদিনা মই অশান্তিত ছটফটাই ফুৰিব লাগিব। তেতিয়া মোৰ সন্মুখত সংসাৰখন আছিল সোন্দৰ্য্যৰ আকৰ, আনন্দৰ সঁফুৰা। ৰোমান্সৰ মাজেদি দিনবোৰ পাৰ হৈ গৈছিল! বনৰীয়া লতাত পাইছিলো কামিনীৰ স্পৰ্শ, গোলাপত দেখিছিলো সুন্দৰীৰ হাঁহি, পুৱাৰ অৰুণত অনুভৱ কৰিছিলো গাভৰুৰ ৰঙচুৱা গাল আৰু বতাহে যোগাইছিল চেনেহীৰ ৰিহাৰ আচলৰ বা! কিন্তু ক'তা? আজিতো সেই-বোৰৰ একো গম নাপাওঁ! সি যেন এটা সঁপোন,—এটা মায়াৰ প্ৰহেলিকাহে! কৰুণ সুন্দৰ সঙ্গীতৰ দৰেই সি আজি মোৰ অন্তৰত বাজি উঠিছে!

যৌৱনৰ জয়গানত মোৰ ইন্দ্ৰিয়বোৰ তেতিয়া মুখৰ হৈ উঠিছিল। ঠিক তেনে সময়তে বি. এ. পৰীক্ষা দি ঘৰলৈ আহিছিলো। তাৰ দুদিনৰ পিছতে ঘৰত কিবা এটা সকাম হৈছিল। আজিও সেইদিনাৰ কথা মোৰ স্পষ্ট মনত আছে!

সেইদিনাৰ স্মৃতিয়েই মোৰ আজিৰ বেদনাৰ সঙ্গী ! দেউতা আছিল মৌজাদাৰ—গাৱঁৰ হাকিম। হাকিমৰ দৰেই তেওঁৰ প্ৰতিপত্তি। কেৱল মৌজাদাৰ বুলিয়েই নহয়, দেউতাৰ আৰু কিছুমান এনে গুণ আছিল যিবিলাকৰ দ্বাৰা সাধাৰণতে মানুহৰ মন আকৰ্ষণ কৰিব পাৰিছিল। ককাইদেউ উকীল। মই কলেজত পঢ়া শিক্ষিত ডেকা। গতিকে আমাৰ আভিজাত্যই আৰু স্বকীয়াকৈ একো আহাৰ বিচাৰিব নেলাগিছিল।

সকামৰ কাৰণে সেইদিনা আমাৰ ঘৰলৈ মানুহৰ ভালকৈয়ে সমাগম হৈছিল। সন্ধিয়াহে পূজা আৰম্ভ হব যদিও পুৱাৰ পৰাই মানুহবোৰ ব্যস্ত হৈ পৰিছিল। চহৰৰ পৰা ককাইদেউ আহি পাইছিলহি ! চাকৰ-নাকৰ, গাৱঁৰ মানুহ আদিৰে ঘৰখন হুলস্থুল লাগি পৰিছিল ! এই ব্যস্ততাৰ মাজত মোৰ কাম বুলিবলৈ একো নাছিল। মাথোন মাজে মাজে দুই এজন গাৱঁৰ হোজা বুঢ়া-বুঢ়ীক 'বোপা' 'বোপাটি' বুলি মাতি কলেজ সম্পৰ্কে সোধা দুই এটা অদ্ভুত প্ৰশ্নৰ উত্তৰ দিব লগা হৈছিল, একোটা গৰ্ব্বিত তাচ্ছিল্যভৰা হাঁহিৰে। তাৰ উপৰি ন-বৌৰ ওচৰলৈ গৈ তেওঁক চাহৰ তদাৰক কৰি ব্যতিব্যস্ত কৰা আৰু আইৰ পৰা স্নেহভৰা দুই এটা ভৰ্ৎসনা লাভ কৰা আছিল মোৰ অন্যতম কাম। সন্ধিয়াৰ লগে লগে মোৰ আৰু এটা কাম বাঢ়িল। সি হৈছে সকামলৈ কোন কোন আহিছে তাৰ খবৰ ৰখা। এইজনী বকুলৰ ছোৱালী। বয়স বাৰ বছৰমান হব। বেচ ধুনীয়া

মুখখন ! চুলিকোছা কিচ্ কিচ্ কৰে ক'লা ! ডাঙৰ হলে এজনী দেখনিয়াৰ গাভৰু হবগৈ ! সৌজনী বিধৱা পুহিতা নহয়নে ? দুটাৰ মাইকী যদিও যৌৱনৰ মাধুৰ্য্য এতিয়াও গাই-মুখে বিয়পি আছে ! গাল দুখন কেনে ৰঙা ! চকু দুটাই হাঁহিব লাগিছে ! কোন কোন আহিছে তাৰ খবৰৰ সীমা মই ইয়াৰ ভিতৰতে আৱদ্ধ ৰাখিছিলো। মোৰ ভাবৰ ধাৰাই বকুলৰ জীয়েক আৰু পুহিতাক কেন্দ্ৰ কৰিয়েই গতি কৰিছিল। কিন্তু তাতেই মই সন্তুষ্ট হব পৰা নাছিলো। মোৰ লোলুপ দৃষ্টিয়ে ইয়াতকৈও ভাল কিবাৰ সন্ধানত চঞ্চল হৈ উঠিছিল। হঠাৎ চোতালৰ সিমূৰে মোৰ দৃষ্টি থিৰ হৈ পৰিল ! মোৰ শোণিতৰ গতি খৰ হল।—ভাবৰ প্ৰৱাহ স্তব্ধ হৈ গল। কামনাৰ উন্মাদনাত মই নিজৰ অস্তিত্বকে কিছু সময়লৈ পাহৰি গলো। চকু-মন-প্ৰাণৰ এক সংযোগেৰে কেতেকীক লক্ষ্য কৰিবলৈ ধৰিলো।

কেতেকী আমাৰ পামত কামকৰা শত্ৰুঘ্নৰ জীয়েক ! তাই আঁকৰী, মাতিব নোৱাৰে। আজি পামৰ পৰা সকামলৈ বুলি মাক ফুলীয়াৰ লগত ঘৰলৈ আহিছে। আগৰে পৰা তাইক চিনি পাওঁ।—হাতৰ ইঙ্গিতেৰে কথা বতৰাও পাতিছিলোঁ। কিন্তু এইবাৰ আহি প্ৰথম সেই মুহুৰ্ত্ততেহে তাইক দেখিলো। তাইৰ বয়স অনুমান ১৫।১৬ বছৰমান হৈছিল। মইতো আচৰিত ! কুলীৰ ছোৱালী আকৰী কেতেকীও যে ইমান ধুনীয়া হব পাৰে ই মোৰ সপোঁনৰে অগোচৰ আছিল ! বিধিৰ অদ্ভুত সৃষ্টি

বোকাত পদুম ফুলে—কাঁইটত গোলাপ ফুলে! বগী ধক্-ধকী লাহী ককালটিৰে কেতেকীৰ যৌৱনোদ্দীপ্ত অঙ্গসৌষ্ঠৱ! চকুৰ ধেনুভিৰীয়া ডাঠ চেলাউৰি, ৰঙচুৱা কোমল গাল, ককাললৈকে পৰা কেকোঁৰা কেকোৰি চুলি! বহল স্নিগ্ধ দুটা চকু! উথন বুকুৰ মাজেদি যৌৱনৰ শ্ৰী, সকলো সৌন্দৰ্য্য প্ৰকাশ হৈ পৰিছে। পাহৰি গলো তাই যে কুলীৰ ছোৱালী, তাই যে আঁকৰী—মুক! মোৰ মাথোন ইচ্ছা হৈছিল তাইক বুকুত সুমাই লবলৈ। ভাবৰ সমষ্ট গতিয়ে একমুখী হৈ কেতেকীক কেন্দ্ৰ কৰি এখন সোণৰ ৰাজ্য গঢ়াৰ প্ৰয়াস পাবলৈ ধৰিলে! মই অৱশ্যে মোৰ মনৰ ভাৱক বিমান দূৰ সম্ভৱ আনৰ দৃষ্টিৰ অন্তৰালত ৰাখিবলৈ চেষ্টা কৰিলো। কেতেকীয়ে আপোন মনে কি কৰিছিল কব নোৱাৰো। তাই হলে মোলৈ এবাৰো মূৰ তুলি চোৱা নাছিল। উপস্থিত থকা ডেকা দলৰ কৌতুকাক্ৰান্ত চকু বহুত বাৰ কেতেকীৰ ওপৰত পৰিছিল। সিও মোৰ দৃষ্টিৰ বহিৰ্ভূত হব পৰা নাছিল। এই দৃষ্টিত মই মাজে মাজে ঈৰ্ষান্বিত হৈ পৰিছিলো! কিন্তু কি কৰিম, তেতিয়া মোৰ একো উপায় নাছিল।...

অস্থিৰতাত প্ৰতি মুহূৰ্ত্ত পাৰ হবলৈ ধৰিলে! শেহত মই ন-বৌৰ ওচৰ পালোগৈ। ন-বৌয়ে ভিতৰত তেতিয়া কিবা এটা কাম কৰি আছিল। মই হঠাৎ গৈ ক'লো—"ন-বৌ, মোৰ খোটালিটোত অলপ ধূনা জ্বলাব নোৱাৰানে?" ন-বৌয়ে প্ৰথমতে আচৰিত হৈ মোৰ ফালে চালে। আচৰিত হবৰ কথাও। আজি

দুদিন মই ধূনাৰ খবৰ কৰা নাই আজি কিয় কৰিলো!—বোধকৰো এই বুলিয়েই ন-বৌ অলপ থমক খাই উঠিছিল। কিন্তু কথাটো একো অদ্ভুত নহয় বুলি ভাবি পিছ মুহূৰ্ত্ততে অলপ হাঁহি মোৰ পাছফালে হাতেৰে কাৰাবাক মাতিলে। মই ঘূৰি চাই দেখিলো—কেতেকী! মোৰ অন্তৰখন ছাট কৰি উঠিল। বুকুখন কঁপি উঠিল! মোৰ চকুৰ দৃষ্টি তাইৰ চকুৰ লগত যোগ হল। তাই লাজতে তলমূৰ কৰিলে। মই দেখিলো—কেতকীয়ে বৰ পৰিপাটিকৈ এখন ফুলাম মেখেলা পিন্ধি আহিছে, গাত এটা গোলাপী ৰঙৰ ব্লাউজ। চুলিকোছা সুন্দৰকৈ আচুৰি খোপা বান্ধি থৈছে। খোপাত হালধীয়া ৰঙৰ দুটা কিবা বনৰীয়া ফুল। দুডালি এডালি কুটকুৰা চুলি কপালৰ আগত পৰি ঢৌ খেলি আছে। মোৰ প্ৰতি শিৰাই শিৰাই বিজুলীৰ প্ৰৱাহ ববলৈ ধৰিলে। অতি অলপ সময়ৰ নিমিত্তেহে তাইৰ ফালে চাইছিলো যদিও ন-বৌৰ চকুত সি ধৰা নপৰাকৈ নাছিল। সেইটো পিছত বুজিছিলো। মোৰ দৃষ্টি-বিনিময়ত কেতেকীৰ অন্তৰতো কিবা ভাবৰ তৰঙ্গ উঠিছিল নে নাই নাজানো। কিন্তু মোৰ হিয়াত যে এটা প্ৰলয়ৰ তুফান উঠিছিল ই নিশ্চয়। যি কি নহওক ন-বৌৱে মিচিকিয়াই হাঁহি হাতৰ ইঙ্গিতেৰে কেতেকীক বুজাই দিলে যে তাই যেন মোৰ খোটালিলৈ গৈ ধূনা দি আহে। কেতেকীয়ে মোৰ ফালে চাই অলপ হাঁহিবৰ চেষ্টা কৰি নিজৰ কৰ্ত্তব্যত ওলাই গল। ময়ো তাকে বিচাৰিছিলো। কৃতকাৰ্য্যতাত

উতলা হৈ ন-বৌৰ গুৰিৰ পৰা একেবাৰে আহি মোৰ ঘৰৰ ভিতৰ সোমাই মেল খাই থকা খিৰিকীখন বন্ধ কৰি দি, হাতত এনেয়ে কিতাপ এখন লৈ বিচনাত পৰি গাৰুটোত কিলাকুটি দি আউজি কাৰাবাৰ অপেক্ষাত ঘামি-জামি সময় কটাবলৈ ধৰিলো। উত্তেজনাত মোৰ বুকুৰ ধমনি বন্ধ হৈ গৈছিল। গোটেই গাটো কঁপি উঠিছিল। দুৱাৰবলৈ ঘন-ঘনকৈ চাবলৈ ধৰিলো। মই তাইৰ কাৰণে অস্থিৰ হৈ পৰিছিলোঁ।

আজি মই হাকিমৰ গাদীত অনুশোচনাৰ তীব্ৰ হলাহলত থৰ কাছুটি হেৰুৱাইও সেইদিনাৰ স্মৃতি অকণমানো হেৰুৱা নাই। বৰং সি আজি উজ্জ্বলতকৈও উজ্জ্বল হৈহে মোৰ চকুৰ আগত ভাহি উঠিছে। অলপ পিছতে কেতেকীয়ে হাতত ধূনা-দানীটো লৈ সোমাই আহিল। তাই মোক দেখি প্ৰথমতে অলপ থমকি ৰৈছিল। কিন্তু মই হাতৰ ইঙ্গিতেৰে আগবাঢ়িবলৈ কোৱাত তাই ধূনাদানীটোত ধূনা দি কোঠাটোৰ সিটো মূৰলৈ গৈ চুকে-কোণে ধূনাৰ ধোৱা দিবলৈ ধৰিলে। ইতিমধ্যে মই তাইৰ অজ্ঞাতে দুৱাৰখন বন্ধ কৰি দিলো। ধূনাৰ পৱিত্ৰ সৌৰভত মোৰ অন্তৰৰ সজাগ পিশাচটোৰ উচটনি আৰু দুগুণে বাঢ়িল। তাই যেতিয়া ধূনা দি শেহ কৰি মোৰ ফালে চালে মই ইঙ্গিতেৰে ধূনাদানীটো মেজখনত থবলৈ ক'লো। তাই থৈ, যাবলৈ বুলি দুৱাৰমুখলৈ চাওঁতে মই তাইৰ কাষলৈ গৈ হাত এখনত ধৰি টানি আনি মোৰ কাষ চপাই মুখলৈ চালো।

আচৰিত যে মোৰ ব্যৱহাৰত তাই অলপো বিৰক্তিভাৱ নে-দেখুৱালে। মাথোন লাজত তলমূৰ কৰিলে। তেতিয়া তাই মোত সম্পূৰ্ণৰূপে আত্মসমৰ্পণ কৰিছিল! কিয়নো মোৰ কামত তাই বাধা দিয়া দূৰত থাওক মোৰ বুকুত আৰু দৃঢ়ভাৱে জৰিত হৈহে পৰিছিল। সেই সময়ত মোৰ হিয়াত কিহৰ ধুমুহা বৈছিল কোনে ক'ব?

সকামৰ পিছতো কেতেকী আমাৰ ঘৰত এসপ্তাহমান আছিল। এই আটাই কেইদিনেই মোৰ যৌৱনৰ বসন্তোৎসৱ চলিছিল। মই লক্ষ্য কৰিছিলো—মোৰ এই পাপ আহ্বানলৈ কেতেকীয়ে একাগ্ৰচিত্তে সজাগ হৈ থাকে। এতিয়াহে বুজিছোঁ তাই কিয় তেনে কৰিছিল। কেতেকীয়ে মোক ভাল পাইছিল,—আঁকৰী সৰলা কুলী ছোৱালীয়ে মোকেই তাইৰ যৌৱনৰ আলহী স্বৰূপে গ্ৰহণ কৰিছিল। শিক্ষিত, আভিজাত্যাভিমানী মই, কেতকীয়ে মোৰ যৌৱনৰ আহাৰ যোগাইছিল সেয়ে যথেষ্ট আছিল। তাৰ বাহিৰে আনকথা ভাবিবৰো মোৰ অৱসৰ নহৈছিল, ইচ্ছাও নকৰিছিলোঁ। সেই আটাই কেইদিনেই কেতেকীয়ে মোৰ সকলো আল-পৈচান ধৰিছিল, আৰু তাইৰ নীৰৱ ভাষাৰে তাই মোক অন্তৰৰ কথা জনাবলৈ বৃথা চেষ্টা কৰিছিল। আমাৰ এই ভাৱ বৈলক্ষণ আনৰ চকুত ধৰা নপৰিলেও শিয়ান ন-বৌৱে সকলো বুজিছিল। কিন্তু অকণমান নতুন বোৱাৰী ন-বৌৰ পক্ষে মোক এই সম্পৰ্কে সাৱধান কৰাটো অসম্ভৱ আছিল। মাথোন

মাজে মাজে হাঁহি হাঁহি দুই এটা ঠাট্টা কৰিছিল। মই নিতান্ত ঠাট্টা বুলিয়েই সেইটো ধৰি লৈছিলো। এসপ্তাহৰ পিছত কেতেকী যেতিয়া পামলৈ যায়গৈ তেতিয়া তাই মোলৈ ঘনাই চাইছিল। আৰু কিবা কব খুজিছিল। কিন্তু প্ৰকৃতিৰ নিষ্ঠুৰতাত তাই প্ৰতিবাৰেই ব্যৰ্থ হব লগাত পৰিছিল। আজি হোৱা হলে তাইৰ সেই নীৰৱ বেদনা সহজে বুজিব পাৰিলোঁহেতেন। কিন্তু সেইদিনা তাইৰ বিদায়ত মোৰ লালসা চৰিতাৰ্থৰ অসুবিধা হব বুলি যি অলপ বেয়া লাগিছিল—তাৰ বাহিৰে আন একোভাব বৈলক্ষণ হোৱা নাছিল। হবই বা কিয় ? সামান্য কুলী আঁকৰী ছোৱালী এজনীৰ লগত হাকিমৰ পুতেক শিক্ষিত উচ্চাভিলাষী মোৰ সম্বন্ধ হব পাৰে কি ?

কেতেকী যোৱাৰ কিছুদিনৰ পিছত ফুৰি চাকি আহিবৰ কাৰণে ময়ো কলিকতালৈ গলোঁ। কলিকতালৈ গৈ বেমাৰত পৰিছিলোঁহি। তিনিমাহ মান বেমাৰৰ কাৰণে তাতেই থাকিব লগা হল। মই কলিকতালৈ যোৱাৰ পিছত হেনো কেতেকী কেইবাবাৰো আমাৰ ঘৰলৈ আহিছিল, আৰু ন-বৌক মোৰ কথা সুধি সুধি ব্যতিব্যস্ত কৰি তুলিছিল। এইবোৰ মই ন-বৌৰ চিঠিৰ পৰা জানিছিলোঁ। ন-বৌৱে এবাৰ লিখিছিল—"মই নাৰী, গতিকেই নাৰী হিয়াৰ নীৰৱ বেদনাৰ সম্ভেদ পাবলৈ সক্ষম হৈছিলো। যেতিয়া তাই তোমাৰ কথা সোধে তেতিয়া বেজাৰত মোৰ অন্তৰখন ভাগি যাব খোজে। কিন্তু তাইক মই সততে

সান্ত্বনা দিবলৈ চেষ্টা কৰোঁ। বোধকৰো নিষ্ঠুৰ পুৰুষৰ দ্বাৰা লাঞ্ছিত হৈছিল বুলিয়েই তাইৰ ওপৰত মোৰ মায়া বেছি হৈছিল।" আজি ন-বৌৰ এইবোৰ কথাৰ কৰুণতা ভালকৈ উপলব্ধি কৰিছোঁ। কিন্তু তেতিয়া সেইবোৰ পঢ়ি হাঁহি উৰাই দিছিলোঁ। বেমাৰ ভাল হোৱাৰ পিছতে বি. এ. পাছ কৰাৰ খবৰ পালো। তাৰ পিছত গুৱাহাটীলৈ আহি ই. এ. ছি. ৰ পৰীক্ষা দিলোহি।

সৌভাগ্যগুণে সেই বছৰেই হাকিমৰ গাদীত বহিলো। তেতিয়া মোক আৰু কোনে পায় ? নতুন আশা নতুন উদ্যমেৰে সংসাৰৰ নতুন ক্ষেত্ৰত প্ৰবেশ কৰিলো। বন্ধুৱে মোৰ কৃতকাৰ্য্যতাত অভিনন্দন জনালে, শত্ৰু ঈৰ্ষান্বিত হ'ল—মুখাফুটা সকলৰ পৰা প্ৰশংসা পালো। ক্ৰমে মোৰ যশস্যা কেউফালে মুখৰ হৈ উঠিল। লগে লগে আহিল বিয়াৰ ধুমুহা। কেতেকীৰ স্মৃতি পৰ্য্যন্ত তেতিয়া মোৰ লোপ হৈ গৈছিল। ন-বৌৱে মাথোন দুই এখন চিঠি দি তাইৰ খবৰ জনাইছিল। সেইবাৰে মোৰ খঙো উঠিছিল। এখন চিঠি দি কেতেকীৰ খবৰ দিবলৈ মানাও কৰিছিলো। তেওঁ তাৰ উত্তৰত লিখিছিল,—"এদিন বেচেৰীক সকলো দিব পাৰিছিলা আৰু নিৰ্লজ্জভাৱে তাইৰ হিয়াৰ সৰ্ব্বস্ব লৈ নিজৰ কামনাৰ পৰিতৃপ্তি লাভ কৰিছিলা। আজি কেতেকীৰ খবৰটোও শুনিব নোৱাৰানে ? তাইৰ বুকুৰ তেজেৰে যে তোমাৰ দুয়োখন ভৰি ৰঞ্জিত হৈ গৈছে সেইটো জানো বুজিছা ? হ'লাই বা তুমি ডাঙৰ মানুহ—হাকিম ! সেই বুলিয়েই কেতেকীৰ

দোষ হলনে ? তাইৰ আজি কি বিপত্তি ! গাত ছমাহ—সমাজৰ কলঙ্কিনী ভ্ৰুকুটিৰ পাত্ৰী ! সেইবাবে তুমিয়ে দোষী নহয়নে ? তাইৰ যদি খবৰটো শুনিবলৈকো বেয়া তেন্তে এই পাপত লিপ্ত হৈছিলা কিয় ? ইয়াৰ বিচাৰ জানো নহব ?" বিচাৰ ! হাঃ হাঃ, মই ন-বৌৰ লৰালি ভাবৰ চিঠিত হাঁহি উঠিছিলোঁ । কোনে কৰিব বিচাৰ ? ময়ে যে বিচাৰপতি ! এতিয়া মোৰ ওপৰতহে আনৰ বিচাৰ কৰাৰ ভাৰ । মোৰ ন্যায় অন্যায়ৰ বিচাৰ কৰিবৰ ক্ষমতা আনৰ নাই । আজি হোৱা হলে ন-বৌৰ সেই বাক্‌চাতুৰ্য্যহীন সৰল চিঠিখনে মোলৈ আন এটা ভাৱৰ প্ৰৱাহ আনিলেহেতেন। কিন্তু,—যাওক ! ন-বৌলৈ এই সম্পৰ্কে আৰু একো নিলিখিলো। তেৱোঁ নিলিখা হল ।

দেউতা আৰু ককাইদেৱে মোৰ বিয়াৰ কাৰণে ধুম-ধাম লগাবলৈ ধৰিলে । চহৰতে পুলিচ্ছ চুপাৰিণ্টেণ্ডেণ্টৰ জীয়েক নিৰুপমাৰ লগত বিয়া হৈ গল । শিক্ষিতা সুন্দৰী নিৰুপমাই মোৰ হাকিমি হিয়া দুদিনতে জয় কৰি পেলালে । নিৰুৱে গান গায়, হাৰমনিয়ম বজায়, নভেল নাটক পঢ়ে, ওখ ধৰণৰ কথা পাতে। ইয়াতকৈ আৰু মোক কি লাগিছে ? মই সম্পূৰ্ণ সুখী হৈছিলো । ঘৰতো সকলো সুখী হৈছিল । কিন্তু ন-বৌৱে নিশ্চয় মোৰ বিয়াত ভালপোৱা নাছিল । কাৰণ তেওঁ অসুখ বুলি মাকৰ ঘৰৰপৰা মোৰ বিয়ালৈকো নাহিল । বিয়া হৈ যোৱাৰ পিছত মোলৈ চিঠি-পত্ৰও দিবলৈ এৰি দিলে । সেয়ে অলপ আঘাত

কৰিলেও মই তাৰ কাৰণে বৰ বেছিকৈ নাভাবিছিলো, আৰু ভাবিবলৈকো সময় নাপাইছিলো । তৰুণী পত্নীৰ স্নেহ আৱেষ্টনীত আৰু হাকিমৰ কৰ্ত্তব্য বান্ধোনত সংসাৰৰ আন কথা একৰকম পাহৰিয়েই গৈছিলো । এটা আত্ম সেৱাৰ ভাবে মোক সকলোৰে পৰা আতৰাই ৰাখিছিল ।

দাম্পত্য জীৱনৰ ছমাহ মানৰ পিছতে ন-বৌৰ পৰা হঠাৎ এখন চিঠি পালো । কিয় কব নোৱাৰো চিঠিখন হাতত লৈয়ে মোৰ অন্তৰখন অলপ কঁপি উঠিল, অফিছ ৰুমতে চিঠিখন খুলি পঢ়িবলৈ ধৰিলো । বহুত কথাৰ পিছত কেতেকীৰ সম্পৰ্কে লিখিছে,—"ক্ষমা কৰিবা, দুৰ্ভাগিনী কেতেকীৰ কথা নিলিখোঁ বুলিও কিয় জানো লিখিলো । হয়তো তোমাৰ স্মৃতিৰ পৰা তাই একেবাৰে আঁতৰি গৈছে । কিন্তু মোৰ ওচৰৰ পৰা তাই কালিহে আঁতৰি গৈছে যদিও তাইৰ সকলো স্মৃতি সজাগ হৈয়ে আছে । সামান্য কুলীৰ ছোৱালী, প্ৰকৃতিৰ নিদাৰুণ দৃষ্টিত আকৰী কেতেকীৰ কাৰণে তোমাৰ হিয়াই নাকান্দিলেও মোৰ হিয়াখনে হাহাকাৰ কৰি উঠিছে । হায়, তায়ো যে তেজ-মঙহেৰে গঠিত মানুহ, তাইৰো যে এখন মানুহৰ হিয়া আছে । কিন্তু নিৰ্ম্মম পুৰুষৰ অত্যাচাৰত তাইৰ সকলো ভাগি চূৰমাৰ হৈ গল । আজি দুমাহৰ আগতে তাইৰ এটা লৰা হৈছিল, ঠিক দেৱশিশুৰ দৰেই সি তাইৰ কোলালৈ নামি আহিছিল । মাক-বাপেক, ওচৰ চুবুৰীয়াৰ দ্বাৰা লাঞ্চিত হলেও মই তাইক সকলো প্ৰকাৰে সহায়

কৰিছিলো। ককাইদেৱৰাৰ পৰা টকা খুজি তাইৰ কাৰণে ধাত্ৰী আদি ঠিক কৰি দিছিলো। লৰাটো ঠিক তোমাৰ দৰেই হৈছিল। লৰাটো পাই তাইৰ কি আনন্দ! ভাষাৰে সেই আনন্দ ব্যক্ত কৰিব নোৱাৰিলেও চকু-মুখৰ ভাৱত সি নীৰবে প্ৰকাশ হৈ পৰিছিল।

"আনে বুজিছিল নে নাই কব নোৱাৰো; মই হলে বুজিছিলো তাইৰ এই আনন্দ কিয় হৈছিল। মাতৃত্বৰ গৌৰৱত, নাৰীত্বৰ পূৰ্ণবিকাশত তাইৰ কোলা শুৱনি কৰিছিল এই দেৱ শিশুৱে। তাতে সি আছিল তোমাৰ দান। তাই তাইৰ সকলো দুখ কষ্ট এই শিশুটিৰ অস্তিত্বৰ অনুভৱতেই পাহৰি পেলাইছিল। কিন্তু নিষ্ঠুৰ নিয়তিয়ে দুমাহ নৌহওঁতেই প'ৰহি সন্ধিয়া তাইৰ সৰ্ব্বস্ব, হিয়াৰ মাণিকটিক লৈ গল। আকৰীৰ কি বেদনাভৰা করুণ আৰ্ত্তনাদ! মোৰ বিশ্বাস হৈছিল তাইৰ বুকুভৰা কান্দোনত নিষ্ঠুৰ বিধতাৰ হিয়াও দ্ৰৱ হৈ গৈছিল। মই পাৰ্য্যমানে তাইক সান্ত্বনা দিছিলোঁ। কিন্তু সি অৰণ্যৰোদনত পৰিণত হৈছিল। তোমাক তাইৰ অন্তৰৰ কথা কেনেকৈ বুজাম? মই নাৰী হৈয়ো তাইৰ বেদনাৰ সীমা উপলব্ধি কৰিব নোৱাৰিছিলোঁ। আৰু তুমি—থাওক! কালি ৰাতিপুৱা শুই উঠি কেতেকীক চাবলৈ গৈ দেখো যে তাই তাত নাই। বোধকৰো বেজাৰত কৰবালৈ গুচি গৈছে। ককাইদেৱৰাক বিচাৰিবলৈ কৈছোঁ,—কিন্তু পোৱাৰ আশা নাই। কেতেকীৰ হিয়াভৰা বেদনাৰ বাবে পুৰুষৰ নিৰ্লজ্জ

নিষ্ঠুৰতাই জানো দায়ী নহয়?" মোৰ শিলৰ হিয়াও কেতেকীৰ অৱস্থাৰ এই করুণ বৰ্ণনাত অলপ সময়লৈ হলেও স্তব্ধ হৈ গৈছিল। কিন্তু সি অলপ সময়ৰ কাৰণেহে। চিঠিখন পঢ়ি উঠি আৰু কোনোবাই দেখে বুলি ফালি পেলালো। কাৰণ মই জানিছিলো যে মোৰ এই কীৰ্ত্তিৰ কথা আনে গম পালে সি মোৰ পক্ষে সুবিধাজনক নহব।

আজি বোধকৰো তাৰেই প্ৰায়শ্চিত্তত মোৰ অন্তৰখন তিল তিলকৈ পুৰিবলৈ ধৰিছে!—মোৰ একমাত্ৰ বংশধৰ মাতৃহাৰা মিনিক বুকুত লৈ। ন-বৌৱে বোধহয় মোৰ এই প্ৰায়শ্চিত্তৰ কথা আগেয়ে গম পাইছিল। সেইবাবেই মোক বাৰে বাৰে সাৱধান কৰিছিল! মুৰ্খ, অন্ধ মই!—ডেকা তেজৰ উত্তেজনাৰে তাৰ মৰ্ম্ম উপলব্ধি কৰিব নোৱাৰিছিলো। উস্ কি নিৰ্ম্মম নিষ্ঠুৰ পোৰণি!

ন-বৌৰ পৰা সেইখন চিঠিৰ পিছত আৰু চিঠি নাপালো। তেওঁ আজি সংসাৰধামত নাই। মোৰ নিৰুৰ লগতে কালে তেওঁকো কৰবালৈ লৈ গৈছে। নিৰুৰ ছোৱালী এটা হৈয়েই দুবছৰ পিছতে স্বৰ্গী হল—মোক মোৰ পাপৰ প্ৰায়শ্চিত্ত কৰিবলৈ সংসাৰত অকলে এৰি থৈ। দুখে বেজাৰে ছোৱালীটিকে লৈ আছিলো। আৰু তাইক কেন্দ্ৰ কৰিয়েই ভবিষ্যতৰ সংসাৰ ৰচনা কৰিছিলো। মৰমতে তাইক মিনি বুলি মাতিছিলো। ককাইদেৱে আকৌ বিয়া কৰাবলৈ কৈছিল। দেউতা আগতে ঢুকাল।

আয়েও বিয়াৰ কাৰণে বৰকৈ খাটিছিল। কিন্তু মই যি কাৰণেই নহওক আকৌ বিয়া নকৰালো। মিনি ক্ৰমে ডাঙৰ হল। এবছৰ দুবছৰকৈ তিনি বছৰ হলহি—তথাপি তাইৰ মাত নুফুটিল। ভাবিলো আৰু বয়স হলে মাত ফুটিব। কিন্তু আজি নবছৰেও যেতিয়া তাইৰ মাত নুফুটিল তেতিয়া আৰু বুজিবলৈ বাকী নাথাকিল যে মোৰ চেনেহী জীয়াৰী মিনি বোবা হল। স্বৰ্গীয়া নিৰুৰ আদৰৰ দান মিনিৰ শব্দহীনতাই মোৰ হৃদয়ৰ সকলো চুৰমাৰ কৰি দিলে। ভৱিষ্যতৰ সকলো আশাৰ ওপৰত যৱনিকা পৰিল। আকৰী মিনিয়ে মোক অতীতৰ সেই করুণ ঘটনাটোৰ স্মৃতি মনত পেলাই দিলে। আজি তাৰ অনুতাপতে মই দগ্ধ হব লাগিছোঁ। মোৰ জীৱনৰ শেহ পৰ্য্যন্ত ই এইদৰেই জ্বলি থাকিব।

মিনিৰ নিৰ্ব্বাক মূৰ্ত্তিয়ে কেতেকীৰ প্ৰতি মই কৰা অন্যায়ৰ কথাকে আজি সোঁৱৰাই দিছে! আৰু তাৰ কাৰণেই মোৰ চকুত সুন্দৰ জগতখন আজি কুৎসিত হৈ পৰিছে। হায়! কোনে কব ই কেতেকীৰে অভিশাপনে প্ৰকৃতিৰে প্ৰতিশোধ।...

নিষ্কৃতি

গাওঁখনৰ ভিতৰত গুণাই মেধি এজন ধনে-ধানে লেখত লব লগীয়া লোক। তেওঁৰে ছোৱালী সেউতী। আজি কিছু-দিনৰ পৰা সেউতীৰ বিয়াৰ কাৰণে বাপেক গুণাই মেধিয়ে দৰা বিচাৰি ফুৰিছে। বামুণৰ ছোৱালী। যোৱা বহাগেই বাৰ বছৰ উকলি তেৰ বছৰত সোমাল। গতিকে নৈষ্ঠিক আৰু সমাজৰ বৰ-মূৰীয়া মেধি জীয়েকৰ বিয়া লৈ উদগ্ৰীৱ হৈ পৰা একো আচৰিত কথা নহয়।

দৰাও জানো সহজতে পোৱা যায়! বামুণৰ ছোৱালী নহৈ ধৰিবা কালহে। যাৰ ওচৰলৈকে যোৱা যায় সেয়ে কিবানবো আপত্তি দেখুৱাব। কাৰোবাৰ হয়তো বয়স কম, কোনোৰে এই বছৰ বিয়া নকৰায়, কোনোৰ আকৌ হয়তো বা ঘৰত লেঠা আছে ইত্যাদি কত ৰকমৰ কথা। অৱশ্যে মেধিয়ে অলপ খৰচ-ভৰচ দিলে ভাল দৰাকে পায়। কিন্তু টকা দি দৰা কিনিবলৈ মেধি কোনোমতেই সন্মত নহয়। ঘৈণীয়েক সোণতৰাই তেও কৈছিল যে যি নহওক টকা দি হলেও ভাল ল'ৰা এটাত হে সেউতীক বিয়া দিব লাগে। টকা ভগন হলেও তেও নিজৰ ছোৱালীহে সুখত থাকিব, এইকথাত মেধি অগ্নিশৰ্ম্মা হৈ উঠিল। বুঢ়া-ককাৰ দিনত নোহোৱা নোপোজা কাম কৰি তেওঁৰ পূৰ্ব্ব পুৰুষ সকলক ৰৌ-ৰৌ নৰকত পেলাব নোৱাৰে। মেধিৰ কথাৰ যে

লৰচৰ নাই এইকথা বুজিয়েই বেচেৰী সোণতৰা মনে মনে থাকিল। অন্তৰতে মাথোন ঈশ্বৰক প্ৰাৰ্থনা কৰিলে যেন সেউতীলৈ এটা ভাল দৰা মিলায়।

দৰা অৱশ্যে মিলিল। মেধিয়ে ঘৈণীয়েকক কলেহি "দেখিলি এতিয়া, মই কৈছিলো নহয়। মই যদি অমুকা মেধি হওঁ তেন্তে টকা নিদিয়াকৈয়ে ছোৱালীলৈ দৰা উলিয়ামেই। দৰাও জানো যেনে তেনে দৰা। ধনে-ধানে, মানে-সন্মানে সকলো পিনে বৈ বৈ যোৱা। এই আষাৰৰ ১৩ দিন যোৱাতে বিয়াৰ দিন ঠিক কৰি আহিছো। আমি মাথোন যোগাৰ কৰিলেই হল। কাইলৈ দৰা ঘৰৰ পৰা ছোৱালী চাবলৈ মানুহ আহিব। কিবা-কিবি অলপ খুৱাবলৈ যোগাৰ-পাতি কৰি থবি।" সংসাৰৰ ভু নোপোৱা আজলী ঘৈণীয়েকে মেধিৰ কথাতে হয় দিলে। জীয়েকলৈ যে দৰা এটা পাইছে এই খবৰতে মেধিয়নী সন্তুষ্ট হল।

পাছদিনা যথাসময়ত দৰা-ঘৰৰ পৰা মানুহ আহি ছোৱালী চাই গ'লহি। দৰা-ঘৰৰ মানুহে ছোৱালী দেখি ভাল বুলি শলাগিলে। লগে লগে বিয়াৰো বন্দবস্ত হৈ গ'ল। মেধিয়ে ভাল পালে বোজা এটা খহিব বুলি আৰু মেধিয়নীয়ে ভাল পালে জীয়েকলৈ দৰা এটা মিলিল বুলি।

কিন্তু দুই এদিনৰ ভিতৰতে গাঁৱত তিৰোতা মহলত প্ৰচাৰ হৈ পৰিল যে গুণাই মেধিয়ে জীয়েকক দুজনী তিৰোতাৰ মূৰ-খোৱা বাপীৰাম শৰ্ম্মালৈ দিবলৈ স্থিৰ কৰিছে। আৰু তাৰ লগে

লগে এইটোও বু-বু-বা-বা হ'ল যে ইয়াৰ বাবে বাপীৰামে মেধিক নগদ দুশ টকা ৰূপ দিছে। ক্ৰমে এই কথা গৈ সোণতৰাৰ কাণত পৰিলগৈ। সোণতৰাই জীয়েকৰ ভবিষ্যতৰ আশঙ্কাত ভাবি-চিন্তি অস্থিৰ হবলৈ ধৰিলে।

সেইদিনা নিশা ভাত পানী খোৱাৰ পাছত সোণতৰাই হোকা চিলিম যোৰ লৈ গিৰীয়েকৰ ওচৰলৈ গল; তাৰ পাছত ভয়ে ভয়ে জীয়েকৰ বিয়াৰ কথা উলিয়ালে। ই সি কথাৰ পাছত দৰাৰ বয়সৰ বিষয়ে সোণতৰাই যি শুনিছিল সেই কথাও ক'লে। কথা শুনি গিৰীয়েক গৰ-গৰাই উঠিল, "তোক এইবোৰ মিছামিছি কথা কোনে ক'লে? বুজিছোঁ, এইবোৰ নিশ্চয় মোৰ শত্ৰুৰ কাম! শত্ৰুয়ে কি নকয়! সেই বুলিয়েই সেইবোৰ কথালৈ কিবা কাণ দিব লাগিবনে? তইত তিৰোতা মানুহ—মই যি কৰোঁ তাত মাতিবৰ একো দৰকাৰ নাই।" ইয়াৰ ওপৰত সোণতৰাই আৰু কি কব? ক'লে জানো ৰক্ষা আছে। এনে অভিজ্ঞতা আগেয়ে একাধিকবাৰ সোণতৰাই গিৰীয়েকৰ পৰা পাই আহিছে। গতিকে অদৃষ্টৰ হাততে সকলো অৰ্পণ কৰি লাহে লাহে গিৰীয়েকৰ ওচৰৰ পৰা গুচি আহিল। কিন্তু তেওঁৰ মনৰ শান্তি সেই-দিনাৰে পৰা নোহোৱা হ'ল। মৰমৰ জীয়েকৰ কথা ভাবি ভাবি তেওঁ পেটৰ ভাত আৰু নিশাৰ টোপনি এৰিলে।

সকলো অৱস্থা লক্ষ্য কৰি কিবা বিঘিণিৰ আশঙ্কাত মেধিয়ে বিয়াৰ সকলো যোগাৰ পাতি মনে মনে কৰিবলৈ ধৰিলে।

যথা সময়ত বিয়াৰ দিন আহি পৰিলহি। মেধিৰ তদাৰকত সকলো কাম সুচাৰুৰূপেই হবলৈ ধৰিলে। সোণতৰাই গিৰীয়েকৰ ভয়ত পুতলাৰ দৰে সকলো কাম কৰি যাবলৈ ধৰিলে।

নিশা দৰা আহিল। কন্যা ঘৰত যেনেকৈ বৰ মানুহ দুনুহ নাই, সেইদৰে দৰা ঘৰৰো ত্নই চাৰি জনৰ বাহিৰে কোনো মানুহ নাই। মেধিয়ে ঘৈণীয়েকক কঠোৰ আদেশ শুনাইছে যে তেওঁ দৰা আদৰিবলৈ যাব নোৱাৰে। যি কৰিব লাগে মেধিয়েই কৰিব। এই আদেশত সোণতৰাৰ মানুহৰ মুখে দৰাৰ বিষয় শুনা কথা সচাঁ বুলি অনুমান হল, তেওঁৰ মন আৰু বেয়া হবলৈ ধৰিলে।

কিন্তু তেওঁ কৰিব কি? উপায়হীন শক্তিহীন নাৰীৰ চকুলোৱেই একমাত্ৰ সম্বল। সোণতৰাইও চেনেহৰ সন্তানৰ ভৱিষ্যতৰ কথা ভাৱি নীৰৱে চকুলো টুকিবলৈ ধৰিলে।

ছোৱালী হোমৰ গুৰিলৈ নিওঁতে সোণতৰাৰ মনটো চিৰিং কৰে উঠিল! এবাৰ জীয়েকৰ মুখখনলৈ চাই তেওঁৰ বুকুখন শিয়ৰি উঠিল। তেওঁ লৰা-লৰিকৈ মুখ ঘূৰালে। মনে মনে সৰ্ব্বনিয়ন্তা পৰমেশ্বৰৰ নাম ললে।

ছোৱালী সম্প্ৰদানৰ পাছত বিয়া চাবলৈ বা দৰা চাবলৈ অহা কৌতূহলপ্ৰিয় গাৱঁৰ জীয়ৰী-বোৱাৰী ত্নই চাৰিজনীয়ে ভিতৰলৈ আহি ত্নশ্চিন্তাত ম্ৰিয়মান সোণতৰাক সম্বাদ দিলেহি যে এনে আধা বুঢ়াটোলৈ এই সোণৰ নিচিনা ছোৱালীজনী দি জীয়া জুইতহে পোৰা হ'ল! বাতৰি শুনাৰ লগে লগে

সোণতৰা গৈ বিচনাত পৰিলগৈ। সেই পৰাৰ পৰা তেওঁ আৰু নুঠিল। ৰাতিপুৱা মাথোন এবাৰ উঠি আহি জীয়েক সেউতীক কিবা অলপ খাবলৈ দিলেহি। জীয়েকৰ মুখলৈ চাই সোণতৰাই হুক্-হুক্‌কৈ কান্দি পেলালে। আজলী সেউতীয়ে একো বুজিব নোৱাৰি মাকৰ মুখলৈ অবাক হৈ চাই থাকিল। মনে মনে ভাবিলে যে বাপেকে কিবা কোৱাৰ কাৰণেহে বোধ হয় মাকে এনেকৈ কান্দিছে। তাইৰ মনে মনে বাপেকলৈ খঙ উঠিল।

বিয়াৰ সকলো কাম হৈ গ'ল। মেধিৰ দুৰ্ভাৱনাৰ অন্ত পৰাৰ লগে লগে সোণতৰাৰ চিন্তা আৰু উৎকণ্ঠা বাঢ়িল।

জীয়েক সেউতীৰ অৱস্থা পৰিবৰ্ত্তন একো নহল, মাথোন-মূৰত সেন্দূৰৰ ফোট এটা মূৰ আচোৰোঁতে কপালৰ ফোটটোৰ লগতে বেছিকৈ লব লগীয়া হ'ল।

—আ—

বাপীৰামৰ বয়স তিনি কুৰিৰ ওচৰা ওচৰি। ত্নজনী বিয়া কৰাই এজনীৰ পৰাও তেওঁ সন্তানৰ মুখ নেদেখিলে, সেই ত্নখতে তেওঁ দ্বিতীয় পক্ষৰ মৃত্যুৰ নৌ বছেৰেক পূৰ হওঁতেই তৃতীয় বাৰ বিয়া কৰাই ভাগ্য পৰীক্ষা চাবলৈ মন মেলে। এনেতে দৰা বিচাৰি হাবাথুৰি খাই ফুৰা শিহান মেধিয়ে এই কথাৰ গম পাই বাপীৰামৰ কাষ চাপে। কোৱা বাহুল্য যে অতি অলপ আয়াসতে মেধিৰ বাপীৰামৰ লগত বন্দবস্ত পকা হয়। ভৱিষ্যদৰ্শী মেধিয়ে

বুজিছিল যে সন্তান-সন্ততিহীন বাপীৰামৰ মৰিবলৈ বেছি বয়স নাই। গতিকে তেওঁ পুৰুহিতালি কৰি আৰ্জ্জি যোৱা অসংখ্য ধন সম্পত্তি আৰু মাটি-বাৰীৰ উত্তৰাধিকাৰী হব বিয়া দিলে তেওঁৰ জীয়েক সেউতীয়েই। এনেস্থলত এনে এটা সুযোগ এৰি দিয়াতো নিশ্চয় জ্ঞানী জনৰ কাম নহব। সাতে সোতৰে মেধিয়ে ঘৈণীয়েকৰ আপত্তি বা গাৱঁৰ আন লোকৰ কণা-কণিলৈ কাণ নিদি তেওঁৰ মতে জীয়েকৰ ভৱিষ্যতৰ ভালৰ কাৰণেই বাপীৰাম শৰ্ম্মালৈ জীয়েকক বিয়া দিয়াৰ ঠিক কৰিলে। অৱশ্যে বাপীৰামৰ লগত এইটো বন্দৱস্ত আগতেই হৈ গৈছিল যে বাপীৰামৰ মৃত্যুৰ পাছত তেওঁৰ সমস্ত সম্পত্তিৰ ওপৰত তেওঁৰ জীয়েক উত্তৰাধিকাৰী হব। আৰু মেধি তাৰ অচি থাকিব। ইয়াৰ উপৰিও বিয়াৰ খৰচ বাবদ বাপীৰামে মেধিক দুশ টকা ধন দিব।

বিয়া হৈ যোৱাৰ ছমাহৰ পাছত সেউতীৰ কন্যাকাল হ'ল। বাপীৰামে সাত দিনৰ দিনাই আহি শান্তি ললেহি। মাক সোণতৰাই চকুলো টুকি টুকি জীয়েকক কাপোৰ কানি পিন্ধাই উলিয়াই দিলে। মাকক এৰি যাব লাগিব বুলি সেউতীয়েও অলপ কান্দিলে। মেধি কিন্তু নিৰ্ব্বিকাৰ। তেওঁ মাথো দুই এজনৰ আগত কলে 'হওক তেও ছোৱালীটোৰ গতি লগাব পৰা হল। মোৰ এই এটা বৰ চিন্তা আছিল। তাইৰ ভৱিষ্যতৰ এটা দিহা লগাব পাৰিহে মোৰ শান্তি হৈছে। পুৰুষৰ বয়সনো কি ?

বাপীৰামৰ একো বয়স হোৱা নাই। প্ৰভুৱে নকৰক কিবা এটা হলেও তাই আগলৈ একো দুখ নাপায়। তাৰ বাবে বাপীৰামে যথেষ্ট যুগুতি কৰি থৈছে।' এই কথাত তেওঁৰ আগত সকলোয়ে 'হয়' 'হয়' কৰিলে। বাটত ওলাই দুই এজনে কোৱা কুই কৰিলে "বাপীৰামে যুগুতি অৱশ্যে কৰিছে। পিছে সেউতীলৈ নহয়—মেধিলৈহে।"

শান্তি কৰোৱাৰ এমাহৰ পিছত সেউতীয়ে বগা ৰিহা মেখেলা পিন্ধি উদং কপালেৰে আহি মেধিৰ ঘৰ সোমালহি। সোণতৰাই জীয়েকক দেখি "মোৰ আই অ'" বুলি কপাল চপৰিয়াই মাটিত ধাচ্ কৰে পৰিল। মেধিয়ে মাথোন ক'লে "ছোৱালীৰ কপাল ভাল নহয়।" সেউতী আগৰ দৰেই ভাৱ চিন্তাহীন সৰল সহজ। তাই গিৰীয়েকৰ ঘৰৰ পৰা আহিব পাৰি ভালেই পাইছিল। কিয়নো এই দুদিনতে বৈবাহিক জীৱন তাইৰ অসহ্য হৈ উঠিছিল। বাপীৰামৰ পুৱাৰ পৰা গধূলিলৈকে আল ধৰোতেই তাইৰ ধৈৰ্য্যচ্যুতি ঘটিছিল। ৰাতিপুৱা শুই উঠি দঁপাত লগাই দিয়া, ভাঙৰ যোগাৰ কৰি দিয়া, খেকাৰ পেলাবলৈ পিক্‌দানি জতাই দিয়া, ঘনাই ঘনাই চাহপানী কৰি দিয়া ইত্যাদি নানা অনভ্যস্ত কাম কৰি কৰি সেউতীৰ আনফালে অৱসৰ লবৰ অলপো আহৰি নাছিল। তাৰ উপৰি কিবা এটা দিওঁতে অলপ দেৰি হলেই বাপীৰামৰ অকথ্য গালি-শপনি, সময়ত কিলটো ভুকুটোও আছে। এতিয়া তেও তাই মাকৰ কোলাত মূৰটো

থৈ অলপ শান্তিৰ নিশ্বাস লব পাৰিব। পিছে, বিধিৰ বিধান অন্য ৰকমৰ। সেউতীয়ে আহৰি লবলৈ নাপালে।

সোণতৰাৰ জীয়েকৰ বিয়াৰ পাছৰে পৰা মন ভাল নাছিল। গিৰীয়েকৰ নানা অত্যাচাৰত তেওঁৰ শৰীৰ আৰু মন দুয়োটাই ভাগি পৰিছিল। জীয়েকৰ বিয়াৰ পাছত সেয়ে আৰু বেছি হবলৈ ধৰিলে। যেতিয়া সেউতীৰ গিৰীয়েক বাপীৰাম মৰা বুলি শুনিলে তেতিয়া তেওঁৰ অন্তৰ তেনেই ভাগি পৰিল। এতিয়া আৰু তেওঁ বিচনাৰ পৰা উঠিবই নোৱাৰা হ'ল। জীয়েকে পাৰেমানে মাকৰ শুশ্রূষা কৰিবলৈ ধৰিলে। ঘৰৰো সকলো কাম তাইৰ ওপৰতে পৰিল—গতিকে সেউতীৰ আৰু আহৰি ক'ত? চাই থাকোতে থাকোতে মাকৰ আৰু টান হবলৈ ধৰিলে। পেটত আহাৰ পানী নাই—ইফালে কোনো চিকিৎসাও নাই। সেউতীয়েই বা কৰিব কি? তাই যি পাৰে কৰিছে। কিন্তু নিয়তিৰ বিধান অপৰিহাৰ্য্য। তাইৰ সকলো প্ৰাৰ্থনা, সকলো যত্ন আওহেলা কৰি সোণতৰা অনন্তধামৰ ফালে গতি কৰিলে। মৰাৰ আগতে প্ৰলাপত তেওঁ মাথোন মাজে মাজে "মোৰ আই অ'" "মোৰ আই অ'" বুলি চিঞৰি উঠিছিল। সেউতীয়ে মাকৰ ডিঙিত ধৰি চিঞৰি কান্দিবলৈ ধৰিলে। কি কৰুণ তাইৰ কান্দোন! মেধি কিন্তু নিৰ্ব্বিকাৰ। তেওঁ মাথোন "হৰি ৰাম" বুলি দুবাৰমান নাম ললে। সোণতৰাৰ মৰা দেহ শ্মশানলৈ নিবলৈ অহা মানুহৰ আগত্ৰ তেওঁ ঘৈণীয়েকৰ সতীত্বৰ কথা কৈ দুখ কৰিবলৈ

ধৰিলে। সকলোৱে বুজিলে এইবোৰ মেধিৰ মুখৰ বেজাৰ মাথোন। আচলতে যে মেধিয়ে ঘৈণীয়েক মৰাত ভালহে পাইছিল এইকথা কাৰো অবিদিত নাথাকিল।

ধৰ্ম্মপ্ৰাণ মেধিয়ে ঘৈণীয়েকৰ অন্ত্যেষ্টিক্ৰিয়াৰ সকলো কাম যথানিয়মে সমাধা কৰিলে, অৱশ্যে দূৰদৰ্শী মেধিৰ কোনো বস্তুৰ যেন অযথা খৰচ নহয় তাৰ প্ৰতি বিশেষ লক্ষ্য আছিল।

ইয়াৰ পাছত মেধিৰ ঘৰৰ সকলো ভাৰ পৰিল সেউতীৰ ওপৰত। সেউতীয়ে নীৰৱে সকলো কাম কৰি যাবলৈ ধৰিলে। মেধিয়ে ইমান বিপদতো মৃত বাপীৰামৰ সম্পত্তিৰ তদাৰক কৰিবলৈ পাহৰা নাছিল। তেওঁ জিলালৈ গৈ উকীলৰ পৰামৰ্শ লৈ জোঁৱায়েকৰ সকলো মাটি-বাৰী জীয়েকৰ নামত কৰি ললে। অৱশ্যে জীয়েকৰ অবৰ্ত্তমানে সমস্ত সম্পত্তি মেধিয়ে পাব পাৰিব। এই সূত্ৰে কিবা-কিবি দুই এখন কাগজত জীয়েকৰ চহীও ললে। সংসাৰৰ ভু নোপোৱা সেউতীয়ে এইবোৰৰ একো বুজ নাপালে।

—ই—

সেউতীৰ দুখে সুখে তথাপিও দিনবোৰ যেনে তেনে গৈছিল। কিন্তু মাক মৰাৰ নৌ ছমাহ হওঁতেই যেতিয়া বাপেকে আকৌ এজনী বিয়া কৰাই ঘৰ সুমালেহি সেইদিনাৰ পৰা সেউতীৰ আৰু শান্তি নোহোৱা হ'ল। প্ৰতি কথাতে সেউতীয়ে বাধা পাবলৈ ধৰিলে। বাপেকৰো মমতা তাইৰ ওপৰত কমি যাবলৈ ধৰিলে।

ক্রমে সেউতীৰ সকলো ক্ষমতা লোপ হৈ এজনী বান্দীৰ শাৰীত পৰিলগৈ। ঘৰৰ বাহিৰৰ, ভিতৰৰ সকলো কাম তাই কৰে আৰু দুবেলা দুমুঠি তাই খাবলৈ পায়।

ইয়াৰ পাছত সেউতীৰ আৰু এটা নতুন আধ্যায় আৰম্ভ হ'ল।

সকলো ফালে নিঃস্ব হলেও সেউতীক প্ৰকৃতিয়ে হলে অনুগ্ৰহ কৰিছিল উন্মুক্ত হস্তে। সৌন্দৰ্য্য আছিল তাইৰ অতুলনীয়। তাতে এতিয়া যৌৱনৰ পূৰ্ণবিকাশত তাইৰ ৰূপৰ জ্যোতি আৰু প্ৰস্ফুটিত হৈ উঠিল। এইকথা লাহে লাহে সেউতীয়েও অনুভৱ কৰিবলৈ ধৰিলে। কিবা এটা পাবৰ আকাঙ্ক্ষাই তাইক মাজে মাজে উদ্‌ভ্ৰান্ত কৰি তোলে। কামৰ হেঁচাত অৱশ্যে তাই বৰকৈ ভাবিবলৈ অৱসৰ নাপাইছিল। তথাপিও বলিয়া ফাগুনৰ পৰশত তাইৰ যৌৱনপূৰ্ণ হিয়াত সময়ত মাদকতাৰ সঞ্চাৰ হয়! প্ৰকৃতিৰ ওপৰত তাইৰ কোনো ক্ষমতা নাছিল।

ফুল ফুটিলে ভোমোৰাৰ অভাৱ নাই। সেউতীৰ ৰূপে তাইৰ ওচৰলৈ বহুতকে টানি আনিলে।

বিপিনচন্দ্ৰ ভট্টাচাৰ্য্য আছিল মৌজাদাৰৰ পুতেক। সেউতী-হঁতৰ ঘৰৰ ওচৰতে। বিপিনে চাৰি বছৰেও প্ৰৱেশিকা পৰীক্ষাৰ দেওনাখন পাৰ হব নোৱাৰি এতিয়া ঘৰতে থাকি বাপেকৰ লগত মৌজাৰ কাম শিকিছে। লগে লগে গাৱঁত এটা যাত্ৰা পাৰ্টি খুলিছে। গান-বাজনা আৰু ভাও দিয়াত আন ঠাইত নহলেও

গাৱঁত বিপিনৰ বৰ নাম; আছিল। এই সুযোগতে তেওঁ এটা যাত্ৰা পাৰ্টি খুলি তাৰ চেক্ৰেটৰী তথা সৰ্ব্বাধ্যক্ষ হোৱাৰ লালসা এৰিব নোৱাৰিলে।

বিপিন মাজে মাজে সেউতীহঁতৰ ঘৰলৈ যায়। মেধিয়ে নতুনকৈ বিয়া কৰাই অনা ঘৈণীয়েক মণিমালাৰ ফালৰ পৰা বিপিনৰ কিবা লেটা পেটাও লাগে। বিপিনক সেউতীৰ মাহীয়েক মণিমালাই "দাদা" বুলি মাতে। এই আলমতে তেওঁ সেউতীহঁতৰ ঘৰৰ ভিতৰলৈকো অবাধে যাব পাৰে। মাহীয়েকৰ দাদাৰক যেতিয়া সেউতীয়ে বিপিনক 'মামা' বুলি মাতে।

বিপিনৰ চকুত সেউতীৰ অনুপম ৰূপ বেছি দিন লুকাই নাথাকিল। তেওঁ লাহে লাহে সেউতীৰ লগত ঘনিষ্ঠতা বঢ়াবলৈ ধৰিলে। সেউতীয়ে তাত কোনো আপত্তি নকৰিলে। কাৰণ এফালে সেউতীৰ অন্তৰত যৌৱনৰ উখল-মাখল, আনফালে ধনীৰ ল'ৰা ৰূপবান ডেকা বিপিনৰ নানা কৌশলপূৰ্ণ তোষামোদ। কাজেই অতি সোনকালেই সেউতীয়ে বিপিনক ধৰা দিলে।

সেইদিনা দুপৰীয়া আগৰ দৰে অন্যান্য কাম বন কৰি সেউতী সিহঁতৰ ঘৰৰ পাছফালে থকা নদীৰ ঘাটৰ পানী আনিবলৈ বুলি কাষত কলহ লৈ গৈছিল। নদীলৈ নামি কলহ বুৰাই ওপৰলৈ উঠি আহোঁতেই সম্মুখত দেখিলে হাঁহি হাঁহি বিপিন থিয়হৈ আছে। তাৰ চকুত তীব্ৰ মাদকতাৰে পূৰ লুব্ধ দৃষ্টি। সেউতী শিহৰি উঠিল। তাই লাজত ৰঙা পৰি তললৈ মূৰ কৰিলে। বিপিন

অলপ আগবাঢ়ি আহি ক'লে—"কি, সেউতী! পানী নিবলৈ আহিলা? কলহটো তেও অলপ থোৱাচোন। অলপ কথা-বতৰাকে হওঁ।" ভয়ে ভয়ে সেউতীয়ে কলহটো নমাও ননমাও কৈ নমাই থলে। তাৰ পাছত তাই বিপিনৰ মুখলৈ চাই কিবা এটা কব খোজোতেই বিপিনে আহি তাইৰ হাতত ধৰিলেহি।

তাইৰ কঁপা ওঠৰে অস্ফুটভাৱে ক'লে "ঘৰত দেউতা আছে।" বিপিনে তাৰ উত্তৰত কলে "নাই, মই সকলো চাইহে আহিছোঁ।"

—পাপৰ পিছল বাটত সেউতীয়ে খোজ আগবঢ়াই দিলে।...

—ঈ—

চাওঁতে চাওঁতে এদিন সেউতীয়ে গম পালে যে তাইৰ গৰ্ভত কোনোবা দুৰ্ভগীয়াই ঠাই লৈছে। তাই ভয়ত কঁপি উঠিল। সেইকথা বিপিনক ক'লে। বিপিনেও বুজিলে কথা বিষম। গতিকে ভালে ভালে তেওঁ আঁতৰ হ'ল। উপায়হীন সেউতীয়ে দিনে দিনে নিজৰ বিপদৰ গুৰুত্ব উপলব্ধি কৰিবলৈ পাই আতঙ্কিত হবলৈ ধৰিলে।

কথা ক্ৰমে সেউতীৰ মাহীয়েক মণিমালায়ো গম পালে। মাহীয়েকে গিৰীয়েকক ক'লে। মেধিয়ে শুনি উগ্ৰমূৰ্ত্তি ধৰিলে। তেতিয়াই সেউতীক মতাই আনি চোৰ কোন সুধিলে। সেউতীয়ে কিন্তু কাৰো কথা নকলে। মেধি আৰু উগ্ৰ হৈ উঠিল।

নানা ভাৱে সেউতীক গালি পাৰিবলৈ ধৰিলে। লগে লগে মণিমালায়ো "শাকিনী" "গিৰীয়েকৰ মূৰ খাতী" "কলঙ্কিনী" আদি কথাৰে সেউতীৰ জীৱন অসহ্য কৰি তুলিলে। বেচেৰী সেউতীয়ে সকলো নীৰৱে শুনিলে। আৰু পাৰেমানে কান্দিবলৈ ধৰিলে। ইমানতো জানো তাইৰ ৰক্ষা আছে? এইকথা অতি অলপ সময়ৰ ভিতৰতে গাৱঁত প্ৰচাৰ হৈ পৰিল। তাইৰ দুৰ্গতি চাবলৈ অহা মানুহবে মেধিৰ ঘৰ ভৰি পৰিলহি। তিৰোতা মানুহৰ সংখ্যাই বেছি। সেউতীৰ মাহীয়েকে তাইৰ কলঙ্কৰ কাহিনী অনুমানৰ ওপৰতে নানা ৰঙেৰে ৰং চৰিয়া কৰি বৰ্ণাবলৈ ধৰিলে। তেওঁৰ কথা শুনি কোনো কোনোৱে ঘিণত নাক কোচালে। কোনোৱে বা ক'লে "এৰা আগতে জানিছিলোঁ, সেউতীৰ এটা কিবা হব বুলি। অ' আই! এনে লাজ বিজ নোহোৱা মটা ছোৱালীনো ক'ত দেখিছোঁ! তাই গাভৰু ছোৱালী হৈনো সেই দে'খৰ ডেকা ল'ৰাৰ লগত কথা পাতিবলৈ কিটো হৈছিল। তেতিয়াই বুজা গৈছিল এইৰ এনে কিবা এটা হবই।"

সেউতীয়ে লাজে-বেজাৰে ম্ৰিয়মান হৈ ঘৰৰ চুক এটাত জোপোকা মাৰি বহি ফেকুৰি ফেকুৰি কান্দি সকলোবোৰ শুনিবলৈ ধৰিলে। তাৰ বাহিৰে তাইৰ কোনো উপায়ো নাছিল।

তাৰ পাছত আহিল গাৱঁৰ মেলুৱৈ সকল। এনে এটা পাপ লগত লৈ জানো সমাজ থাকিব পাৰে! ইয়াৰ বিচাৰ নহলে

সমাজেই বা তিষ্ঠে কেনেকৈ ? তাতে আকৌ মেধি হ'ল সমাজৰ গুৰিয়াল। তেনে এজন লোকৰ ঘৰত এনে এটা অঘটন ঘটাতো সমাজৰ পক্ষে বিনা মেঘে বজ্রপাতৰ নিচিনা। গতিকে তাৰ বিচাৰ অতি শীঘ্রে হবই লাগিব। মেধিৰ চ'ৰা ঘৰতে মেল বহিল। মেধিয়ে তামোল পাণৰ শৰাই ৰাইজৰ আগলৈ আগবঢ়াই হাতযোৰ কৰি ক'লে, "ৰাইজ সকল, মই দোষী ; মোৰ ছোৱালীয়ে পাপ কৰিছে যেতিয়া মোৰে পাপ। গতিকে আপোনালোকে যি বিচাৰ কৰে তাকে মূৰ পাতি লবলৈ এই সেৱক বাধ্য আছোঁ।"

মেধিৰ মোলায়েম কথাত ৰাইজে ধইন ধইন কৰিলে। প্রধান মেলুৱৈয়ে সকলোৰে লগত পৰামর্শ কৰি ছোৱালীৰ মুখে চোৰ কোন জানিবৰ কাৰণে সেউতীক সমাজলৈ আনিবলৈ হুকুম দিলে। বাপেক গৈ সেউতীক মেললৈ লৈ আহিল। লাজে অপমানে মৰা যেন হৈ অগত্যা সেউতী আহি সমাজৰ একাষে থিয় দিলেহি। মেলৰ বৰ-মূৰীয়াই সেউতীক সুধিলে, "আই অ'! যি হ'ল হ'ল বাৰু। তই এতিয়া কচোন তোৰ এই পাপৰ সহায়কাৰী কোন ? ক'লে তোৰেইহে লাভ। আমি আছোঁ যেতিয়া সেই অধৰমীৰ পৰা তোৰ জীৱননির্ব্বাহৰ কিবা এটা কৰি দিয়াম। তই মুঠেই তাৰ নামটো ক।" মেধিয়েও ক'লে "হয়, ৰাইজ সকল ; মোৰ অজলা ছোৱালী পাই কোন মহাপাপীয়ে এই কাম কৰিলে তাৰ পৰা ক্ষতিপূৰণ কৰিবই

লাগিব। নহলে মোৰ ছোৱালীৰ ভবিষ্যতৰ কথা ভাৱি মই অস্থিৰ হৈ পৰিছোঁ। সেই অধৰমীয়ে মোৰ ছোৱালীৰ খোৰাক-পোচাক নিদিলে তাই চলে কেনেকৈ ?"

কিন্তু সেউতীয়ে একো নামাতিলে। দাবি ধমক দি সোধা হ'ল, মৰমেৰে সোধা হ'ল, ভয় দেখুৱাই সোধা হ'ল; কিন্তু সেউতীৰ মুখৰ এষাৰ মাতো নোলাল। অগত্যা মেলুৱৈয়ে ৰায় দিলে, "যি কি নহওঁক তাই অবলা যেতিয়া মেধিয়ে বাৰীৰ চুকত ঘৰ এটা সাজি দিব, তাতে সেউতী থাকিব। খোৰাক-পোচাক ইচ্ছা কৰিলে মেধিয়ে দিব, নহলে সেউতীয়ে চোৰৰ নাম নকয় যেতিয়া তাৰ ব্যৱস্থা নিজে নিজে কৰিব।" এই ব্যৱস্থাকে দি মেলুৱৈ সকল দিহা-দিহি গুচি গ'ল।

সমাজৰ ব্যৱস্থামতে মেধিয়ে পাছ দিনাই সেউতীক চুৱনিৰ ওচৰত পঁজা এটা কৰি দিলে। কান্দি কান্দি চকুলোৰে বাট তিয়াই সেউতীয়ে তাইৰ দুৰূহ জীৱন সেই পজাঁ ঘৰৰ ভিতৰতে কটাবলৈ ধৰিলে। বাপেকৰ ঘৰৰ গৰু বন্ধা, বাহিৰৰ গোবৰ পেলোৱা, আৰৈ ধান বনা, চুৱা বাচন-বৰ্ত্তন ধোৱা, কাপোৰ-কানি ধোৱা আদি সকলো কাম কৰে। তাৰ বাবে তাই দুবেলাৰ জোখাই চাউল পাত এমুঠি পায়। মণিমালাৰ "শাকিনী" "গজ মুই" আদি মধুৰ সম্বোধন অৱশ্যে সেউতীয়ে নিতৌ শুনিব লগা হৈছিল। তেনে সম্বোধন তাইৰ অভ্যস্ত হৈ গৈছিল। ভাগ্যক চিন্তিয়েই তাই জীৱন কটাবলৈ ধৰিলে।

—উ—

কিছুদিনৰ পাছত সেউতীৰ সন্তান এটা হৈ মৰি থাকিল। যি অত্যাচাৰ আৰু অনাদৰ লাঞ্ছনাত তাই থাকিব লগা হৈছিল সেই অৱস্থাত সন্তানটো নমৰাটোহে আচৰিত কথা হ'লহেতেন। সেউতীৰ মনটোত অলপ আঘাত লাগিব খুজিছিল। কিন্তু তাৰ কথা তাই বৰ বেছিকৈ গম নাপালে। নাৰীত্বৰ পূৰ্ণবিকাশত তাইৰ যেনেকৈ আনন্দ নাছিল, মাতৃত্বৰ প্ৰতিও তাইৰ বৰ আগ্ৰহ নাছিল। সেই অৱস্থাত তেনে হোৱাই স্বাভাৱিক।

দিন যোৱাৰ লগে লগে তাইৰ জীৱন আৰু দুৰূহ হৈ উঠিল। খোৱাৰ ভাতমুঠিও ক্ৰমে নিমিলা হ'ল। অশৌচৰ পৰা উঠাৰ পাছত তাইৰ স্বাস্থ্যও বৰ ভাল নাছিল। তাতে খোৱা-দুখ আৰু মানসিক অশান্তিয়ে তাইক আৰু জুৰুলা কৰিলে।

শেহত মাহীয়েক মণিমালাৰ চক্ৰান্তত তাইৰ খোৰাকী একেবাৰে বন্ধ কৰা হ'ল। উপায়হীন হৈ তাই লোকৰ ঘৰে ঘৰে খুজি পেটৰ খজুৱতী মাৰিব লগা হ'ল। মৰম কৰি তাইৰ দুখ দেখিব নোৱাৰি গাৱঁৰে মাণিকী বুঢ়ীয়ে তাইক নিতৌ দুপৰীয়া সাজ খাবলৈ মাতিলে। নিশালৈ বুলিও এমুঠি খাবলৈ দি পঠিয়ায়। মাণিকী বিধৱা হৈ গিৰীয়েকৰ মাটি ভেটীতে আছে। গিৰীয়েক বা মাক-বাপেকৰ ফালৰ তাইৰ কেওঁ নাই। গিৰীয়েকৰ ফালৰ যি মাটি-বাৰী আছে তাকে চলাই মেলি তাই

দিন নিয়াই থাকে। তাইৰ অমায়িক ব্যৱহাৰত গাৱঁৰ সকলোৱে তাইক মৰমো কৰে। অকলশৰীয়া পেট। তাইক নো কি লাগিছে? বুঢ়ীৰ মৰম চেনেহত সেউতীয়ে হেৰোৱা স্বাস্থ্য আকৌ ঘূৰাই পালে। বয়স আৰু শৰীৰৰ আতিল গঠনে তাইৰ ৰূপ আৰু যৌৱনক পুনৰ ঠন ধৰাই তুলিলে।

গতিকে লম্পটৰ দল আকৌ গোপনে তাইৰ কাষ চাপিল।

যৌৱনৰ দোষ অতীত আৰু ভৱিষ্যতৰ ফালে লক্ষ্য নকৰা। সেউতীয়েও তাইৰ হৈ যোৱা দুৰ্ঘটনা বা বৰ্ত্তমানৰ দুৰৱস্থাৰ ফালে নাচাই দুৰ্বৃত্তহতঁৰ ফুচুলনিত আপোনাক উটাই দিলে। যৌৱনৰ পূজাত তাই নিজক সমৰ্পণ কৰিলে। পাপৰ পঙ্কিলতাৰে তাইৰ জীৱন দুঃসহ হৈ উঠিল।

পাপ লুকাই নাথাকে। মাহীয়েক আৰু বাপেকৰ চকুত এইবোৰ কথা সোনকালেই পৰিল। কাজেই সেউতীৰ ওপৰত তেওঁলোকৰ অত্যাচাৰো বেচি হ'ল।

ইতিমধ্যে সেউতীৰ মাহীয়েক মণিমালাৰ দুটা ল'ৰা আৰু এজনী ছোৱালীও হৈছিল।

মেধি আৰু মেধিয়নীয়ে এইটো ভালকৈ বুজিছিল যে সেউতী থাকে মানে সেউতীৰ গিৰীয়েকৰ ঘৰৰ মাটি-বাৰীবোৰ সম্পূৰ্ণ ভাৱে তেওঁলোকৰ বৰ্ত্তমান ল'ৰা-ছোৱালীৰ হাতলৈ নাহিছে। মেধিয়ে তেও ভাৱিছিল যে সেউতীয়েনো কি কৰিব? যি কেইদিন আছে থাওক। পাচতটো সকলো সম্পত্তি তেওঁলোকৰেই।

মণিমালা কিন্তু তাত সন্তুষ্ট হব নোৱাৰিলে। সেউতীক যেনে তেনে তেওঁলোকৰ ঘৰৰ পৰা আতৰ কৰিবলৈ মনস্থ কৰিলে।

উপায়ো মিলিল। মেধিক যেতিয়া বুজাই দিয়া হ'ল যে সেউতীয়ে এতিয়াও পাপত বুৰ দিয়েই আছে আৰু তাৰ পৰা তেওঁৰ পৱিত্ৰ নামত কলঙ্ক বঢ়াৰ লগে লগে এই ল'ৰা-ছোৱালী কেইটাৰো অমঙ্গল হোৱা একো অসম্ভৱ নহয়। গতিকে মেধিয়ে ইয়াৰ প্ৰতিকাৰৰ কাৰণে ককালত টঙালি বান্ধি ওলাল। এইবাৰ তেওঁ বেলেগ বুধি পাঙিলে।

দুদিন মান ইফালে সিফালে গৈ এদিন সন্ধিয়া সেউতীক তেওঁ মতাই আনিলে। ভয়ে ভয়ে সেউতী আহি বাপেকৰ কাষত থিয় দিলেহি। বাপেকে চেনেহৰ মাতেৰে ক'লে "শুনিছ সেউতী, তোক মোমায়েৰহঁতৰ ঘৰত দুদিন মান থৈ আহোঁগৈ। তাত থাকিলে তোৰ মন গাও অলপ ভাল লাগিব। তই কালিলৈকে যি য'ত লাগে লৈ ওলা।"

সেউতী অবাক। বাপেকৰ ইমান অনুগ্ৰহ কিয়? আৰু মোমায়েক বুলিবলৈতো তাইৰ কেৱেই নাই! এই মোমাইনো কোন? তাই ভয়ে ভয়ে সুধিলে, "কোন মোমাই?" বাপেকে অলপ উগ্ৰ হৈ ক'লে "কিয় মাহীয়েৰৰ ককায়েকহঁত? মাহীয়েৰৰ ককায়েক হ'লে তোৰ মোমায়েৰ নহয়নে?" সেউতীয়ে আৰু একো নামাতি তাৰ পৰা আতৰ হ'ল। পাচ দিনা পুৱা বাধ্য হৈ তাই বাপেকৰ লগত মাহীয়েকৰ ককায়েকহঁতৰ ঘৰলৈ খোজ ল'লে।

তাইৰ গাওঁ খনৰ পৰা বাহিৰ ওলাওঁতে মনটো চিৰিংকৈ মাৰিছিল, নজনা আশঙ্কাত তাইৰ বুকুখন টিপ্ টিপাই উঠিল।

তাৰ পৰা ছয় মাইল মান দূৰৈত মাহীয়েকহঁতৰ ঘৰ। সেই খিনি পোৱাত মোমায়েকহঁতে অৱশ্যে তাইক মৰম কৰিয়েই ৰখালে। আবেলি বাপেক গুচি আহিল। সেউতীয়ে বাপেক আহিবৰ পৰত বাপেকৰ মুখলৈ চালে। তাইৰ যেন অন্তৰখন হঠাৎ হাঁহাকাৰ কৰি উঠিল। তাইৰ বুজিবলৈ বাকী নাথাকিল যে ইয়ালৈ পঠিওৱাত মাহীয়েকৰ নিশ্চয় কিবা টিপ্ আছে।

—উ—

দুদিন মানৰ পাচত সেউতীহঁতৰ গাৱঁত ৰাষ্ট্ৰ হৈ পৰিল যে সেউতীক কোনোবাই নিশা মোমায়েকৰ ঘৰৰ পৰা পলুৱাই নিলে। মাণিকী বুঢ়ীয়ে শুনি হায় হায় কৰিলে। তাইৰ লগতে আৰু দুই এজনীয়ে সহানুভূতি দেখুৱালে।

মেধি আৰু মেধিয়নীয়েও লোকক দেখুৱাই দুখ কৰিলে। মেধিয়ে খবৰ লবলৈ বুলি খবৰ পোৱাৰ দিনাই জেঠেৰীয়েকহঁতৰ ঘৰলৈ গ'ল। তাত গৈ তেওঁ সকলো কথা জানিব পাৰিলে। আগদিনা ৰাতি সেউতী থকা বহাটোৰ পৰা কোনোবাই চিঞঁৰা যেন শুনি মোমায়েকহঁতে সাৰ পাই দৌৰি গৈ চাই দেখে যে এটা মৈমনচিঙীয়া বহাৰ ভিতৰৰ পৰা ওলাই লৰ মাৰিছে। তাৰ লগত কেওঁ নাই। তাৰ পাছত তেওঁলোক ভিতৰ সোমাই

চাই যে সেউতী ভিতৰত নাই। গাৱঁৰ মানুহো দুই এক আহি চাইছিলহি। সিহঁতে নদীৰ বুকত নাও এখনত মৈমনচিঙীয়া কেইটামানৰ লগত এজনী তিৰোতা মানুহ দেখিছিল। কিন্তু তেতিয়া আৰু নাও খেদি ধৰাতো সম্ভৱ নাছিল। পিছ দিনা সেইয়া মেধিলৈ খবৰেই পঠাইছে।

মেধিৰ মনত অলপ সন্দেহ হ'ল। তেওঁ ঘৰত প্ৰথমতে জীয়েকক কোনোবাই ধৰি নিয়া বুলি শুনি "আপদ গ'ল" বুলি অলপ ভালকে পাইছিল। কিন্তু এতিয়া মৈমনচিঙীয়াই ধৰি নিছে বুলি জানি মনটো কেনেবা কেনেবা লাগিল। জীয়েকৰ কাৰণে অকস্মাতে এটা মমতাত তেওঁৰ অন্তৰখন কান্দি উঠিল। নিৰ্দ্দোষী অসহায় ছোৱালী এজনীৰ ওপৰত এনে অত্যাচাৰৰ কোনো আৱশ্যক নাছিল বুলি তেওঁ আজি অনুভৱ কৰিলে।

......আহোঁতে সিয়ান মেধিয়ে অনুসন্ধান লৈ জানিব পৰিলে যে মৈমনচিঙীয়াই চুৰ কৰি জীয়েকক নিয়া নাই। জেঠেৰীয়েকহঁতে তিনিকুৰি টকালৈ জীয়েকক বেচিলে। ইয়াত মেধিয়নীৰ অৱশ্যে ভিতৰি টিপ্ আছিল।

ঘৃণা আৰু বেজাৰত মেধি ম্ৰিয়মান হৈ ঘৰ পালেগৈ। তেওঁ মনে মনে নিজৰ কাৰ্য্যৰ বাবে অনুতাপ কৰিবলৈ ধৰিলে। তেওঁ ঘৈণীয়েকৰ কথা শুনি জীয়েকক জেঠেৰীয়েকহঁতৰ ঘৰলৈ নপঠোৱা হ'লে আজি তেওঁ জীয়েকৰ কাৰণে এনে অনুতাপ কৰিব নালাগিলহেতেন। তেওঁ ভাৱিছিল জীয়েক মোমায়েকৰ ঘৰত

থাকিব। ইয়াত যেনেকৈ আছে তাতো তেনেকৈ থাকিব। নিজৰ চকুৰে জীয়েকৰ কলঙ্ক নিৰীক্ষণ কৰিবলৈ তেওঁ নাপায়। যি কি নহলেও তেওঁতো বাপেক! এনে ধৰণৰ কিবা এটা যে ষড়যন্ত্ৰ আছিল এই কথাৰ তেওঁ একো সন্দেহ নাপাইছিল।

* * * *

কেইদিনমানৰ পাছত এদিন সন্ধিয়া সময়ত মেধিয়নী ঘাটলৈ গৈ উধাতু খাই লৰি আহি গিৰীয়েকক ক'লেহি যে ঘাটত কিবা এটা ওপঙি লাগি আছেহি। মানুহ যেন দেখি। মেধি ঘাটলৈ 'কিনো আহিছে' বুলি চাবলৈ গ'ল। বাঁহ এডালেৰে ওপঙি থকা জাঁজিটো ওপৰলৈ তুলি আনি চাই দেখে যে সেইটো জীয়েক সেউতীৰ মৰা শৱ। গাৰ কেইবা ঠাইতো দাৰে ঘপিৱা চিন। মেধিয়ে মূৰে কপালে হাত থৈ হায় হায় কৰি বহি পৰিল।...

পুলিছক খবৰ দিয়া হ'ল।

পুলিছ আহি চাই তদন্ত কৰি কেইটামান মৈমনচিঙীয়াক ধৰি আনিলে। সিহঁতে সকলো কথা স্বীকাৰ কৰিলে। কেনেকৈ মেধিৰ জেঠেৰীয়েকহঁতে সিহঁতৰ পৰা তিনিকুৰি টকা লৈ সেউতীক দিছিল, কেনেকৈ সিহঁতে নিশা সেউতীক ধৰি নাৱত তুলি লৈ গৈছিল আৰু কেনেকৈ তাই কান্দি কাটি বিয়াকুল হৈছিল, সেউতীক বলাৎকাৰ কৰিব খোজাত কেনেকৈ তাই সিহঁতৰ হাতৰ দা এখন থাপ্ মাৰি আনি সিহঁতৰ এটা মানুহক ঘপিয়াই ঘাইল কৰে। তেতিয়া সিহঁতৰ খঙ উঠি কেনেকৈ

তাইকো ঘপিয়াই মাটিত পেলাই দিয়ে। সেই আঘাততে তাই মৰে আৰু সিহঁতে তাইৰ মৰা শটো উটুৱাই দিয়ে।

সেউতীৰ মৃত্যুৰ লোমহৰ্ষক কাহিনী শুনি মেধি স্তম্ভিত হ'ল। বিচাৰৰ কাৰণে পুলিছে মেধিৰ জেঠেৰীয়েকহঁতকো ছোপৰ্দ্দ কৰিছিল। পিচে, বিচাৰত প্ৰমাণৰ অভাৱত সিহঁতে মুক্তি পালে। মৈমনচিঙীয়া কেইটাৰ প্ৰত্যেকৰে দীঘলীয়া কাৰাদণ্ড হ'ল।

সেউতীৰ মৃত্যুত মেধিৰ নামলৈ সেউতীৰ নামৰ সকলো সম্পত্তি আহিল যদিও মেধিয়ে বুজিলে যে জীয়েকৰ প্ৰেতাত্মাই তেওঁক আৰু শান্তি নিদিয়ে।



মাকৰ চেনেহ

(ক)

ল কলেজৰ হোষ্টেলৰ পূব ফালৰ মূৰৰ কোঠাটোত সন্ধিয়া সময়ত আমাৰ প্ৰায়ে আড্ডা হয়। কোঠাটোত থাকে হাজৰিকা আৰু ভূঞা। তৰ্কৰ বিষয় বস্তু অনেক। অসমৰ জন-সমস্যা, নেচনেল কংগ্ৰেছ আৰু জৱহৰলাল নেহেৰু, জগতৰ শান্তি সমস্যা, চীন আৰু জাপানৰ কাজিয়া, আমেৰিকাত নাৰী সমস্যা, বাৰ্ণাৰ্ডশ্ব'ৰ নতুন উক্তি ইত্যাদি ইত্যাদি অনেক বৃহৎ বৃহৎ প্ৰশ্নৰ উপৰিও অনেক সৰু-সুৰা কথাৰো আলোচনা হয়। অৱশ্যে বিষয়বোৰৰ কোনো বন্ধা ধৰা নিয়ম নাছিল। সময়ে সময়ে আমি প্ৰাণী-তত্ব, ভূ-তত্ব, উদ্ভিদ-তত্ব আদি গৱেষণামূলক বিষয়ৰো আলোচনা কৰো। মুঠতে যেতিয়াই যি বিষয়ৰে প্ৰথম অৱতাৰণা হয় সেই বিষয়ৰে তৰ্ক চলে।

সেইদিনা তৰ্ক হৈছিল ইতৰ জন্তুৰ মনস্তত্ব সম্পৰ্কে। বৰুৱাই উত্তেজিত হৈ কৈ উঠিল, "বুইছে চলিহা, ইতৰ জন্তুৰ ভিতৰত আপুনি দয়া, প্ৰেম, বন্ধুতা এইবোৰ বস্তু বিচাৰি যোৱাৰ নিচিনা আৰু দুখৰ কথা একো হব নোৱাৰে। মাকে পোৱালীক চিনি নেপায়, আনকি পোৱালী মাকৰ ভক্ষ্য এনে জন্তুৰ সংখ্যা পৃথিবীত নিচেই কম নহয়। এই ধৰক এজনী গৰু। সিহঁতেই আটাইতকৈ শান্ত আৰু জ্ঞানী জন্তু। গাই এজনীৰ পোৱালী

এটা যেতিয়ালৈকে পিয়ন চৰা নহয় তেতিয়ালৈকে পিয়ায়, জিভাৰে চেলেকি আদৰ কৰে। কিন্তু যেতিয়া সি ডাঙৰ হ'ল আৰু তাইৰ আন এটা পোৱালী হ'ল, তেতিয়া সেই আগৰ পোৱালী আৰু মাকৰ লগত কোনো সম্পৰ্ক নাথাকে। তাৰ ঠাইত বৰং এনে কিছুমান অস্বাভাৱিক আচৰণ দেখা যায় যিবোৰে মাক পুতেকৰ লক্ষণ অলপো প্ৰকাশ নকৰে।"

চলিহাই বৰুৱাৰ কথাৰ উত্তৰত গহীনভাৱে ক'লে,—"জন্তুৰ ভিতৰত তেনে আচৰণ নাই বুলি মই অৱশ্যে নকওঁ। কিন্তু এনেকুৱাও দেখা যায় যে কোনো কোনো জন্তুৰ পোৱালীৰ কাৰণে মাকে নিজৰ সকলো সুখ আৰু সুবিধা এৰি দিও পোৱালীক ৰক্ষা কৰিবলৈ যত্ন কৰে। নিজে নেখায়ো পোৱালীক খুৱায়। এইটো জানো অপত্যস্নেহৰ নিৰ্দৰ্শন নহয়?"

বৰুৱাই কলে, "ইয়াত অপত্য স্নেহ বুলি একো নাই। ই প্ৰকৃতিয়ে দিয়া স্বাভাৱিক প্ৰেৰণা। সিঁহতৰ এনে সম্বন্ধ স্থায়ী নহয়।"

এনেতে হাজৰিকাই চাহপুচিৰ পৰা পিয়লাত চাহ বাকি থাকিয়েই মোলৈ চাই মাত লগালে "পিছে, কাকতি দেখোন নিমাত। আপুনিনো বৰুৱা আৰু চলিহাৰ তৰ্কৰ বিষয়ে কি কব খোজে?"

মই ইমান সময়ে চুক এটাত চকী এখনত বহি সেই মাহৰ "ষ্ট্ৰেণ্ড" খন লৈ তাকে চাই আছিলোঁ। আৰু কাণ উণাই বৰুৱা-

চলিহাৰ তৰ্ক শুনিছিলোঁ। বৰকৈ টেটুফালি তৰ্ক কৰা অভ্যাস মোৰ নাই যদিও তৰ্কৰ ভাগ অৱশ্যে মই সদায় লওঁ। তৰ্কৰ শেহ সিদ্ধান্তও প্ৰায়ে মোৰ কথাতে নিৰ্ভৰ কৰে।

হাজৰিকাৰ কথাত হাঁহি মাৰি মই "ষ্ট্ৰেণ্ড"খন আতৰাই থৈ কলো, "চাহৰ জিপ নাপালে তৰ্ক পকি নুঠে। মই আপোনাৰ চাহ আৰু বিস্কুটলৈহে অপেক্ষা কৰিছোঁ।" কথাৰ লগে লগে ভূঁঞাই হাজৰিকাৰ ওচৰৰ পৰা এপিয়লা চাহ আৰু দুখন বিস্কুট আনি মোক দিলেহি। ক্ৰমে বৰুৱা, চলিহা আদি উপস্থিত অন্যান্য সদস্য সকলেও অৱশ্যে ভাগ পালে।

মই চাহ খাই খায়েই আৰম্ভ কৰিলোঁ, "জ্ঞানৰ সীমাত মানুহৰ বাহিৰে অন্যান্য প্ৰাণীসমূহ যে সীমাবদ্ধ এই কথা সকলোৱেই স্বীকাৰ কৰে। আনকি কোনো কোনো জন্তুৰ সিঁহতৰ ভিতৰতে স্বাভাৱিক দয়া, প্ৰেম আদি বস্তুবোৰৰ অতি আচৰিতভাৱে অভাৱ দেখা যায়।

"মানুহে ঘৰত পোহা জন্তুবোৰৰ ভিতৰত অৱশ্যে বহুতৰ অদ্ভুত প্ৰভুভক্তি, মানুহৰ দৰে নানা কাম আৰু খেলা ধূলাত কৌশল দৰ্শোৱা দেখি। কিন্তু এইবোৰ সম্বন্ধে বহুতে কব খোজে যে ই হয় সিঁহতৰ ওপৰত মানুহৰ প্ৰভাৱৰ ফলত হোৱা ভয়জনিত অভ্যাস নতুবা মানুহৰ শ্ৰেষ্ঠ জ্ঞানৰ আচৰিত শিক্ষা চাতুৰ্য্য। এইবিলাক যি কি নহওক কোনো কোনো জন্তুৰ ভিতৰত কেতিয়াবা কেতিয়াবা আচৰিত হব লগীয়া প্ৰীতি, দয়া,

ভক্তি আৰু কৰ্ম্মকুশলতাও পৰিলক্ষিত হয়। এনে এটা গল্পৰ কথা মোৰ নিজৰ জনা আছে। গল্প নহয় ই সঁচা ঘটনা। এই ঘটনাটোত পশুৰ নিজৰ ভিতৰত চেনেহ মৰমৰ অপূৰ্ব্ব আৰু বিচিত্ৰ নিদৰ্শনৰ উপৰিও মানুহৰ লগত হোৱা আচৰিত প্ৰীতি সম্বন্ধৰ চানেকিও আছে। বাৰু ঘটনাটোকে কওঁ শুনক ঃ

(খ)

'মোৰ দদাইদেউৰ আছিল এজনী বগী গাই। গাইজনী আছিল হৃষ্টপুষ্ট আৰু চালে চকুৰোৱা শুৱনি। গাইজনীৰ ওপৰত দদাইদেউ, খুৰীদেউ আৰু বাপুকণৰ বৰ মৰম আছিল। বিশেষকৈ বাপুকণৰ আগ্ৰহ তাইৰ ওপৰত সকলোতকৈ বেচি আছিল! বাপুকণ দাদাইদেউৰ ল'ৰা। তেওঁলোকৰ সন্তানৰ ভিতৰত মাথোন সেইটিয়েইহে। তাৰ বয়স তেতিয়া তিনি কি চাৰি বছৰ। সি দেখিবলৈ ইমান ধুনীয়া আছিল যে তাক দেখিলে অচিনাকিয়েও এখন্তেক বৈ চাই যায়। তাৰ সুগঠিত নিপুষ্ট দেহৰ গঠন, ঘূৰণীয়া তেজেৰে ৰঙা পূৰ মুখ, দুটা ডাঙৰ শান্ত সৰল হাঁহি থকা চকু আৰু ডাঠ ক'লা বৈ পৰা এজোৰ চেলাউৰি। তাৰ উপৰি তাৰ মিহি মিঠা মাত। যেন শিল্পীয়েহে তাক গঢ়িছিল।

দদাইদেউ আৰু খুৰীদেউৰ তাক লৈ কি আনন্দ। তেওঁলোকৰ নিৰ্জ্জন সৰু সংসাৰখন বেচ সুখতেই কাটিছিল।

ই আজি সাত বছৰৰ আগৰ কথা। কিন্তু মোৰ হিয়াত তাৰ স্মৃতি এতিয়াও স্পষ্ট হৈ আছে। গাইজনীৰ এটা পোৱালী হল। কপালত সৰু ৰঙা ফোট এটাৰে সৈতে বগা সুন্দৰ পোৱালীটো। দমৰা পোৱালী। খুৰীদেউহঁতৰ সংসাৰত আৰু এটা প্ৰাণী বাঢ়িল। আৰু বাপুকণৰ এটি লগ ওলাল।

পোৱালীটোৰ প্ৰতি গাইজনীৰ কি মৰম! তাই প্ৰথম কেইদিনমান পোৱালীটোৰ ওচৰৰ পৰা আতৰকে নহল। খুৰীদেৱে দিয়া ভাতৰ নিসনি, কঠালৰ বাদু, চাউলধোৱা পানী খায়ে তাই ভোক পিয়াহ গুচালে। গাইজনীৰ লগে লগে দেখা গল বাপুকণেও পোৱালীটোৰ ওচৰৰ পৰা লৰচৰ হবলৈ টান পায়। সি মাকক পোৱালীটোৱে কি কি খাব, কেতিয়া খাব পৰা হব, কেতিয়া ডাঙৰ হব ইত্যাদি কথা সুধি সুধি ব্যতিব্যস্ত কৰি তোলে। মাকেও যি পাৰে উত্তৰ দিয়ে।···কিন্তু পোৱালীটোক সি বিচাৰি চিঙি আনি দিয়া কোমল ঘাঁহ কিডাল যেতিয়া সি শুঙি শুঙি মাথোন থৈ দিয়ে, খাব নোৱাৰে তেতিয়া বাপুকণ চঞ্চল হৈ উঠে। সি ভাবি নাপাই কেতিয়া পোৱালীটোৱে খাব পৰা হব! প্ৰকৃতিৰ নিয়মত কিন্তু পোৱালীটোৱে তাৰ লগত অতি সোনকালেই খেলিব পৰা হল। বাপুকণৰ কি আনন্দ!

খুৰীদেৱে পোৱালীটোৰ নাম থলে "মোহন"। মোহন ক্ৰমে ডাঙৰ হৈ আহিল। মোহনৰ ওচৰলৈ আন মানুহ যাব নোৱাৰে। গলে গাইজনীয়ে খেদি আহে। কিন্তু বাপুকণ হলে অবাধে

যাব পাৰে। সি ৰাতি দিন টোপনিৰ সময়খিনিৰ বাহিৰে মোহনৰ লগতে দৌৰি, জপিয়াই, লেন পেনাই কটায়। গাইজনীয়ে কেতিয়াবা পোৱালীটোৰ লগতে বাপুকণকো চেলেকি দিয়ে। সিহঁত দুয়োটাই মোহন আৰু বাপুকণে তাইৰ মৰম সমানে পাবলৈ ধৰিলে।

পোৱালীটোক এৰাল দি থয়—ওচৰতে গাইজনীয়ে ঘাঁহ খাই থাকে। আৰু বাপুকণ আহি পোৱালীটোৰ লগত কথা পাতেহি। কত কথা সোধে সি তাক। মুক মোহনে তাৰ ভাষা বুজে নে নুবুজে কব নোৱাৰি। কিন্তু তাৰ উপস্থিতিত যে মোহন সুখী হয়, এইটো বাপুকণক দেখিলে তাৰ যি ভাব পৰিলক্ষিত হয়, তাৰ পৰাই বুজিব পাৰি।……বাপুকণে তাৰ ভাগৰ কেইটামান ভাত, অকণমান গাখীৰ মোহনক নিদিয়াকৈ কেতিয়াও নাখায়। মাক বাপেকে তাৰ কাণ্ডকাৰখানা দেখি মনে মনে হাঁহে। এইদৰে ক্ৰমে মোহন আৰু বাপুকণৰ বন্ধুত্ব গাঢ় হৈ আহিল।

(গ)

মানৱ-শিশুৰ লগত পশু-পোৱালীৰ সি এক অপূৰ্ব্ব মিলন! তাক দেখিলে বাস্তৱতে কি আনন্দ লাগে! সিহঁতে কোনেও কব নোৱাৰে যে সিহঁতৰ ভিতৰত কিবা অমিল আছে! সিহঁত দুয়ো দুখন স্বকীয়া জগতৰ!

নীৰৱ ভাষাৰেই সিহঁতে কথা পাতে, হাঁহে, সকলো কৰে। সন্ধিয়া যেতিয়া গাইজনী বান্ধি থয় তেতিয়া ঘৰৰ আগৰ চোতালখনত মোহন আৰু বাপুকণে ধেমালি কৰে। খুৰীদেৱে কাঁথিৰ পৰা আৰু গাইজনীয়ে গোহালীৰপৰা সিহঁতৰ ধেমালি চাই থাকে। দুয়ো মাকৰ চকুত আনন্দৰ দীপ্তি খেলি যায়। সময়ে সময়ে খুৰীদেৱে হাঁহে। নিস্তব্ধ সন্ধিয়া প্ৰাণময় হৈ উঠে মোহন আৰু বাপুকণৰ খেলাত।

সিহঁতে কিমান ধেমালি কৰে! বাপুকণ পলায়। মোহনে বিচাৰি ফুৰে। ধৰা পৰিলে সি জপিয়াই, হেম্বেলিয়াই উঠে।… মোহন দৌৰি আহি মূৰেৰে খুন্দিয়াই, বাপুকণক লুটিয়াই পেলাই দিয়েহি। বাপুকণে হাঁহিবলৈ ধৰে। সি উঠি দৌৰ দিয়ে মোহনে পিছে পিছে খেদি যায়। কি বিচিত্ৰ সিহঁতৰ ধেমালি! কেতিয়াবা কেতিয়াবাময়ো এই ধেমালি দেখোঁ। ৰৈ চাই তবধ মানো! কি অদ্ভুত এই মানব-পশুৰ বন্ধুত্ব! গাৱঁৰ সকলোৱে মোহন আৰু বাপুকণৰ ধেমালি, মৰম চেনেহ দেখি 'হৰি' 'হৰি' কৰিবলৈ ধৰিলে। বহুতে মোহনক দেওলগা পোৱালী বা পূৰ্ব্বজন্মত সি কোনোবা মানুহ আছিল বুলিও মন্তব্য প্ৰকাশ কৰিবলৈ ধৰিলে। দদাইদেউ আৰু খুৰীদেউ-হঁতেও সময়ত বিস্ময় মানে! কিন্তু কি কৰিব, উপায় নাই! বাপুকণে মোহনৰ লগ এতিলমান নহলেও থাকিব নোৱাৰে।

নৌ ৰাতি পুৱাওতেই সি বিচাৰ লয় মোহনৰ। মোহনেও

গোহালিৰ পৰা হেম্বেলিয়াবলৈ ধৰে। মোহনে পিবলৈ ধৰোঁতে যি কাণ্ড হয় সি আৰু হাঁহি উঠা। মোহনে এটা বাট পিয়ে, আন এটা বাট বাপুকণে পিয়ে। গাইজনীয়ে শান্তভাবে থিয় হৈ সিহঁত দুয়োটাকে পিয়াবলৈ ধৰে ; বাপুকণক একো বাধা নিদিয়ে। বৰং দুয়োটাকে চেলেকি মৰমহে কৰে।

বাপুকণে ভাত খাওঁতে কেতিয়াবা কেতিয়াবা মোহনকো ওচৰতে খুৱায়— ।.........

কি সুন্দৰ আনন্দত সিহঁতৰ দিনবোৰ যায় !

(ঘ)

বাপুকণহঁতৰ ঘৰৰপৰা ওলায়েই চৰকাৰী বাট। তাৰ সিফালেই পথাৰ। এই পথাৰতে সেইদিনা মোহনক এৰাল দি থৈছিল। বাপুকণো তাৰ ওচৰতে আছিলগৈ। মুকলি পথাৰ। ধান কাটি নিয়া বেছিদিন হোৱা নাই। আলিৰ পাহবোৰত গজা কোমল ঘাঁহবোৰৰ এডাল দুডালকৈ মোহনে খাই আছিল।

আবেলি সময়। হঠাতে কব নোৱাৰাকৈ কৰবাৰ এচটা ক'লা ডাৱৰে গোটেই আকাশখন ঢাকি পেলালে। লগে লগে ধুমুহা ধেৰেকণি আহিল। মুহূৰ্ত্ততে যেন প্ৰকৃতিয়ে প্ৰলয় মূৰ্ত্তি ধৰিলে। প্ৰকৃতিৰ এই ভীষণ ৰূপত বাপুকণ আৰু মোহন দুয়ো ভয়ত বিহ্বল হৈ পৰিল।...এনেতে কোনোবা এঠাইত এটা বজ্ৰপাত পৰিল। বজ্ৰপাত পৰাৰ ভয়ঙ্কৰ শব্দত বাপুকণে চিঞঁৰ মাৰি মোহনক সাবটি ধৰিলে। মোহনেও ভয়ত হেম্বেলিয়াবলৈ

ধৰিলে। দদাইদেউ লৰি গৈ বাপুকণক কোলালৈ ডাঙ্গি ললে। দেউতাকৰ ডিঙিত জোৰেৰে দুয়ো হাতেৰে সাবতি ধৰি বাপুকণ নিস্পন্দ হৈ পৰিল। সি মূৰ্চ্ছা গল। মোহনক খুলি দিয়া মাত্ৰকে ঘৰলৈ ঢাপলি মেলিলে। গাইজনীও বিম্বাশবদে ক'ৰবাৰ পৰা লৰি আহি ওলালহি। মোহনৰ লগে লগে তায়ো দৌৰি ঘৰলৈ আহিল।

ঘৰলৈ আনি বাপুকণক হাতভৰি ধুৱাই মাক-বাপেক দুয়ো সেকিবলৈ ধৰিলে। মূৰত পানী দিয়া হল। এনেকৈ [illegible] যত্ন কৰাত বহুত সময়ৰ মূৰত সি এবাৰ চকু মেলি আবে[illegible] চিঞঁৰ মাৰি মাকৰ ডিঙিত সাবটি ধৰি চকু মুদিলে।... নি[illegible] তাৰ জ্বৰ উঠিল। খুৰীদেউহঁতে মহাচিন্তা আৰু উৎকণ্ঠাৰ মাজত সময় কটাবলৈ ধৰিলে।

ডাক্তৰক আনি বাপুকণক দেখুৱা হল। ডাক্তৰে চাই কলে যে অতিমাত্ৰা ভয় খোৱাত মানসিক শক্তি বিকৃত হৈ গৈছে। "হাৰ্ট"ৰ অৱস্থাও বৰ ভাল নহয়। তেওঁ ঔষধ-পত্ৰৰ ব্যৱস্থা দি গুচি গল। যথানিয়মে বাপুকণৰ চিকিৎসা আৰু শুশ্ৰূষা চলিবলৈ ধৰিলে। মই আহি তাতে থাকি বাপুকণৰ শুশ্ৰূষা আৰু চিকিৎসাৰ তদাৰগ কৰিবলৈ ধৰিলো।

মোৰ ওপৰতে সকলো ভাৰ পৰিল। কিয়নো দদাইদেউ আৰু খুৰীদেৱে ভাত-পানী এৰি বলীয়া হোৱা দি হল। মই অনেক বঢ়াই বুজাই দদাইদেউক এমুঠি খুৱাব পাৰিলেও

খুৰীদেউক একো খুৱাবপৰা নহয়। খুৰীদেৱে বাপুকণক কোলাত লৈ একান্তমনে সৰ্ব্বনিয়ন্তা ভগবানক মিনতি জনাবলৈ লাগিল। কিন্তু বিধতাৰ লিখন অখণ্ডনীয়। বাপুকণৰ সেই একেটা জ্বৰেই তিনি দিনলৈ নেৰিলে। এই কেইদিনৰ ভিতৰত তাৰ পেটলৈ খুদকণ্ এটিও যোৱা নাই। ঔষধো বৰ যত্নৰ ওপৰতহে খুৱাব পৰা হয়। …… বাপুকণে মাজে মাজে ভয়ত চিঞঁৰ মাৰি উঠে। তাৰ চেতনা প্ৰায় নাথ'কেই।

মই ক্ৰমে চিন্তিত হৈ পৰিলো। বাপুকণৰ অৱস্থা দেখি ... মনে ভাল বুলি নধৰিলে। ডাক্তৰেও একৰকম আশা ... দিলে। মোৰ বেছি চিন্তা হল খুৰীদেউইঁতলৈ। যদি বাপুকণৰ কিবা এটা হয় তেন্তে খুৰীদেউইঁতৰ কি হব? মই সেই কথা বেচিকৈ ভাবিবই নোৱাৰিলো!

ইফালে মোহন আৰু গাইজনীৰ অৱস্থাও শোচনীয়। যিদিনাৰ পৰা বাপুকণ পাটীত পৰিছে সেইদিনাৰ পৰা মোহনে আহাৰ-পানী আনকি মাকৰ গাখীৰ পৰ্য্যন্ত এৰি দিছে।

সি দিনে ৰাতিয়ে বাপুকণ শোৱা কোঠালীৰ দুৱাৰ মুখত পৰি থাকে। তাৰ চকুৰেদি অনবৰত চকুলো বৈ থাকে। ওচৰত ঘাঁহ, ভাত আদি খোৱা বস্তু দিলেহি সি সেইফালে নেচায়েই। মই এই নিমাত অকণমানি জন্তুটোৰ ভাব দেখি তবধ মানো। কি অদ্ভূত ইয়াৰ বন্ধুপ্ৰীতি! ইমান জ্ঞান, ইমান মহৎপ্ৰাণ ই ক'ত পালে! তালৈ চাই মোৰো অন্তৰত

বিষাদৰ ঢল আহে। মই পাৰোমানে মোহনক সান্ত্বনা দিবলৈ চেষ্টা কৰোঁ।……

পোৱালীটোৱে নোখোৱা নোবোৱা হোৱাত গাইজনীয়েও খাবলৈ এৰিলে। তাই মোহনৰ ওচৰতে থিয়দি তাকে চেলেকি মৰম কৰি উদ্‌গ্ৰীব উৎকণ্ঠাৰে দিন নিয়ায়। কি অদ্ভূত মাতৃস্নেহ! মই খুৰীদেউ আৰু তাইৰ পাৰ্থক্য একো বিচাৰি উলিয়াব নোৱাৰো। তিনি দিনৰ দিনা ৰাতিলৈ বাপুকণৰ জ্বৰ আৰু... টান হল। সি প্ৰলাপত বৰকৈ তীকিয়াবলৈ ধৰিলে। উশাহ ক্ৰমে চুটি হৈ আহিল। দেহ লাহে লাহে অসাৰ হৈ ... ধৰিলে। মই বুজিলোঁ। বাপুকণৰ আৰু ইহ সংসাৰত ... নাই। হায়, হায়, বাপুকণ নহলে যে এই পাঁচটা প্ৰা... হব কোনে জানে? ভগৱান, তুমি কি নিষ্ঠুৰ! অকস্মাতে ঈশ্বৰৰ ওপৰত মোৰ বিৰক্তি উপজিল।

শেহ নিশা বাপুকণৰ আত্মাই তাৰ এই দেহ সজা এৰি গুচি গল। খুৰীদেৱে তাৰ কাঠ শৰীৰটো বুকুত সাবটি লৈয়ে থাকিল! কব নোৱাৰিলে বাপুকণ কেতিয়া নিস্পন্দ হৈ পৰিল! যেতিয়া কব পাৰিলে তেতিয়া তেওঁ অজ্ঞান হৈ পৰি গল। দদাইদেৱে শোকত হিয়া ভুকুৱাই কান্দিবলৈ ধৰিলে!…আৰু মোহনে?—তাৰ কি নীৰৱ আৰ্ত্তনাদ! সি কান্দিব নেজানে। কিন্তু তাৰ চকুৰ কাতৰ-করুণ দৃষ্টিত বিশ্বব্ৰহ্মাণ্ডৰ সমস্ত বিষাদৰ কালিমা ফুটি ওলাইছিল। সি মাটিত মূৰটো থৈ একেথৰে

বাপুকণৰ ফালে চাবলৈ ধৰিলে। তাৰ চকুত অজস্ৰ ধাৰৰ চকুলো।

ওচৰ চুবুৰীয়া সকলো মানুহ দুনুহ আহিল। আমি নি বাপুকণৰ অকণমান দেহাটিৰ সংকাৰ কৰিলোগৈ। তেতিয়া খুৰীদেউ অজ্ঞান, দদাইদেউৰ গাতো হুৰ্চ্ নাই। মোৰ আই আহি খুৰীদেউক শুশ্ৰূষা কৰিবলৈ লাগিল। বাপুকণক শ্মশানলৈ নিওঁতে মোৰ অন্তৰখনো শোকত ফাটি যোৱা যেন লাগিল। মই আৰু ধৈৰ্য্য ধৰি থাকিব নোৱাৰিলো। উচুপি উচুপি [illegible]লৈ ধৰিলো।

[illegible]ৰ ওপৰত বাপুকণৰ দেহাটো উঠাই দি মই উভটি চাই [illegible] যে মোৰ কাষতে মোহন। তাৰ অলপ দূৰতে গাইজনী। আহা, কি মৰ্ম্মস্পৰ্শী দৃশ্য! মই ওচৰলৈ আহি লাহে লাহে মোহনৰ গাত হাত ফুৰাবলৈ ধৰিলো। মোহন সেইখিনিতে শুলে। আহিবৰ সময়ত তাক কোনোমতেই তাৰ পৰা দাঙিব নোৱাৰিলো। সি তাতে থাকিল। মই চকুলো মচি মচি ঘৰ পালোহি।

(৬)

দিন কিন্তু বৈ নাথাকিল। দিন গৈ থাকিল তাৰ ৰীতি অনুসাৰে। দদাইদেউক নানা ৰকমে বুজাই-বুজাই অলপ শান্ত কৰা হল। তেওঁ গীতা পঢ়িবলৈ লাগিল। এজন শাস্ত্ৰজ্ঞ

পণ্ডিতে দদাইদেউক গীতাৰ অৰ্থ ভাঙি বুজাবলৈ ধৰিলে। তাতেই তেওঁৰ অন্তৰৰ পোৰণি মাৰিবলৈ অলপ বল পালে।

খুৰীদেউৰ কিন্তু একো নহল। খুৰীদেৱে পাগলিনীৰ দৰে "বাপুকণ" "বাপুকণ" বুলি চিঞৰি, কান্দি, নিজৰ চুলি চিঙি হিয়া ভুকুৱাই দিন নিয়াবলৈ ধৰিলে। ভাত-পানী সকলো এৰি দিলে। ক্ৰমান্বয়ে তেওঁৰ স্বাস্থ্য ভাঙি যাবলৈ ধৰিলে। শেহত বিচনাৰ পৰা উঠিব নোৱৰা হল। তাতে পৰি পৰি বাপুকণৰ নাম ধৰি ধৰি বিনাই বিনাই কান্দিবলৈ ধৰিলে। মই আৰু আয়ে সাধ্যানুসাৰে খুৰীদেউৰ সকলো তত্বাৱধ[illegible] ধৰিলো।

মোহন যে সেই শ্মশানত পৰিল তাৰপৰা সি আৰু [illegible]ঠল। মই দিনৌ তাক চাবলৈ যাওঁ। সি সেই একে ঠাইতে পৰি থাকে। মাকে তাক চেলেকি থাকে, যেন সান্ত্বনাহে দিছে। নাখাই নবৈ মোহন আৰু কিমান দিন থাকিব? কেইদিনমানৰ পাছত সিও বাপুকণক বিচাৰি কোনোবা অজানপুৰীলৈ গল! মোৰ প্ৰাণটোৱে হাহাকাৰ কৰি উঠিল। কি অপূৰ্ব্ব বন্ধু-প্ৰেম। গাইজনীয়ে দুদিনমান মোহনৰ শটোকে আবৰি আছিল। মই তাইক ঘাঁহ পানী যি হয় তাতে দি আহোগৈ। তাই কিন্তু একো নাখায়। চকুত অজস্ৰ চকুলো লৈ দীনমূৰ্ত্তিৰে কেৱল চাই থাকে মোহনৰ মুখলৈ! কি হাহাকাৰ তাইৰ প্ৰাণত! কিন্তু কোনে বুজে তাইৰ বেদনা!

এদিন পুৱা তাইৰ খবৰ লবলৈ গৈ দেখোঁগৈ যে গাইজনী তাত নাই। মোহনৰ শটোত শগুণ পৰিছে। ইফালে সিফালে অলপ বিচাৰিলো। কিন্তু ওচৰৰ ক'তো তাইক নেদেখিলো। কোনে জানে কোন দিগন্তত তাই তাইৰ পোৱালী বিচাৰি গুচি গল! তাইৰ কাৰণে মোৰ বৰ দুখ লাগিল। মই উদাস মনেৰে গুচি আহিলো। গাইজনীৰ খবৰ আৰু ক'তো নোলাল!

* * *

খুৰীদেউও আৰু নাবাচিল। বাপুকণৰ নাম লৈয়ে এদিন [illegible] কাৰণে চকু মুদিলে। গম্ভীৰভাৱে দদাইদেৱে [illegible] কাম কাজ কৰিলে। গীতা পঢ়ি পঢ়ি দদাইদেউৰ মনত[illegible]—এটা বৈৰাগ্যৰ ভাৱ আহিছিল। তেওঁ সংসাৰৰ মোহ-মায়াৰ পৰা নিজক আঁতৰাই ভগবানৰ চৰণত সকলো অৰ্পণ কৰি দিছিল। দদাইদেউ তেতিয়াৰে পৰা আমাৰ ঘৰতে আছে। এতিয়াও নামকীৰ্ত্তন লৈ দিন নিয়ায়। দুখ-শোকৰ কোনো কথা নুশুনে।"

(চ)

মোৰ কথা ইমান সময়ে সকলোৱে নীৰৱে শুনি আছিল। মই দেখিলো সকলোৰে মুখত এটা বিষাদৰ ছাঁয়া ভাহি গৈছে। মই কোৱা শেহ হলত চলিহাই ধীৰে ধীৰে কলে,— "কি মৰ্ম্মস্পৰ্শী!"

বৰুৱাই মাত লগালে—"হয়তো গল্পটো নিচক কল্পনাও হব পাৰে!"

মই মাথোন ম্লানভাৱে অলপকৈ হাঁহিলো। তেতিয়া মোৰ মনটো কোমলতাত কৰুণ হৈ উঠিছিল। মই মনে মনে ভাবিছিলো গাইজনীৰ কথা! কল্পনাত তাইৰ কৰুণ বেদনাক্লিষ্ট মূৰ্ত্তিটো ভাহি উঠিছিল। অন্তৰত প্ৰশ্ন উঠিছিল "গাইজনী কলৈ গলগৈ [illegible] গলগৈয়ে বা কিয়?"...



পৰিণাম

এনে এটা সময় আহি পৰেহি যেতিয়া মানুহৰ জীৱনৰ গতি আচম্বিতে চঞ্চল হৈ উঠে! তেতিয়া সি ক'তো স্থিৰ হৈ থাকিব খোজে।

অমৃতে আই, এ, পৰীক্ষা দিয়াৰ পাছত মাক আৰু দেউতাকৰ ... চিঠি, টেলিগ্ৰামলৈকো লক্ষ্য নকৰি ঠিক এনে এটা ... তাৰ কাৰণেই অলপ নতুন উত্তেজনাৰ আশাত তাৰ ...ৰ সৈতে কলিকতাৰ পৰা বাহিৰে বাহিৰে তেজপুৰ বন্ধু... অঞ্চলৰ কলাবাড়ীৰ কোনোবা এখন আচুতীয়া গাঁৱলৈ, ৰমণীহঁতৰ ঘৰলৈ গল। ৰমণীৰ দেউতাকে সৰিয়হৰ কাৰবাৰ কৰে। ডাঙৰ মহাজন। তেওঁৰ নিজৰ কেইবাখনো ডাঙৰ ডাঙৰ নাও আছে। সেই অঞ্চলৰ সৰিয়হৰ কাৰবাৰ তেওঁৰ একৰকম একচেতীয়া। মিৰিৰ পৰা সৰিয়হ লৈ নাৱেৰে কলিকতালৈ চালান দিয়ে। ৰমণী অমৃতৰ লগত একেলগে কলিকতাৰ বিপণ কলেজত পঢ়ে। দুয়ো থাকেও একেলগে।

অমৃতৰ ঘৰ শিৱসাগৰত। দেউতাক মোলান হাজৰিকা আব্‌কাৰী হাকিম হৈ যোৰহাটত আছে। মাক বাপেকৰ একেটি সন্তান অমৃত। গতিকে বাধাহীন আদৰৰ মাজত ডাঙৰ দীঘল হবলৈ পাই তাৰ অন্তৰখন হৈ উঠিছিল আৰু চঞ্চল, আৰু তীব্ৰ।

তাৰ গতিত আজিলৈকে কোনেও বাধা দিয়া নাই। গতিকে মুক্ত বিহঙ্গমৰ দৰে তাৰ মন-ডৌকা সদায় স্বেচ্ছাৰে বিচৰণ কৰিবলৈ ব্যাকুল হৈ থকা একো আচৰিত নহয়।

ৰমণীহঁতৰ ঘৰ পাই দেখিবলৈ পালে সি এক নতুন জগত। চহৰৰ মাজত ডাঙৰ দীঘল হৈছে সি। গাঁৱৰ নীৰৱ প্ৰাকৃতিক সৌন্দৰ্য্যৰ গৰিমাৰ লগত আজি এই প্ৰথম সাক্ষাতত তাৰ তেজ... মন উপচি উঠিল এক অপূৰ্ব্ব পুলকত! নিচেই ওচৰতে সৰু-বৰ পাহাৰবোৰ; তাৰ পৰা বৈ আহিছে অসংখ্য পৰ্ব্বতীয়া ... জুৰিবোৰৰ কাষে কাষে মিৰি গাওঁবোৰ। সন্ধিয়া প... পাৰে পাৰে চৰি ফুৰে অসংখ্য বনৰীয়া চৰাই আৰু... জাক! এইবোৰ চাই চাই তাৰ তৃপ্তি লাগে। সন্ধিয়া সূৰ্য্যৰ ৰাঙলী কাঁড়বোৰৰ মাজেদি যেতিয়া নিস্তব্ধ বতাহ মুখৰ কৰি কাষত কলহ লৈ স্বাস্থ্যপূৰ্ণ নিটোল মিৰি গাভৰুৰ জাক আহি ঘাটবোৰত গা ধোৱেহি, নাও খেলেহি, সাঁতোৰ দিয়েহি তেতিয়া তাৰ অন্তৰত খেলি যায় বিদ্যুত প্ৰৱাহ! সি কল্পনা কৰে অনিৰ্ব্বচনীয় ৰোমাঞ্চ!

এইখিনি পায়েই সি ঘৰলৈ চিঠি লিখি দিছে যে সি ৰমণীহঁতৰ ঘৰত কেইদিনমান থাকিব। এই দুদিনৰ ভিতৰতে ৰমণীৰ লগত সি কেইবাখনো মিৰি গাওঁ চাবলৈ গৈছে। লগত মিৰি ডেকা লৈ নাৱত উঠি নাৱো বাইছে। ইয়ালৈ অহাৰ লগে লগে তাৰ উন্মুক্ত প্ৰায় যৌৱন সাৰ্থকতাত, পূৰ্ণতাত, তৃপ্তিত ভৰি উঠিছে।

সেইদিনা পুৱা উঠিয়েই সি ৰমণীক কলে যে আজি দূৰৈৰ হাবিলৈ সিহঁত চিকাৰ কৰিবলৈ যাব। চিকাৰ বুলিলে ৰমণী বলীয়া। তাতে তাৰো অন্তৰ যৌৱনৰ মাদকতাত ভৰপূৰ। বন্ধুৰ লগ পাই সি আৰু সৰস হৈ উঠিছে। কাজেই অতি সহজেই ৰমণী চিকাৰলৈ যাবলৈ মান্তি হল। বন্দুক ঘৰত আছিলেই। [illegible]তাকৰ সন্মতি লৈ এটা বন্দুক লৈ চিকাৰৰ সাজ-পোছাক পিন্ধি লগত অলপ খোৱা বস্তু লৈ দুয়ো পুৱাৰ ভিতৰতে চিকাৰলৈ [illegible]। ৰমণীৰ মাকে দঢ়াই দঢ়াই সিহঁতক সোনকালে [illegible]ক পঠালে।

[illegible] গোটেই দিনটো তলৌ তলৌকৈ পাহাৰে পাহাৰে, হাবিৰ মাজে মাজে ফুৰিও ক'তো একো নাপালে।

এবাৰ বাঘ বুলি শিয়াল এটা গুলিয়াই মাৰিলে। চিকাৰৰ ভিতৰত মাথোন সেয়ে। চিকাৰ অৱশ্যে পাইছিল বহুত। সিহঁতে ইচ্ছা কৰিয়েই হওক বা অমনোযোগিতাৰ বাবেই হওক নাইবা অনভিজ্ঞতাৰ বাবেই হওক মাৰিব হলে একোকে নোৱাৰিলে। আনকি এটা বনৰীয়া মুৰ্গী দুবাৰ গুলি খায়ো নমৰিল। যি কি নহওক অৱশেহত ভোক, পিয়াহ আৰু পৰিশ্ৰমত যেতিয়া সিহঁত লাল-কাল হৈ পৰিল তেতিয়া ঘৰলৈ যাবলৈ ব্যস্ত হৈ ওলাল। পিছে কাঠনিৰ মাজেৰে সিহঁত ইমান দূৰ আহি পৰিছিল যে ঘৰলৈ যোৱা বাটকে হেৰুৱাই পেলালে। অগত্যা আন্দাজে আন্দাজে আহি আহি পাহাৰৰ নামনিত থকা

এখন বিলৰ দাঁতি ওলালগৈ। সৰু বিলখনত কেইজনীমান মিৰি গাভৰুৱে বুকত মেঠনি মাৰি জকাই বাই আছে। বেলি তেতিয়া পাটত বহো বহো হৈছিল। তাৰ সোণালী ৰশ্মিৰ কণিকাবোৰ আহি গাভৰুহঁতৰ চকুৱে, মুখে, গালে পৰি এক অপৰূপ দৃশ্যৰ সৃষ্টি কৰিছিল। তাৰ লগে লগে গাভৰুহঁতৰ সুগোল নগ্ন বাহু আৰু নিটোল বগা ভৰিবোৰ তীব্ৰ গতিত ঘূৰি ফুৰিছিল জকাই ঘূৰুৱাৰ চেৱে চেৱে। বিলৰ পানীত এটা মধুৰ সমতালৰ শব্দ উঠিছিল জকাই উঠোৱা নমোৱা প্ৰতিবা[illegible]। এই দৃশ্য দেখি দুটা বুভুক্ষু শিক্ষিত যুৱকৰ চকু স্থিৰ [illegible] সিহঁতৰ চকুৱে মুখে ফুটি পৰিল আনন্দৰ, উত্তেজনা[illegible] শিহৰণ। ক্ষন্তেকলৈ সিহঁতে দুখ, ভোক, পিয়াহ সকলো পাহৰিলে।

অলপ সময় দুয়ো নিস্তব্ধ হৈ ৰল। কাৰো মুখত মাত-বোল নাই।

এনেতে গাভৰু কিজনীয়ে জকাই সামৰি যাবলৈ ওলাল। সিহঁতৰ কাষেদিয়েই মিৰি গাৱঁলৈ যোৱা সুৰুকীয়া বাট। গাভৰু কিজনীয়ে গুণ্‌গুণাই কিবা এটা বনৰীয়া সুৰ তুলি যাবলৈ ধৰিলে। প্ৰতিটি খোজত সিহঁতৰ পূৰ্ণ-বিকশিত যৌৱনৰ তৰঙ্গ লীলা উচলি উঠিছিল। তাৰে এজনী গাভৰু অলপ পাছ পৰিল। তাই অলপ আঁতৰত জকাই বাই আছিল। বোধকৰো আপোনাৰ আনন্দতে বিভোৰ সৰলা মিৰিয়নীহঁতে তাইলৈ পাহৰিলেই।

এইজনী গাভৰুৰেই আছিল, আটাই কিজনী গাভৰুতকৈ বেছি ধুনীয়া। ইমান সময়ে অমৃতৰ চকু এইতে আবদ্ধ হৈ আছিল। ৰমণীৰ অভিজ্ঞ চকু অৱশ্যে আটাই কেইজনীৰে ওপৰত চঞ্চল হৈ ঘূৰি ফুৰিছিল।

এইবাৰ সিহঁতৰ চক্ ভাগিল। অমৃতে ৰমণীক কলে, "শুনিছ ৰমণী, এই মিৰি গাভৰুজনীৰ লগতে ইয়াৰ পৰা বাহিৰ হওঁ বল। নিশাও হলহি। মিৰি গাওঁ ওলালেগৈ কোনোবা মিৰি মানুহ ল... লৈ ঘৰলৈ যাব পাৰিম।"

...য়ে বিনাবাক্যব্যয়ে তাৰ কথাত সম্মতি জনালে। দুয়ো ...ঁৰৰ পৰা ওলাই একেবাৰে শেহত যোৱা মিৰি গাভৰুজনী... কাষ পালেগৈ। তাই হঠাৎ চাহাবী সাজ পিন্ধা দুটা অচিনাকি মানুহ দেখি প্ৰথমতে অলপ ভয় খাইছিল। পিছে, ৰমণীয়ে তাইক মাতি ৰবলৈ কোৱাত তাই ৰল।

ৰমণীয়ে তাইক নিজৰ চিনাকি দি তাই কোন গাৱঁৰ, বাপেক কোন ইত্যাদি কথা সুধি ললে।

গাভৰুৱে ৰমণীক ভোলানাথ মহাজনৰ পুতেক বুলি জানিব পাৰি সিহঁতৰ ঘৰলৈ মাতি লৈ গল। তাই সেই গাৱঁৰ গাওঁবুঢ়াৰ জীয়েক। সিহঁতক তাইৰ নাম "ময়নী" বুলি ক'লে। ইমান সময়ে অমৃতে একো কোৱা নাছিল। মাথোন অতৃপ্ত আকাঙ্ক্ষাৰে তাইৰ মুখলৈ ৰ লাগি চাইহে আছিল। ময়নীয়েও তাৰ ফালে একোবাৰ কেৰাহী কেৰাহীকৈ চাইছিল। আৰু কোনোবাৰ তাৰ

চকুৰ লগত দৃষ্টি বিনিময় হোৱাত তাই লাজত ৰঙা পৰি উঠিছিল। এবাৰ ময়নীয়ে ৰমণীক সুধিলে—"এই বাবুনো ক'ৰ পৰা আহিছে?"

ৰমণীয়ে অমৃতৰ চিনাকি দি কলে যে এই বাবু এজন ডাঙৰ হাকিমৰ ল'ৰা। চহৰত থাকে। ইয়ালৈ চিকাৰ কৰিবলৈ আৰু ঠাই চাবলৈ আহিছে।

তেতিয়া ময়নীৰ অমৃতৰ সম্বন্ধে আৰু কৌতূহল হল। অমৃতৰ ওখ, ব্যায়ামৰ দ্বাৰা সুগঠিত সুন্দৰ মুখ খনলৈ তাই এবাৰ ভালকৈ চালে। তাইৰ বুকুখন হঠাৎ কঁপি... তাই আৰু সাহ কৰি অমৃতৰ ফালে চাব নোৱাৰিলে। ... বাট দেখুৱাই তাই আগে আগে বিচিত্ৰ ভঙ্গীৰে যাবলৈ ধৰিলে। বুকুত মৰা মেঠনিখনে তাইৰ আঠুৰ ওপৰলৈকেহে ঢাকিছিল। বাকী সকলো অঙ্গই তাইৰ তেনেই নগ্ন হৈয়ে আছিল। মূৰত চুলিৰ ডাঙৰ খোপাটোত গুজি লৈছিল তাই কিবা এপাহ বনৰীয়া ফুল। অমৃতে মনে মনে ময়নীৰ প্ৰত্যেক অঙ্গ-প্ৰত্যঙ্গৰ বিচিত্ৰ ৰমনীয়তা উপলব্ধি কৰি যাবলৈ ধৰিলে।

অলপ গৈ হাবিখন পাৰ হৈয়ে সিহঁতে মিৰি গাওঁ দেখিলে। তাৰ পিছত সিহঁত তিনিও গৈ গাওঁ সোমাল। ময়নীয়ে ঘৰ পাই সিহঁতক বাহিৰতে ৰবলৈ কৈ তাই ভিতৰলৈ সোমাই গল। কিছু সময়ৰ মূৰত তাই আকৌ ওলাই আহিল। এইবাৰ তিতা কাপোৰ সলাই তাই শুকান হালধীয়া আৰু ৰঙা ফুল দিয়া

মেখেলা এখন পিন্ধি আছিল। তাই তেতিয়া সিহঁতক নি আন এটা ঘৰত দুটা মুঢ়া পাৰি বহিবলৈ দিলে। তাৰ পিছত কলে যে বাপেক কৰবালৈ গৈছে এতিয়াই আহিব। সিহঁত যেন অলপ সময় বহে। এই বুলি কৈ তাই আকৌ ভিতৰলৈ গৈ দুটা বাহঁৰ চুঙাত দুচুঙা দৈ গাখীৰ আৰু দুআঁশী পকা কল আনি সিহঁতক খাবলৈ দিলেহি। ভোকত দুয়োৰে পেট পুৰি আছিল। দৈ আৰু কলা সিহঁতে হেপাহ পলুৱাই খালে। লগে লগে ময়নীৰ [illegible] গল্প পাতিবলৈ ধৰিলে। চাওঁতে চাওঁতেই সিহঁতৰ লগত [illegible] বচ বন্ধুতা স্থাপন হল। সবল মিৰি গাভৰু ময়নীয়ে [illegible] আদৰ-সাদৰ কৰি খুৱাই-বুৱাই তাহাতৰ ওচৰতে বহি গল্প শুনিবলৈ ধৰিলে।

সমনীয়াৰ লগত তৰ্ক লাগোতে সদায় মুখ বুজি বহি থকা অমৃতৰ মুখত হঠাৎ আজি কথাৰ জোৱাৰ উঠা দেখি ৰমণীয়েও মনে মনে আচৰিত মানিলে। অমৃত ময়নীক গল্প শুনোৱাত ইমান নিবিষ্ট হৈ পৰিল যে কেতিয়া ৰমণীয়ে তাৰ ক্লান্ত দেহটো ওচৰতে পৰি থকা এচটা তক্তাৰ ওপৰত মেলি দি টোপনিৰ আশ্ৰয় ললে সি কবই নোৱাৰিলে। সি ময়নীক অনৰ্গল কৈ যাবলৈ ধৰিলে,—কলিকতাৰ কথা, বায়স্কোপৰ কথা, উৰাজাহাজৰ কথা, ৰেলৰ কথা আৰু কত কি চমকপ্ৰদ আৰু অদ্ভুত অদ্ভুত কাহিনী!

ময়নীয়েও একাগ্ৰচিত্তে তাৰ কথা শুনি যাবলৈ ধৰিলে।

এচুকত প্ৰকৃতিৰ মাজত সোমাই থকা আজলী মিৰি ছোৱালী তাই! বহল পৃথিবীৰ এই অচিন্তনীয় বিস্ময়জনক কথাবোৰ শুনিছেই বা কাহানি! আজি যেন তাই অমৃতৰ মুখে শুনিবলৈ ধৰিলে এক যাদুপুৰীৰৰ কথা! সিহঁতে কথাৰ কোবত কিমান ৰাতি হল তাৰো খবৰ লবলৈ পাহৰিলে। অমৃতৰ অদ্ভুত বিচিত্ৰ কাহিনী শুনি তাৰ প্ৰতি ময়নী ক্ৰমে আকৃষ্ট হৈ পৰিল!

তাই ভাবিলে—অমৃতে কিমান কথা জানে! কত দেশ দেখিছে! জানোবা তাৰ শক্তিয়েই কিমান!

হঠাৎ সিহঁতৰ কথা বন্ধ হল। অমৃতে ঘূৰি চাই [illegible] ৰমণী নিশ্চিন্তমনে শুই আছে। ঘৰটোত সি আৰু [illegible] বাহিৰে কেওঁ নাই। চাকিৰ ক্ষীণ পোহৰ পৰি ময়নীৰ সুন্দৰ, পূৰ মুখখন জিলিকি পৰিছিল! তাৰ অন্তৰত বাসনাৰ এটা তীব্ৰ বিষাক্ত আকাঙ্ক্ষা জাগি উঠিল! সি তাৰ অন্তৰত কিহবাৰ অস্পষ্ট নৃত্য শুনিবলৈ পালে। তাৰ হিয়াত বসন্তোৎসৱৰ উন্মাদনাৰ সঙ্গীত বাজি উঠিল! তাৰ দৃষ্টিত এনে কিবা এটা আছিল যাৰ স্পৰ্শত মিৰি গাভৰু ময়নীও চঞ্চল হৈ উঠিল। তাই ভয়ে ভয়ে সুধিলে, "কথা দেখোন বন্ধ কৰিলি?"

অমৃতে তাইৰ মুখলৈ চাই হাঁহি মাৰি কলে, "কথা কৈ কৈ আমনি লাগিছে। ঘৰৰ ভিতৰত গৰমো লাগিছে। অলপ বাহিৰলৈ যাওঁ বল।"

তাইও অলপ হাঁহিলে। কিন্তু প্ৰথমতে বাহিৰলৈ যাবলৈ তাই সন্মত নহৈছিল। পাছত অমৃতে বৰকৈ ধৰাত সি বেয়া পাই বুলি তাই অগত্যা তাৰ লগত বাহিৰলৈ গল। অমৃতৰ মূৰত একুৰা দানবীয় জুই জ্বলি উঠিল !...

* * *

বহুত নিশা গৈ অমৃত আৰু ৰমণী ঘৰ ওলালগৈ। অমৃতৰ আজি কি আনন্দ! কৃতকাৰ্য্যতাৰ গৌৰৱত তাৰ অন্তৰখন [illegible] উঠিছে। গাভৰুৰ অঙ্গস্পৰ্শ তাৰ জীৱনত বোধ হয় এয়ে [illegible] যেতিয়া ময়নীক বাহিৰলৈ নি নিৰ্জ্জন ঘাটটোৰ পাৰত [illegible]তত ধৰে তেতিয়া তাৰ বাহ্যিক চেতন প্ৰায় লুপ্তই হৈছিল। গোটেই শৰীৰত তাৰ জুই জ্বলি উঠিছিল। ময়নীয়ে দুৰ্ব্বল বাধাৰে আপত্তি কৰিব খুজিছিল। কিন্তু যেতিয়া তাৰ শকত বাহুৰ মাজত তাইক সাবটি ধৰিলে তেতিয়া ময়নীয়ে আৰু বাধা দিবৰ সুযোগ নাপালে বা বাধা নিদিলে। সেই ক্ষণটোৰ কথা মনত কৰি সি ঘনে ঘনে শিয়ৰি উঠিল। তাৰ হৃদয়ত ধুমুহা বৰলৈ ধৰিলে। পাপ-পুণ্যৰ কথা, ভবিষ্যতৰ পৰিণতিৰ কথা, প্ৰণয়ৰ তুফানৰ আগত সকলো উড়ি গল। এটা অভূতপূৰ্ব্ব মানসিক উত্তেজনাৰ প্ৰেৰণাত অমৃতৰ জ্ঞানেন্দ্ৰিয়ৰ সকলো শক্তি লোপ পালে।

সেইদিনা খাই বৈ শুলে যদিও তাৰ হলে অকণো টোপনি নাহিল। থাকি থাকি মাথোন তাৰ মনত পৰিল ময়নীৰ ভয় কাতৰ

চকু হাললৈ। তাইৰ দৃষ্টিৰ অৰ্থ সি নুবুজিলে। বুজিবলৈ সি কোনো চেষ্টাও নকৰিলে। কাৰণ ইন্দ্ৰিয়-তৃপ্তিৰ দানবীয় উন্মাদনাত সি ইমান নিমজ্জিত হৈ পৰিছিল যে আন কোনো কথা ভাবিবলৈ তাৰ অৱসৰ বা উপায় নাছিল।

ইয়াৰ পাছতো অমৃত আৰু কেইদিনমান ৰমনীহঁতৰ ঘৰত থাকিল।

এই কেইদিনৰ ভিতৰত সি দুদিন সন্ধিয়া ৰমণীক ফাঁকি দি ময়নীহঁতৰ ঘৰলৈ গৈছিল। ময়নীয়ে এই দুদিনো হাঁহি মুখেৰেই তাক সম্ভাষণ জনাইছিল। তাৰ পাপবৃত্তি চৰিতাৰ্থত [illegible] বাধা দিয়া নাছিল। মাথোন অমৃতৰ মুখলৈ সেই কাতৰ[illegible] চাইছিল। যাৰ নীৰৱ ভাষা বুজিবলৈ অমৃতৰ সাধ্য না[illegible] অমৃতে ময়নীক শেহৰ দিনা তাৰ ঘড়িৰ সোণৰ শিকলিডাল দি আহিল। ময়নীয়ে সেইডাল খুজি ৰাখিলে। তাক তাই সেই দিনা যি ব্যাকুলভাবে চাইছিল মূৰ্খ অমৃতৰ প্ৰাণতো তাৰ স্পৰ্শ সি অনুভৱ কৰিছিল। আহিবৰ সময়ত তাৰ অলপ বেয়াও লাগিছিল। কিন্তু সি গভীৰ নাছিল।

দেউতাকৰ পৰা টান চিঠি পাই সি ঘৰলৈ যাবলৈ বাধ্য হল। এটা সুখৰ সঁপোন এৰি থৈ সি ঘৰলৈ গুচি গল।......

* * *

চাওঁতে চাওঁতে দিনৰ পাছত মাহ, মাহৰ পাছত বছৰকৈ কেইবাটাও বছৰ পাৰ হৈ গল। ময়নীৰ স্মৃতি পৰ্য্যন্ত অমৃতৰ

হিয়াত কোন কেতিয়াবাই নাইকিয়া হল ; তাৰ খবৰ কোনে লয় ? কেতিয়াবা এই কাহিনীৰ কথা মনত পৰিলে সি হাঁহে। নিৰ্ব্বিকাৰ তাৰ হাঁহি। এটা লৰালি ধেমালিৰ বাহিৰে সেই কেইদিনৰ ঘটনাটো তাৰ কাৰণে আজি আৰু একো নহয়। এই সম্পৰ্কে বেছি কথা ভাবিবৰো তাৰ সময় নাই। ক'ৰ এজনী মিৰি গাভৰু তাইৰ শক্তিয়েই বা কিমান যে তাইৰ কথা তাৰ মনত আজিও থাকিব।

সি এতিয়া জঙ্গলী বিভাগৰ হাকিম। বাপেক মাক ঢুকুৰা আজি কেইবা বছৰো হল। সি বিয়াও কৰাইছে। তাৰ ঘৈণীয়েক ... ৰেখা নগাঁৱৰ বৰ হাকিমৰ জীয়েক। ৰূপে-গুণে অদ্বিতীয়া ...ৰেখাৰ ৰূপসাগৰত সি সাঁতুৰি নাডুৰি বিভোৰ। তাৰ জীৱন ... সুখেৰেই কাটি গৈছে।

এই সুখৰ মাজতে হঠাৎ এদিন সি আবিষ্কাৰ কৰিলে যে স্বৰ্ণৰেখাক বিয়া কৰোৱা আজি ছয় সাত বছৰৰো ওপৰ হল ; কিন্তু কোনো সন্তান হোৱা নাই। আৰু তাৰ কোনো লক্ষণো নাই। এই কথাটো প্ৰথমে অস্পষ্ট ভাৱে, তাৰ পাছত লাহে লাহে স্পষ্টভাবে তাৰ অন্তৰত খেলাবলৈ ধৰিলে। ক্ৰমে সি মনৰ শান্তি হেৰুৱাবলৈ ধৰিলে। ইমানবোৰ ধন-সম্পত্তি তাৰ কোনে খাব ? ইমান দিনে ৰূপৰ তৃষ্ণাত সি এই কথা ভাবিবলৈ অৱসৰ পোৱা নাছিল। আজি অকস্মাৎ এই প্ৰশ্নই তাক বলীয়া কৰি তুলিলে। তাৰ সুখ নোহোৱা হল। স্বৰ্ণৰেখাৰ ওপৰত তাৰ যি অগাধ ভালপোৱা আছিল সিও ক্ৰমে শিথিল হৈ আহিল।

লাহে লাহে স্বৰ্ণৰেখাইও এই কথা বুজিব পাৰিলে। গিৰীয়েকৰ মানসিক অসন্তুষ্টিৰ হেতুৱে স্বৰ্ণৰেখাকো বেদনা দিবলৈ ধৰিলে। তাই কত প্ৰাৰ্থনা, পূজা-পাতল কৰিলে, কত ঔষধ-পাতি খালে, কত তাবিজ-মাদলী ললে কিন্তু একোতে একো নহল। অৱশেহত স্বৰ্ণৰেখাই গিৰীয়েকক আকৌ বিয়া কৰাবলৈ কলে। এই বিষয়ে যে অমৃতেও ভবা নাই এনে নহয়। কিন্তু স্বৰ্ণৰেখাৰ ম্লান-বেদনাক্লিষ্ট মুখখনলৈ চাই তাৰ এই কাম কৰিবলৈ সত নগল। সি মনে মনে সন্তানহীনৰ বেদনাকে সহিবলৈ গাত ললে ; ত... আকৌ এবাৰ বিয়া কৰাবলৈ ৰাজী নহল। স্বৰ্ণৰেখা হ... পৰিল। যি কি নহওক তাইৰ ভাল পোৱাৰ পূজাৰে... দিনবোৰ অমৃতক সুখী কৰিবলৈ তাই মন প্ৰাণ ঢালি দি...। অমৃতেও বাহিৰে আৰু কেতিয়াও অসন্তোষৰ লক্ষণ প্ৰকাশ নকৰা হল। মাথোন অন্তৰে অন্তৰে তুঁহ জুই জ্বলি থাকিল।

এনে সময়তে তাক কামৰূপৰ পৰা বদলি কৰিলে সদিয়াৰ মৰকংচেলেকলৈ। ইয়াৰ প্ৰাকৃতিক ঐশ্বৰ্য্য দেখি তাৰ হঠাৎ মনত পৰিল বহুত দিনৰ এটা পাহৰা সঁপোনৰ কথালৈ। সি আচম্বিতে এটা হুমুনিয়াহ পেলালে ; কিবা এটা বেদনাৰ সন্ধানত ! তাৰ কল্পনাত ভাহি উঠিল এখন বিষাদ কাতৰ মুখ, এহাল ভয় বিহ্বল চকু ! সি বহুদিনৰ মূৰত আজি সেই মুখখন দেখি চিনি পালে যে সেইখন ময়নীৰ, মিৰি গাভৰু ময়নীৰ মুখ ! আৰু সি বুজিব পাৰিলে তাইৰ সেই চকুৰ দৃষ্টিত ফুটি

উঠা একান্ত নির্ভৰতা আৰু আকাঙ্ক্ষাৰ শব্দহীন ভাষা !··· মনে মনে তাৰ প্ৰশ্ন উঠিল—তাই জানো এতিয়াও জীয়াই আছে ?··· কিন্তু তাৰ এই অলস কল্পনা বেছি সময় নাথাকিল ! কৰ্ম্মস্ৰোতত সি ক'ৰবালৈ উটি গল !

ইয়ালৈ অহাৰ পৰা স্বৰ্ণৰেখাৰো মনৰ কিছু পৰিবৰ্ত্তন হল। কামৰূপত থাকোতে তাই গিৰীয়েকৰ মনোবেদনা আৰু নিজৰো মাতৃত্বৰ বুভুক্ষাৰ কাৰণে যি অশান্তি অনুভৱ কৰিছিল ইয়াত অলপ পাহৰিলে। প্ৰকৃতিৰ এই অতুল ঐশ্বৰ্য্য চাই তাই ...লে। নতুন সৌন্দৰ্য্যৰ অনুভূতিত তাইৰ মন অলপ সতেজ ...ঠিল,—বেদনা পাহৰি। মুঠতে ইয়াত সিহঁতৰ দিনবোৰ একৰকম ভালভাবেই যাবলৈ ধৰিলে।

* * *

সন্ধিয়া সময়। ডাঠ কাঠনিৰ মাজে মাজে ৰাস্তাটো। বেচ সুন্দৰকৈ বন্ধোৱা। বনৰীয়া ফুলৰ এটা মৃদু তীব্ৰ গোন্ধ সান্ধ্য বায়ুৰ বোকোচাত উটি আহিছে - এক অনিৰ্ব্বচনীয় উদ্দাম প্ৰেৰণা লৈ। গছবোৰৰ সুৰুঙাইদি বহিবলগীয়া বেলিৰ ৰঙা ৰেখাবোৰ আহি দূৰৈৰ পাহাৰটোৰ বুকুত পৰিছেহি। এই-বোৰকে চাই চাই অমৃত অফিচৰ পৰা ঘৰলৈ আহিছে। আজি আন দিনাতকৈ তাৰ অলপ দেৰি হল।

সি আহি থাকোতে কাঠনিৰ মাজত আন এটা সুৰুকীয়া বাটেদি এটা চৈধ্য পোন্ধৰমান বছৰীয়া মিৰি ল'ৰা আহি থকা

দেখিলে। ল'ৰাটো নিপোটল আৰু সুগঠিত। তাৰ সাজপাৰ-বোৰ মিৰিৰ দৰে হলেও মুখখন আৰু শৰীৰৰ গঠন ঠিক মিৰিৰ দৰে নহয়। দীঘল জোঙা নাক, ডাঠ ধুনীয়া ক'লা চেলাউৰী, বহল বগা কপালখনত তাৰ এনে কিবা এটা দেখিলে যাৰ বাবে অমৃতে তাৰ ফালে চাই থমক্ খাই ৰল। ল'ৰাটো তাৰ ফাললৈকে আহিছে। আৰু চাইও আহিছে তাৰ মুখলৈকে। তাৰ দৃষ্টিত অজানিতে অমৃতৰ বুকুত কিবা এটি আলোড়ন হল। সি চকখাই উঠিল। তাকে দেখি ল'ৰাটোৱে অলপ হহাঁ যেন ... তাৰ চকুত তীব্ৰ দৃষ্টি !

ল'ৰাটো আহি কাষ পালত অমৃতে তাক সুধিলে,—"ক'... আহিছ ? ইয়াত কি লাগে ?"

সি ক'লে, "মই মিৰি গাওঁৰ পৰা আহিছোঁ। ইয়ালৈ অহা আজি দুদিন মান হ'ল। চাকৰি পাওনে কি বিচাৰি আহিছোঁ।"

"এই দুদিন ক'ত আছিলি ? কি চাকৰি কৰিবি ?"

"সৌ হাবিৰ মাজতে এদিন আছিলোঁ। কিবা কিবি বনৰীয়া ফল-মূল আৰু পানী খাই আছিলোঁ।···যি চাকৰি দিয়ে তাকে কৰিম। আপোনাৰ তাত থাকিবলৈ দিলেও থাকিব পাৰিম। ঘৰৰ বনবাৰী কৰিবও জানো !"

অমৃত আৰু আচৰিত হল। মিৰি ল'ৰাৰ মুখত ইমান ভদ্ৰ কথা ! সি মনে মনে বহুত কথা ভাবিলে।···এবাৰ তাৰ জীৱনৰ চৈধ্য-পোন্ধৰ বছৰৰ আগৰ কথাও মনত পৰিল। সেই আপদীয়া

ৰাতিৰ কথা।...তেতিয়া সি ৰাতিটো আপদীয়া বুলি ভবা নাছিল। আজি কেইদিনমানৰ পৰা সেই অমঙ্গলীয়া ঘটনাটোক সি এই-দৰেই সোঁৱৰণ কৰিছে।...হঠাৎ এতিয়া আকৌ ল'ৰাটোক দেখি তাৰ এইবোৰ কথা কিয় মনত পৰিল সি একো বুজিব নোৱাৰিলে। তাৰ ল'ৰাটোলৈ মৰম লাগিল।

তাৰ লগতে তাক আহিবলৈ কৈ সি ঘৰলৈ খোজ ললে। ঘৰলৈ নি ল'ৰাটো ঘৈণীয়েক স্বৰ্ণৰেখাক চম্‌জাই দি তাৰ বিষয়ে [illegible] কথা বুজাই কলে। আৰু এইটোও কলে যে ল'ৰাটো [illegible]পৰা ইয়াতে থাকিব। তাক যেন স্বৰ্ণৰেখাই মৰম চেনেহ [illegible]।

স্বৰ্ণৰেখাই কাৰো ওপৰত কেতিয়াও বেয়া ব্যৱহাৰ কৰা নাই। তাই সকলোকে ভাল ব্যৱহাৰ কৰে। চাকৰ-নাকৰ-বোৰকো বৰ মৰম কৰি চলায়। গতিকে এই নতুন ল'ৰাটোৰ প্ৰতিও তাইৰ আদৰৰ পৰিমাণ নকমিল। বৰং তাক অলপ বেছিকৈহে চেনেহ কৰিবলৈ ধৰিলে। কাৰণ গিৰীয়েকৰ বিশেষ অনুৰোধৰ উপৰিও ল'ৰাটোৰ মুখখন এনে মৰম লগা আছিল যে তাই স্বভাৱতে তাৰ প্ৰতি আকৃষ্ট হৈ পৰিল।

ল'ৰাটোৰ নাম অকণ। সি সেইবুলিয়েই অমৃত আৰু স্বৰ্ণৰেখাৰ আগত কৈছে। সিহঁতৰ আগত সি আৰু এইটোও কৈছে যে তাৰ মাক-বাপেক কেওঁ নাই। ককাৱকৰ লগত ইমান দিনে আছিল। পিছে আজি ছমাহমান হল ককাৱকো মৰিল।

তাৰ পাছত কিছুমান দিন সি ইঘৰ-সিঘৰকৈ আছিল। পিছে কেঁৱে তাক আদৰ নকৰাত সি তাৰপৰা গুচি আহিল। কেইবা ঠাইতো ঘুৰি-ফুৰি অৱশেহত সি আহি এইখিনি পাইছেহি। অমৃতে নীৰলে তাক আৰু বহু কথা সুধি ললে। সি তাৰপৰা জানিব পাৰিলে যে অকণৰ বাপেক কোন সি কব নোৱাৰে। মাকৰ নামো সি নাজানে। তাহাঁতৰ গাওঁখন ৰমণীহঁতৰ গাওঁৰ ওচৰতে বুলি সি কলে।

অকণে যে তাৰ মিছা পৰিচয় দিছিল এই কথা অমৃতে [illegible] বুজিব পৰা নাছিল! পাছতহে সেইকথা বুজিছিল। [illegible] বহুত পিছত।...গতিকে এতিয়া অকণ তাৰ মানত ৰহ[illegible] থাকিল!

কিছুদিনৰ পিছত স্বৰ্ণৰেখাই আবিষ্কাৰ কৰিলে যে অকণৰ বুদ্ধি বৰ চোকা আৰু সি লিখা-পঢ়াও কিছু জানে। এইকথা তাই গিৰীয়েকক কলে। অমৃতে অৱশ্যে লিখা-পঢ়াৰ কথা নাজানিলেও অকণৰ বুদ্ধি যে চোকা এইটো লক্ষ্য কৰিছিল আগতে। তেতিয়াৰ পৰা অকণৰ আদৰ আৰু বাঢ়িল। স্বৰ্ণৰেখাই তাক অলপ অচৰপ পঢ়াবলৈকো ধৰিলে।

দেখাত অকণে সুখেৰেই দিন নিয়াবলৈ ধৰিলে।

কেইমাহমানৰ পাছত স্বৰ্ণৰেখাই অকণৰ বিশেষ কেইটামান কথা লক্ষ্য কৰিবলৈ ধৰিলে। অকণে গা-ধোতে বৰ নীৰলে আৰু গোপনে ধোৱে। আৰু চল পালেই সি অমৃতৰ মুখলৈ

ৰ লাগি চাই থাকে। তাই এইটোও লক্ষ্য কৰিছে যে এনেকৈ চাই থাকোতে তাৰ মুখমণ্ডল কঠোৰ হৈ উঠে। তাই নজনা ভয়ত উচাপ খাই উঠে।···পিছে সেই ভাৱ স্বৰ্ণৰেখাৰ বেছি পৰ নাথাকে। ক্ষন্তেকতে নোহোৱা হয়।

সিহঁতৰ জীৱন সহজ গতিত চলিবলৈ ধৰে।

... ...

সেইদিনা ৰাতিপুৱা বিচনাৰ পৰা শুই উঠিব খুজি স্বৰ্ণৰেখাই [illegible]কৰিলে যে তাইৰ গোটেই গাতে বিষ আৰু জ্বৰ। তাই [illegible]ষ্টা কৰিও গাৰুৰ পৰা মূৰটো দাঙিব নোৱাৰিলে। [illegible]ক মাতিবলৈকো তাইৰ কণ্ঠৰোধ হৈছে। পিয়াহত অণ্ঠ-কণ্ঠ শুকাই গৈছে। কিন্তু পানী খুজিবলৈ উপায় নাই।

অমৃত বহুত আগতে উঠি কামলৈ গৈছে। প্ৰায়েই এনে হয়। বেছিকৈ কাম থাকিলে বা জৰুৰী ক'ৰবালৈ যাব লগা থাকিলে অমৃত ঘৈণীয়েক নৌ উঠোতেই উঠে। ৰান্ধনিটোক জগাই চাহ-জলপান খাই সি গুচি যায়। ঘৈণীয়েকক জগাই সি আৰু আমনি নকৰে। সি এনে কৰে ঘৈণীয়েকলৈ মৰমৰ কাৰণেই। এইটো অৱশ্যে স্বৰ্ণৰেখাইও বুজে! কিন্তু আজি হঠাৎ তাইৰ মনটো ঠিক এই কাৰণেই বেয়া লাগিল। এই যে ৰাতিপুৱা গিৰীয়েকে তাইক নামাতিলে আজি সি তাইৰ চকুত আন এটা ৰূপ ললে। তাইৰ প্ৰতি গিৰীয়েকৰ এনে উদাসীনতাত

আজি স্বৰ্ণৰেখাৰ অভিমান হল। তাইৰ অন্তৰখনে কান্দি উঠিল। গিৰীয়েকৰ চেনেহ, আদৰ, অনুৰাগ অতীতৰ সকলো কথা তাই মুহূৰ্ত্তলৈ পাহৰি পেলালে। তাই নীৰৱে চকুলো টুকিবলৈ ধৰিলে।

আঁঠমান বজালৈকে স্বৰ্ণৰেখা নুঠা দেখি অকণ ভিতৰলৈ সোমাই গৈ তাইক জগাই দিবলৈ চালে। তাক দেখি স্বৰ্ণৰেখাই হাতৰ ইঙ্গিতেৰে তাইৰ যে পিয়াহ লাগিছে এই কথা বুজাই দিলে। সি তৎক্ষণাৎ বুজিব পাৰিলে যে তাইৰ কিবা অসুখ হৈছে। সি লৰালৰিকৈ পানী আনি মুখত দিলে; আৰু [illegible] দি চাই দেখিলে যে স্বৰ্ণৰেখাৰ ভয়ঙ্কৰ জ্বৰ। তেতিয়াই [illegible] হাত ভৰি গৰম পানীৰে ধুৱাই গাত কাপোৰ কানি ভালকৈ [illegible] দি ডাক্তৰ মাতিবলৈ এটা মানুহ পঠিয়াই দিলে। লগে লগে অমৃতলৈকো খবৰ দিলে। অমৃত উধাতু খাই ঘৰ পালেহি। সি ঘৈণীয়েকৰ অৱস্থা দেখি বিচুৰ্ত্তি হল। কোনো দিনে ঘৈণীয়েকৰ কোনো অসুখ বিসুখ হোৱা নাই। আজি এইয়া কি বিনামেঘে বজ্ৰপাত! সি বিমোৰ হৈ মূৰে-কপালে হাত দিলে। ওচৰতে অকণ থিয়দি আছিল। অমৃতৰ এনেভাৱ দেখি তাৰ মুখত অলপকৈ হাঁহিৰ ৰেখা ফুটি উঠি তেতিয়েই মাৰ গল। তাৰ পিছত সি অমৃতক ভয় কৰিবলৈ হাক দি নানা উপদেশ দিলে।

গিৰীয়েকৰ হাব-ভাব দেখি স্বৰ্ণৰেখাৰো অভিমান ক'ৰবালৈ গ'ল।

ডাক্তৰ আহি পালেহি। ডাক্তৰে ৰোগী চাই ব্যৱস্থা দি গ'ল। বেঁচ ভাল ৰকমেই শুশ্ৰূষা চলিবলৈ ধৰিলে। অকণে প্ৰাণপাত কৰি স্বৰ্ণৰেখাৰ সেৱা কৰিবলৈ লাগিল। কিন্তু একোতেই একো হোৱা নাই। সাত দিনৰ দিনা ডাক্তৰে জনালে যে জ্বৰ সান্নিপাত। অমৃতৰ তালুৰ আগে জীৱ গ'ল। সি হিয়া ঢাকুৰি কান্দিব খুজিলে। কিন্তু নোৱাৰিলে।···সি এই কেউদিন গেণীয়েকৰ ওচৰৰ পৰা লৰা নাই। খোৱা-বোৱাও একৰকম দিছে। অকণেহে জোৰ কৰি তাক খাবলৈ নিব পাৰে। ৰা একো নহয়। সি পাতত বহিয়েই উঠি আহে।

য়ে সময়ে এনেকুৱা দেখিলে অকণৰ মুখখন কঠিন হৈ উঠে অমৃতৰ ফালে চাই। পিছ মুহূৰ্ত্ততে আকৌ আগৰ দৰে কোমল হৈ পৰে।

স্বৰ্ণৰেখাই গিৰীয়েকৰ অৱস্থা দেখি মনে মনে কান্দি উঠে। তাই কেতিয়াবা কেতিয়াবা গিৰীয়েকৰ হাতটো নিজৰ বুকুৰ মাজত লৈ থাকে। গিৰীয়েকৰ মুখলৈ চাই তাইৰ কাৰণে দুখ কৰিবলৈ হাক দিয়ে।

এফালে যেনেকৈ স্বৰ্ণৰেখাই গিৰীয়েকৰ শোক-মলিন মুখখন দেখি বেজাৰ পায়; আনফালে সেইদৰে তাইৰ অন্তৰখন ভৰি উঠে তৃপ্তিত, তাইৰ প্ৰতি গিৰীয়েকৰ ভালপোৱাৰ পৰিচয়ত।

নিয়তিৰ ইচ্ছাক কেৰেঁ বাধা দিব নোৱাৰিলে। স্বৰ্ণৰেখাৰ অৱস্থা ক্ৰমে বেয়া হৈ আহিল। এৰৈকেশ দিনৰ দিনা তাই

চিৰকাললৈ চকু মুদিলে। অমৃতে তাৰ কি হ'ল একো বুজিব নোৱাৰিলে। তাৰ যেন বুকুখন চিৰকাললৈ ভাগি গ'ল। সি মুচ্‌কচ্‌ গৈ মাটিত ঢাচ্‌ কৰে পৰিল।···অকণৰ মুখত মাথোন কেইবাটাও ভাবৰ উঠা নমা হল। তালৈ লক্ষ্য কিন্তু কোনেও নকৰিলে। তাৰ দৰকাৰো নাছিল।

যি কি নহওক অকণে যিমান পাৰে অমৃতক সান্ত্বনা দিবলৈ চালে। সি বৰ্ত্তমান অমৃতৰ একমাত্ৰ সম্বল হৈ পৰিল।

অমৃত লাহে লাহে সুস্থ হৈ উঠিল।

* * *

পুৰণি হোৱাৰ লগে লগে মানুহে অতীতক পাহ ই মানুহৰ স্বভাৱ। অমৃতেও লাহে লাহে স্বৰ্ণৰেখাৰ শোক পাহৰি আহিল। বাহিৰত তাৰ বিশেষ চিন নোহোৱাই হৈ পৰিল। কিন্তু বুকুৰ ভিতৰত তাৰ যি কুৱা স্থায়ী-জুই জ্বলিল সি আৰু নুমুৱা অসম্ভৱ। ল'ৰা-ছোৱালী নোহোৱাৰ দুখ তাৰ এতিয়া দুগুণ হৈ পৰিল।

তাৰ সংসাৰৰ সকলো ভাৰ অকণৰ হাতত সি এৰি দিছে। সি মাথোন দুবেলা দুসাজ খাবলৈ পালেই হল।

সি অফিচলৈ যায়। যন্ত্ৰৰ দৰে সকলো কাম কৰে। প্ৰাণহীন তাৰ সকলো কাম। মানুহৰ লগত আগৰ দৰেই সি হাঁহে, মাতে, খেলা-ধূলা কৰে। পৰিবৰ্ত্তনৰ একো চিন নাই। আনে বাহিৰৰ পৰা বুজিলে তাৰ স্বৰ্ণৰেখাৰ স্মৃতি একেবাৰে লোপ পালে।

বহুতে এইটোও প্ৰকাশ কৰিলে যে কেনে নিষ্ঠুৰ এই মানুহটোৰ আচৰণ!...... কিন্তু কোনেও ধৰিব নোৱাৰিলে যে অমৃতৰ অন্তৰত একুৰা শোকৰ জুই দিনে-ৰাতিয়ে সমানভাৱে জ্বলি আছে!

যেতিয়া কৰ্ম্মকোলাহলৰ পৰা আজৰি পাই, সি তেতিয়া নিজম ৰাতি তাৰ কোঠালীত বহি নীৰলে চকুলো টোকে! [illegible]ৰ্ণৰেখাৰ শত স্মৃতিয়ে তাক আকুল কৰি তোলে।... তাৰ অন্তৰৰ পোৰণি মাৰিবলৈ সি কি কৰিব? সংসাৰৰ ওপৰত, ভ[illegible]পক্ষে তাৰ বিদ্ৰোহ কৰিবৰ ইচ্ছা হল! কিন্তু দুৰ্ব্বল [illegible]মুখ সংগ্ৰামত পৃষ্ঠভঙ্গ দি সি সংসাৰক ফাঁকি দিবলৈ [illegible]।

শোক নিবাৰণৰ উজু উপায় ৰূপে সি মদ খাবলৈ ললে। মদ খালে যে শোকৰ পৰা সাৰিব পাৰি এই কথা সি আগতে বহুতৰ মুখে গল্প শুনিছিল। আজি সি তাৰে কাৰ্য্যকৰী প্ৰমাণ ললে। মদ সি কেতিয়াও নাখাইছিল। যৌৱনৰ প্ৰাৰম্ভত কেতিয়াবা এদিন সি চৰিত্ৰগত কিবা ভুল কৰিলেও সি আন প্ৰকাৰে কেতিয়াও নষ্ট হোৱা নাছিল।

কিন্তু এইবাৰ তাৰ জীৱনৰ গতি হল নতুন পথত।...

অকণে সি মদ খোৱাৰ কথা গম পালে। তাৰপৰা কোনো কথা লুকাবৰ অমৃতৰ সাধ্য নাছিল। আনকি নোৱাৰিছিলো। তাৰ হাততে সকলো টকা-কড়ি, ছাবি-কাঠি আছিল। সকলো

ভিতৰুৱা কথাতে অকণৰ অবাধ গতি হৈছিল—স্বৰ্ণৰেখা ঢুকুৱাৰে পৰা। অকণে তাক মদ খোৱাত কোনো বাধা নিদিলে। বৰং পৰোক্ষভাৱে তাক উৎসাহহে দিবলৈ ধৰিলে। এই কথাত অমৃতে অকণক আৰু ভাল পাবলৈ ধৰিলে। ক্ৰমে অমৃত পকা মদপী হৈ উঠিল।

কোনো দিনে মদ মুখত নিদিয়া অমৃতে আজি কালি মদ নহলে এখন্তকো থাকিব নোৱাৰে। তাৰ সহায় হল অকণ। মদৰ পঙ্কিলতাত সি চাওঁতে চাওঁতে আকণ্ঠ নিমজ্জিত হৈ পৰিল। তাকে চাই অকণৰ চকু দুটা উজ্জ্বল হৈ উঠিল।

মদ ইমান বেছিকৈ খাবলৈ ধৰিলে যে অমৃতৰ কিছুদিনৰ[illegible] পেটৰ বিষ হল। ডাক্তৰে পৰীক্ষা কৰি চাই কলে যে নি[illegible] বেয়া হৈ গৈছে। ভাল চিকিৎসাৰ আৱশ্যক। গতিকে সি ছমাহৰ ছুটী লৈ চিলঙলৈ যাত্ৰা কৰিলে। লগত গল অকণ।

* * *

কেইদিনমান ডাক্তৰৰ তীক্ষ্ণ চকুৰ আগত থকাত অমৃতৰ মদ খোৱা অলপ পাতলিল। যদিও সুবিধা বুজি অকণৰ সহায়ত দুই এক পেগ্ মাজে মাজে খাব পাৰিছিল।

যি কি নহওক ভাল চিকিৎসা আৰু স্বাস্থ্যকৰ ঠাইৰ কাৰণে অকণে পেটৰ বিষ অলপ কম পালে।

অলপ সুস্থ হৈ এদিন সি এখন আৰাম চকীত বহি কিবা-কিবি ভাবি আছিল। ওচৰতে অকণে বহি বুৰুজ দি বটল এটা পৰিষ্কাৰ

কৰিছিল। অকণ অমৃতৰ লগত থকা চাৰি পাঁচ বছৰমান হল। সি এই কেই বছৰৰ ভিতৰতে বেচ বুজন হৈ পৰিছে। এবাৰ অমৃতৰ চকু হঠাৎ তাৰ ওপৰত পৰিল। লগে লগে কিয় কব নোৱাৰি তাৰ গোটেই গাত বিজুলী খেলি গল। সি অলপ সময় থৰ লাগি অকণৰ ফালে চাই থাকিল। সি যেন তাৰ মুখৰ ওপৰত কিহৰ অনুসন্ধান কৰিছে।

এনেতে মূৰ ডাঙি অকণেও তাৰ মুখলৈ চালে। তাৰ চকুৰ [illegible] অমৃতৰ চকু মিলিলতে সি অলপকৈ হাঁহি দিলে। অমৃতে [illegible] হৈ সুধিলে—"কিয় অকণ, তই হাঁহিলি দেখোন ?"

[illegible] কলে, "এটা কথা মনত পৰিছে দেউতা। সেই আমাৰ [illegible] কথা।"

অমৃতে আগ্ৰহেৰে সুধিলে,—"কি কথা অ' ?"

"এজনী ছোৱালীৰ কথা দেউতা। বৰ দুখলগা ঘটনা।"

"দুখলগা কথা যদি তই হাঁহিলিহে দেখোন।"

"মই তাইৰ কথা ভাবি হঁহা নাই। হাঁহি উঠিছে সেই পাষণ্ড লম্পটটোৰ জুৱাচুৰিৰ কথা ভাবিহে! তাৰ নিচিনা মানুহকে আকৌ মানুহে ডাঙৰ মানুহ বোলে। সমাজত সিয়েই আজি ডাঙৰ মানুহ। কি হাঁহি উঠা কথা!" সি নীৰসভাবে হাঁহি উঠিল। হাঁহিলে যদিও তাৰ চকুৰ কোণত ঘৃণা আৰু ক্ৰোধৰ ভাব স্পষ্ট হৈয়ে থাকিল।

অমৃতে কলে,— "বাৰু ঘটনাটো কি কচোন ; শুনোৱেই।"

অমৃতৰ মুখলৈ কিছুপৰ স্থিৰদৃষ্টিৰে চাই অকণে ক'লে,— "বাৰু কওঁ শুনক।"

* * *

অকণে আৰম্ভ কৰিলে :

তাই আছিল আমাৰ গাৱঁৰ গাওঁবুঢ়াৰ জীয়েক। তাই দেখিবলৈ আছিল যেনে শুৱনী কামতো আছিল তেনে লায়ক। গাৱঁৰ সকলো গাভৰুৰ ভিতৰত নামগোৱা, নচা, সাঁতোৰ দি[illegible] নাওঁবোৱা, কাপোৰ বোৱা সকলোতে আগঠাই পাইছিল [illegible] গাওঁবুঢ়াৰ জীয়েকৰ বাহিৰে আৰু একো সতি-সন্ততি [illegible] সেই কাৰণে তাইৰ ওপৰত গাওঁবুঢ়াৰ অগাধ চেনেহ [illegible] তাইৰ মাক সৰুতে মৰিছিল। গতিকে গাওঁবুঢ়ায়েই তুলি-[illegible] ডাঙৰ-দীঘল কৰিবলগা হৈছিল।

উপযুক্ত সময়ত গাওঁবুঢ়াই তাইক সেই গাৱঁৰে এটা ডেকালৈ উলিয়াই দিব খুজিছিল। পিছে তাইৰ তাত মন নোখোৱাত বিয়া কৰাব নুখুজিলে। বাপেকেও জোৰ নকৰিলে।

এনে সময়তে সেই গাৱঁলৈ এদিন এটা নগৰীয়া ডেকা আহিল। ডেকাটো দেখিবলৈ বৰ শুৱনি আছিল। তাক দেখি তাইৰ মনত কিবা এটা ভাব হল। তাই তাক ভাল পালে।

এই দুৰ্ব্বলতাৰে সুযোগ লৈ সেই লম্পটে তাইক পাপ-পথলৈ টানি নিলে। সি তাইৰ সৰ্ব্বনাশ কৰিলে। তাই তেনে বেয়া কামলৈ প্ৰথমতে আগবাঢ়িব নুখুজিছিল। কিন্তু পাপীষ্ঠৰ

ফুচুলনিত তাই ভোল গল।...... ইয়াৰ কেইদিনমানৰ পাছত নগৰীয়া ডেকা গুচি গল। বেচেৰীয়ে দিনে-ৰাতিয়ে কান্দি-কাতি দিন নিয়াবলৈ ধৰিলে।

ইয়াৰ ফলত তাই অন্তঃস্বত্বা হল। এই কথা অতি অলপ দিনৰ ভিতৰতে গাৱঁত ৰাষ্ট্ৰ হৈ পৰিল। গাৱঁৰ মেলুৱৈ সকলে মেল গোটালে। তাইক চোৰৰ কথা সোধা হল। কিন্তু তাই ...পধ্যেই চোৰৰ নাম নকলে। কাৰণ তাই ভালকৈ ...ছিল যে তাৰ নাম কলে তাৰ মান ইজ্জত যোৱাৰ ভয় ... তাই ইমান ভাল পাইছিল তাক!

...ৱঁৰ মানুহে বাপেকক তাইক নিলগ কৈ থবলৈ কলে। কিন্তু গাওঁবুঢ়াই নথলে। ইয়াৰ কাৰণে সিহঁতে বাপেক-জীয়েকক জুই-পানী নিষেধ কৰিলে। আৰু তাক গাওঁবুঢ়া কামৰ পৰাও বৰ্খাস্ত কৰালে।...... কিছুদিনৰ পাছত তাইৰ এটা ল'ৰা হল। ল'ৰাটো পাই তাই সুখী হল। জহৰা বুলি আনে মুখ কোচালেও তাই ল'ৰাটোক নিজৰ প্ৰাণতকৈও ভাল পাবলৈ ধৰিলে।

কিন্তু দুখীয়াৰ দুখ নুগুচে। তাই যিমান আশা কৰিছিল সেই আশা নুপুৰিল। তাই সুখৰ মুখ নৌ দেখোতেই ল'ৰাটোৰ দহ কি এঘাৰ বছৰ বয়সতে তাই এদিন এই নিষ্ঠুৰ সংসাৰৰ পৰা বিদায় ললে। যাবৰ বেলিকা ল'ৰাটোক বুকুত সাৱটি এটি চুমা খালে। আৰু তাক তাৰ বাপেক কোন তাৰো সম্ভেদ দি গল। বাপেকে তাক কেনেকৈ চিনিব পাৰিব এই কথাও তাক গোপনে কৈ গল।

ইমান দিনে সেই লম্পটে তাইৰ খবৰ নকৰিলেও তাই হলে তাৰ খবৰ ৰাখিছিল। আৰু অতি সন্তৰ্পণে মৰাৰ কিছুদিনৰ আগতে পুতেকক নি বাপেকক দেখুৱাইছিলগৈও। সেই লম্পট তেতিয়া ৰজাৰ ডাঙৰ বিষয়া। সমাজত গণ্য-মান্য লোক। কিন্তু তেতিয়া তাই তাৰ চিনাকি দিয়া নাছিল। মৰিবৰ সময়ত পুতেকক সেই চিনাকি দি গল।

মাকৰ মুখে বাপেকৰ সকলো চিনাকি জানিব পাৰি পুতেক... মনত বাপেকলৈ বিজতৰীয়া ঘৃণা ওপজে। আৰু সি মনে... বাপেকৰ ওপৰত প্ৰতিশোধ লবলৈ ঠিক কৰিলে। তাৰ ... বয়স বৰ বেছি নহলেও মাকৰ পৰা আৰু পাৰিপাৰ্শ্বিক অ... পৰা সি তাৰ বয়সতকৈ অনেক বেছি কথা বুজিব পাৰিছিল।... এই প্ৰতিশোধৰ কামনাকে লৈ সি জীৱন নিয়াবলৈ ধৰিলে।

মাক মৰাৰ পাছত সি ককাৱকৰ লগত থাকিল। জীয়েকৰ শোকত ককাৱকো নিচেই জুৰুলা হৈ পৰিছিল। সমাজৰ নিষ্ঠুৰ আচৰণো আৰু সহিবলৈ বুঢ়াৰ শক্তি নোহোৱা হৈছিল। জীয়েক মৰাৰ তিনি কি চাৰি বছৰৰ পিছতে বুঢ়াও এদিন হঠাৎ মৰি থাকিল। নাতিনীয়েকে কান্দি কান্দি ককাৱকৰ সৎকাৰ কৰিলে। তাৰ পাছৰ পৰা সি একেবাৰে সহায়-সম্বলহীন নিঠৰুৱা হৈ পৰিল। কেইদিনমান মানুহ নোহোৱা ঘৰটোত কান্দি কান্দি পৰি আছিল। পিছত পেটৰ পোৰণিত উপায় নেপাই ওচৰ চুবুৰীয়াৰ ঘৰে ঘৰে ফুৰি খুজি খাবলৈ ধৰিলে।

কোনোৱে মৰম কৰি এমুঠি দিয়ে। কোনোৱে নিদিয়ে। এইদৰে কেইমাহমান থকাৰ পাছত সি তাৰ অচিনাকী বাপেকক বিচাৰি গাৱঁৰ পৰা গুচি গল।

* * *

ইমান সময়ে কোনো মাত বোল নোহোৱাকৈ অৰুণৰ কথা অমৃতে একান্তমনে শুনি আছিল। সি সেই কথাবোৰ সঁপোনত [illegible]নে দিঠকত শুনিছে একো বুজিব নোৱাৰিলে।... এনেতে [illegible] অলপ সময় বল। তাৰ চকু দুটা তেতিয়া অতিমাত্ৰাই [illegible] উঠিছিল। তাৰ মুখখনো কঠোৰ হৈ পৰিছিল।

[illegible] অমৃতে সঁপোনত সোধা দি সুধিলে—"তাৰ পাছত অৰুণ ?"

[illegible] অৰুণে মুখ বিকৃত কৰি অলপ হাঁহি আকৌ আৰম্ভ কৰিলে,— "সি গৈ বাপেকক পালে। কিন্তু চিনাকি নিদিলে। প্ৰতিশোধ লবলৈ চল বিচাৰি বাপেকৰ লগতে চাকৰ হৈ থাকিল। বাপেকেও তাক চিনি নাপালে। চিনি পোৱা সম্ভৱো নাছিল।

অতি অলপ দিনৰ ভিতৰতে সি বুজিব পাৰিলে যে সেই ডেকা কালত কৰা পাপৰ কাৰণে বাপেকৰ এতিয়া অলপ অনুতাপো হৈছে।

সি চাকৰ হৈ থাকিল যদিও বাপেক ওৰফে গিৰিহঁত আৰু গিৰিহঁতনীয়ে তাক খুব মৰম কৰিবলৈ ধৰিলে। কবলৈ পাহৰিছোঁৱেই যে বাপেকে বিয়া কৰাইছিল ডাঙৰ মানুহৰ ঘৰৰ ছোৱালী।

গিৰীহঁতৰ মৰমতকৈ গিৰীহঁতনীৰ আদৰ তাৰ ওপৰত বেছি হৈছিল।

পুতেকে লাহে লাহে এইটোও বুজিব পাৰিলে যে বাপেকক ঈশ্বৰেও কিছু শাস্তি দিছে। কিয়নো তেতিয়ালৈকে সিহঁতৰ সন্তানাদি হোৱা নাই। আৰু আগলৈ হোৱাৰ কোনো চিনো নাই। ইয়াৰ বাবে সিহঁতৰ মনত বৰ দুখ।... সাতে-সোতৰে পুতেকে তাৰ মাতৃ লাঞ্ছনাৰ প্ৰতিশোধ লোৱাৰ কল্পনা কিছুদিনলৈ স্থগিত ৰাখিব লগীয়া হল। তাৰোপৰি সি প্ৰতিশোধ লবলৈ ক[illegible] সুযোগো পোৱা নাছিল।

এনে সময়তে তাক ভগৱানে সুযোগ মিলাই দিলে। বাপে[illegible] ঘৈণীয়েক অৰ্থাৎ তাৰ গিৰীহঁতনী হঠাৎ বেমাৰ পৰি মৰি থাকিল। তেতিয়া বাপেক শোকত ম্ৰিয়মান হৈ পৰিল। সি শোক পাতলাবলৈ বুলি হিতাহিত জ্ঞান হেৰুৱাই মদ খাবলৈ ললে। আৰু এই কামত তাক সহায় কৰিলে তাৰ চাকৰ ল'ৰাটোৱে অৰ্থাৎ তাৰ জহৰা পুতেকে!

এই সুযোগতে এদিন মদৰ লগত পুতেকে গাৱঁৰ বেজৰ পৰা শিকি লৈ অহা এবিধ বিশাক্ত ঔষধৰ গুৰি দি থলে। সেই মদ খাই তাৰ লিভাৰ আৰু কলিজা অতি সোনকালে নষ্ট হৈ গল। আৰু লগে লগে সি মৰণৰ পথত তিলে তিলে আগবাঢ়িবলৈ ধৰিলে। জাৰজ, লাঞ্ছিত পুতেকে তাৰ প্ৰতিশোধৰ অভিনৱ সাফল্যত মনে মনে তৃপ্তিৰ হাঁহি হাঁহিলে।...

হঠাৎ উত্তেজনাত থৰ থৰকৈ কঁপি অমৃতে চিঞৰি উঠিল— "অকণ, অকণ !"

হাঃ হাঃ হাঃ কৰি অকণে ৰাক্ষসৰ দৰে হাঁহি উঠিল ! সি একো নামাতিলে। তাৰ চকুৰ পৰা চিটিকি ওলাল প্ৰতিশোধৰ একুৰা জ্বালাময়ী জুই !

অমৃতে ভয়ে ভয়ে তাৰ মুখলৈ চাই সুধিলে—"সেই—সেই যিৰি ছোৱালীজনীৰ ল'ৰা—তই ? আৰু—আৰু—তাই—"

"তায়েই ময়নী। আৰু ময়েই ময়নীৰ জাৰজ ল'ৰা অকণ !"

"কিন্তু—কিন্তু—" অমৃতে কঁপা ওঠেৰে কিবা কব খুজিলে।

অকণে বাধা দি কলে,— "চিন বিচাৰিছে দেউতা ? এইয়া চাওক—" এই বুলি ককালৰ পৰা উলিয়াই সি এডাল ঘড়ীৰ সোণৰ শিকলি দেখুৱালে।

অমৃতৰ চকুৰ আগত আজি ওঠৰ উনৈশ বছৰৰ আগৰ দিন এটা ভাঁহি উঠিল। সি মূৰ ঘূৰাই কাতৰ আৰ্ত্তনাদ এটা কৰি চকীখনত পৰি গল। সি মূৰ্চ্ছা গল। সেয়ে তাৰ শেহ মূৰ্চ্ছা।... অকণৰ মুখৰ ওপৰেদি এটা তৃপ্তিৰ ছায়া খেলি গ'ল।

* * *

তাৰ পাছত অকণক আৰু তাত কেঁৱে নৈদেখিলে।

